# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী
## তাৰিখ ঃ ৩/১০/২০১৮ বুধবাৰ

**আজি ইংৰাজী ০৩-১০-২০১৮ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ শৰৎকালীন অধিৰেশনৰ কাৰ্য্যবিৰৰণী ঃ**

**মাননীয় অধ্যক্ষ ঃ** Question No. 121. Shri Debanada Hazarika.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দেৱানন্দ হাজৰিকা, বিহপুৰীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি অসমত গুণোৎসৱ হৈছিলে. আমি বহুত আশা কৰিছিলো যে, গুণোৎসৱৰ পাছত শিক্ষাৰ মানদণ্ড উন্নত হ'ব। আমি কৈ ফুৰিছিলো যে, আমাৰ গুণোৎসৱৰ পাছত ছাত্ৰ-ছাত্ৰীৰ স্কুলৰ stength বিলাক বাঢ়ি গৈছে। মোৰ প্ৰশ্ন হ'ল এতিয়া যিখিনি ৰেকৰ্ড আমি পাইছো, তাত আমি দেখা পাইছো বহুত স্কুলত গুণোৎসৱৰ পাছত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাটো বঢ়াতকৈ কমিহে গৈছে প্ৰথম কথা। দ্বিতীয়তে গুণোৎসৱৰ আধাৰত ৪২১ লাখ টকা মঞ্জুৰী দিছিলে, কিন্তু আজিলৈকে টকাখিনি স্কুল বিলাকত দিয়া হোৱা নাই। এতিয়া দ্বিতীয় গুণোৎসৱ আহিব লৈছে। এতিয়াও যদি টকাখিনি দিয়া হোৱা নাই। ইমান দেৰি কিয় হৈছে। তৃতীয়তে, গুণগত যি শিক্ষা, এইটোৰ কাৰণে Continous Comprehensive Evaluationতাৰ ওপৰতে গুণোৎসৱৰ আধাৰ। কিন্তু এই Continuity টো maintain কৰা হৈছে নে নাই। যদি Continuity টো maintain কৰা নাই, বছৰেকত এবাৰ গুণোৎসৱ পাতি শিক্ষাৰ ক্ষেত্ৰত কিবা upgrade কৰিব পাৰিম জানো? শিক্ষাৰ যি দুৰৱস্থা এতিয়া। তাৰ পাছত শিক্ষক সকলৰ যি বিভিন্ন সমস্যা, এই সমস্যা বিলাক Speaker's Intiative programmeৰ ক্ষেত্ৰত লগতে আলোচনা কৰা হৈছিল। সেই আলোচনাৰ ওপৰত ভিত্তি কৰি শিক্ষক সকলৰ যি অসুবিধা, বিভিন্ন মহলৰ অসুবিধা এই অসুবিধা সমূহ দূৰ কৰাৰ ক্ষেত্ৰত চৰকাৰে কি কি পদক্ষেপ লৈছে, এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে এই ক্ষেত্ৰত জানিব বিচাৰিছো। ধন্যবাদ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দেৱানন্দ হাজৰিকাই তেখেতৰ Supplementary যিখিনি প্ৰশ্ন সুধিছে, এই প্ৰশ্নখিনি প্ৰাসংগিক। পোন প্ৰথমে এটা কথা, যিটো কথা হয়তো ইতিবাচক নহয়। কিন্তু এই কথাটো উনুকিয়াই যোৱাৰ প্ৰয়োজন আছে। গুণোৎসৱ যেতিয়া আমি অনুষ্ঠিত কৰিছিলো, তেতিয়া আমি এটা বস্তু দেখিছিলো যে, যিখিনি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আগত পাইছিলো আৰু গুণোৎসৱৰ সময়ত যেতিয়া যোৱা হ'ল, তেতিয়া দেখা গ'ল যে, A Subtential percentage of students were absent যেতিয়া তেখেত সকলক সুধা হ'ল যে, এনেকুৱা এটা গুৰুত্ব পূৰ্ণ দিনত আপোনালোকৰ ছাত্ৰ-ছাত্ৰী কিয় নাই, সেই সম্পৰ্কে জ্ঞাত কৰক। তেতিয়া আমি দেখিলো যে, A Resonable percentage were found to be whose students.তেওঁলোকক সম্পূৰ্ণ কাগজে কলমে হিচাপেহে তেওঁলোকৰ নামবোৰ ৰখা হৈছিল। গতিকে A declined in the no. of students it is one of the major reason it is because of the identification whose students which has good for the system. প্ৰথম উত্তৰ হৈছে এইটো। দ্বিতীয়তে, তেখে তে কেইবাটাও

প্ৰশ্ন কৰিলে। তেখেতে সুধিছে যে, ইয়াৰ ক্ৰমান্বয়ে মানদণ্ড উন্নতৰ বাবে কি কৰা হৈছে। দীঘলীয়া উত্তৰ এটা আছে। মই মূলতে যিখিনি কথা গুণোৎসৱৰ লগত জড়িত। গুণোৎসৱত আমি চাৰিটা দিশ সামৰি লৈছিলো। প্ৰথম হৈছে, শিশুৰ শৈক্ষিক পাৰদৰ্শিতা। দ্বিতীয়তে, আছিল **শ শ** বিদ্যাতনিক কাৰ্য্য, বিদ্যালয়ৰ আন্তঃগাথনি আৰু অন্যান্য সা-সুবিধাৰ অৱস্থিতি উপলব্ধতা আৰু ব্যৱহাৰ , সমাজৰ অংশ গ্ৰহণ। মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত গুণোৎসৱে অসমৰ শিক্ষা ব্যৱস্থাত এটা নতুন বিপ্লৱে আনিছে। কিয়নো আগতে আমি দেখিছিলো যে, সমাজৰ বিশেষকৈ অভিভাৱক অভিভাৱিকা সমলৰ স্কুলত কি হৈছে, নাই হোৱা স্কুলখন কেনেদৰে চলিছে এনেকুৱা ধৰণৰ ক্ষেত্ৰত তেখেত সকলৰ যথেষ্ট অংশ গ্ৰহণ কৰা নাছিলে। কিন্তু বৰ্তমানে এই গুণোৎসৱৰ মাধ্যমেৰে তেখেকসকলে আকৌ শিক্ষানুষ্ঠান বিলাকৰ লগত জড়িত হৈ পৰিছে, এই শিক্ষানুষ্ঠান বিলাকত কি ভাৱে শিক্ষাদান কৰা হৈছে, আন্তঃগাথনিৰ সম্পৰ্কে তেখেত সকল জড়িত হৈ পৰাৰ ফলত মই ভাৱো যে, শিক্ষা জগতখনত যথেষ্ট উন্নতি আহিবলৈ আৰম্ভ কৰিছে। ইয়াৰোপৰি যিটো কথা কোৱা হৈছে যে, বিদ্যালয়ৰ আন্তঃগাথনি, আপুনি জানি ভাল পাব যে, আমি আন্তঃগাথনিৰ বাবে চাৰিটা বিষয় লৈছিলা। এই বিষয় সমূহত যেনেকৈ যিহেতু এইটো বিহপুৰীয়া সমষ্টিৰ লগত জড়িত প্ৰশ্ন। প্ৰথম পৰ্য্যায়ৰ গুণোৎসৱত বৰ্হিমূল্যায়ণৰ দ্বাৰা চিহ্নিত আন্তঃগাথনিৰ ব্যৱস্থাসমূহ পূৰণ কৰিবৰ বাবে অসম চৰকাৰে ৪২১.১৩ টকা দিছিল ২০১৭-১৮ চনৰ ৰাজ্যিক পৰিকল্পনা শিতানত আৰু বিহপুৰীয়া সমষ্টিত ৫৭ খন বিদ্যালয়ত শ্ৰেণী পৃথকীকৰণৰ বেৰৰ বাবে মুঠ ১৮৬৩৯ লাখ টকা মোকলাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। যিহেতু তেখেতে সামগ্ৰিকভাৱে প্ৰশ্নটো সুধিছে অসমৰ অন্যান্য শিক্ষানুষ্টান সমূহত কিন্তু এই যি আন্তঃগাথনি আগতে কি আছিলে সৰ্বশিক্ষাৰ যি এটা ডাঙৰ হল ঘৰৰ নিচিনা আছিলে, শ্ৰেণী কোঠাবোৰৰ মাজত বেৰবোৰ দিয়া হোৱা নাছিলে এতিয়া সেইবোৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। মই গোটেই খিনি উত্তৰ পঢ়িয়ে শুনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱিছো এইটো লে' কৰিলে ভাল হ'ব। কাৰণ সকলো সদস্যৰ কাৰণে সুবিধা হ'ব। তেখেতৰ প্ৰশ্নটো আছিল, Specific বিহপুৰীয়া সমষ্টি। তেখেতে জেনেৰেল কথাটো সুধিছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো লে' কৰি দিব পাৰো।

**শ্ৰী দেৱানন্দ হাজৰিকা, বিহপুৰীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কৈছে, গুণোৎসৱৰ সময়ত Hierd Students ৰ ব্যৱস্থা। Students বেছিকে দেখুৱাইছিল, enrolment ৰ ক্ষেত্ৰত। দ্বিতীয়তে, কিছুমানে A grade পালে, কিছুমানে Lower grade পালে। যিসকলে হাইয়াৰ গ্ৰেড পালে, তেওঁলোকক কিবা insentive দিয়া হৈছে নেকি? যিসকল low performer সেই Low performer সকলৰ ওপৰত action taken কিবা হৈছে নেকি? Action taken মানে I am not talking about punishment . I am talking about upgradation of thier quality of imparting education. তৃতীয়তে যিবিলাক স্কুলত Hired Students আছে বুলি প্ৰমাণিত হৈছে. যিহেতুকে মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে। সেই স্কুলবিলাকত শাস্তিমূলক ব্যৱস্থা কিয় কৰা হোৱা নাই এতিয়ালৈকে । শিক্ষা বিভাগত থাকি প্ৰধান শিক্ষকে বা শিক্ষক যদি Hired Students সমূহ দেখুৱাই গুণোৎসৱত তেখেতৰ grade টো আপ কৰিবৰ কাৰণে বিচাৰিছে, তেতিয়াহ'লে সেইবিলাক যদি প্ৰমাণিত হৈছে, সেইবিলাকৰ ক্ষেত্ৰত যদি আমি শাস্তিমূলক ব্যৱস্থা নলওঁ, বা বেলেগ ধৰণৰ ব্যৱস্থা নলও তেতিয়াহ'লে শিক্ষা ব্যৱস্থাটোত বেয়া প্ৰভাৱ পৰিব।

**মাননীয় অধ্যক্ষ ঃ** হাজৰিকা ডাঙৰীয়া, আপুনি জেনেৰেল কৰিব গৈ আছে। আপোনাৰ সমষ্টিত যদি তেনেকুৱা হৈছে, সেইটো শুনক। বাকীবিলাক নুশুধিব।

**শ্ৰী দেৱানন্দ হাজৰিকা, বিহপুৰীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত তেনেকৈ upgradationৰ কিবা hired students পাইছে নেকি ? যদি কিবা ৰেকৰ্ড আছে, ব্যক্ত কৰিলে ভাল হয়, মই জানিব বিচাৰিছো। ধন্যবাদ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা হ'ল যিটো কথা কোৱা হৈছে, যিসকলে ভাল পাৰদৰ্শিতা দেখুৱাইছে, তেখেতসকলক কিবা আৰ্থিক অনুদান দিয়া হৈছে নেকি বা পুৰস্কৃত কৰা হৈছে নেকি ? হয়, সেই সম্পৰ্কত কৰা হৈছে। পৰ্য্যায়ক্ৰমে বিভিন্ন স্কুলত দিয়া হৈছে। তেখেতৰ বিহপুৰীয়া সমষ্টিত দিয়া হৈছে নে নাই এই মূহুৰ্তত মোৰ হাতত তথ্য নাই। কিন্তু তেখেতক সেইটো জনাব পাৰিম। দ্বিতীয়তে হৈছে যে, যিবোৰ তেনেকুৱা ধৰণৰ স্কুলবিলাকে Grade ত A + পাইছে, তেখেতসকলক আমি প্ৰথম পৰ্য্যায়ত ২৫ হাজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছো। গতিকে তেখেতৰ বিধান সভা সমষ্টি ত এই ক্ষেত্ৰত A + কিমানে পালে, তাৰ কিমানখিনি লাগে, এই তথ্যখিনি মই তেখেতক জনাব পাৰিম আৰু যিখিনি তেখেতে কৈছে শাস্তিমূলক ব্যৱস্থা। এতিয়া কিছুমান ক্ষেত্ৰত প্ৰমাণ কৰা খুব কঠিন হয়। কাৰণ কালিলৈ যদি এজন শিক্ষাৰ্থীৰ নাম কাটি দিয়া হ'ল আৰু নামটো কটাৰ পাছত যদি শিক্ষকজনক সোধা যায় যে, ছাত্ৰজন কিয় নাহিল ? তেখেতে প্ৰথমতে কি উত্তৰ দিব যে নাজাানো মই কিহৰ কাৰণে নহা হ'ল। আজিকালি নহা হ'ল, স্কুল বাদ দিলে। গতিকে এইক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থাকে মই ভাৱো যে, এটা ব্যাধি ওলাই পৰিছে আৰু এই ব্যাধিটো এই ব্যৱস্থাৰ পৰা আতৰাব পাৰিলে অধিক সফলতা আছে বা অধিক প্ৰয়োজন হ'ব। ইয়াৰ লগতে যিসকল স্কুলে পাৰফৰ্ম কৰা নাই। তেখেত সকলক শাস্তি দিলে সেই শাস্তিটোৱেই সেই স্কুলখনৰ উন্নতি নকৰে। আমি সেই স্কুলখনত আন্তঃগাথনি উন্নতি কৰিব লাগিব। সেই স্কুলখনৰ অভিভাৱক-অভিভাৱিকা সকলে ছাত্ৰ-ছাত্ৰী সকলে যাতে পঢ়াত মন দিয়ে, ছাত্ৰ-ছাত্ৰী যাতে সময় মতে বিদ্যালয় আহে, এনেকুৱা ধৰণৰ যদি তেখেতসকলৰ উদ্‌গনিমূলক পদক্ষেপ লোৱা হয়, মই অনুভৱ কৰো যে, শাস্তিয়ে কোনো এটা সমস্যা সমাধান নহয়।.

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্বন নং- ১২২ , ৰূপজ্যোতি কুৰ্মী । মিনিষ্টাৰ এডুকেশ্যন প্লিছ ..।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

শ্ৰীৰূপজ্যোতি কুৰ্মী, ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিলে - যে, এল পি, এম ই, হাই স্কুল, হায়াৰ চেকেণ্ডেৰী স্কুল মৰিয়নি সমষ্টিত কিমানখন বিদ্যালয় আছে , ছাত্ৰ- ছাত্ৰী অনুপাতে কিমান শিক্ষক আছে। ৰাইট টু এডুকেশ্যন আছেনে নাই ? এনে এটা প্ৰশ্ন মই শুধিছিলো। আৰু এই খালি পদসমূহ কেতিয়া পূৰণ কৰিব, মই একেবাৰে সন্তুষ্ট নহয়, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে। যিহেতু অধ্যক্ষ মহোদয় আপুনি আমাক চাচটেইনেবল ডেভল'পমেন্ট গোলৰ বিষয়ে জনাইছিল সেই কিতাপখনতো উল্লেখ আছে প্ৰথম হ'ল শিক্ষা বৰ্ত্তমান আপোনালোকৰ চৰকাৰৰ পৰা আমাক এটা ৰিপোৰ্ট দিছিলে ইউ নি চেফৰ। মোৰ ওচৰত আছে , তাতো কৈছে যে, গ্ৰাম্য অঞ্চলৰ চাহ বাগিছা আৰু চৰ বিশেষকৈ ট্ৰাইবেল অঞ্চল, পাহাৰ অঞ্চলৰ শিক্ষাৰ মানদণ্ডৰ উন্নতকৰণৰ কাৰনে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগে । এতিয়া মোৰ প্ৰশ্নটো হ'ল যে, আজি কলিয়া পানী বাগান এল পি স্কুলৰ ১৭৭ ছাত্ৰ- ছাত্ৰীৰ বিপৰীতে ১ জন শিক্ষক । গ্ৰীণভিউ এল পি স্কুল-১৩২ ছাত্ৰ- ছাত্ৰীৰ বিপৰীতে ২ জন শিক্ষক। ৰেলৰে বেংগলী এল পি স্কুল-২৪৮ ষ্টুডেন্টৰ বিপৰীতে ৩ জন শিক্ষক। ঠাকুৰ প্ৰসাদ এম ই স্কুল- ৪১০ ষ্টুডেন্টৰ বিপৰীতে ৭ জন শিক্ষক। ন জান প্ৰাথমিক বিদ্যালয় ৫৪

ষ্টুডেন্টৰ বিপৰীতে শূন্য শিক্ষক। ন কছাৰী হায়াৰ চেকেণ্ডৰী স্কুলত -মে মাহত যোৱা বছৰ ২০১৭ চনত বিজ্ঞান শিক্ষক পদটো খালি হ'ল। ২০১৮ চনত ১ বছৰ ৫ মাহ হৈ গ'ল এতিয়ালৈকে পোষ্টটো ফিল আপ কৰা নাই। মাননীয় মন্ত্ৰীৰ পৰা আমি স্পষ্টভাৱে জানিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়ৰ বিশেষ উদ্যোগত শিক্ষা বিভাগটোৰ ওপৰত আলোচনা আনিছিল আৰু যিহেতু চৰকাৰৰ পক্ষৰ পৰা গুনোৎসৱৰ সময়তে কৈছিল যে, আমি শিক্ষা ব্যৱস্থাৰ সকলো খিনি অসুবিধা দূৰ কৰিম। কিন্তু আজি দেখা পাইছো ১বছৰ হ'বলৈ হ'ল আৰু ১ বছৰ পিচত আকৌ গুনোৎসৱ ৮ তাৰিখৰ পৰা আৰম্ভ হ'ব । আগৰ যিখিনি প্ৰতিশ্ৰুতি দিয়া হৈছিল - পুৰস্কাৰ দিম বুলি কৈছিল, পুৰস্কাৰ নাই। আন্তঃগাঁথনিৰ নামত অনুদান দিয়া হ'ব বুলি কৈছিল- সেইখিনি দিয়া নাই। অকল মাষ্টৰ সকলক খৰছ কৰালে , পৰিচালনা সমিতিক খৰছ কৰালে গুনোৎসৱৰ নামত, তাৰ বাহিৰে একো নাই। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আমি স্পষ্ট জানিব বিচাৰিছো যে খালি পদসমূহ কেতিয়া পূৰণ কৰিব। কাৰন এতিয়া ৩ মহীয়া,৬ মহীয়া, ৯ মহীয়া পৰীক্ষা শেষ হৈ আৰু ডেৰ মাহ পিছত বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হ'ব। বিষয় শিক্ষক নোহোৱাকৈ বছৰটো পাৰ কৰিলে। এতিয়া প্ৰশ্ন কাকতত শিথিলতা আনিব নেকি ? এতিয়া এইক্ষেত্ৰত কেনেধৰণে চিন্তা কৰিছে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব বুলি আশা কৰিলো।

**মাননীয় অধ্যক্ষঃ** মিনিষ্টাৰ প্লিছ ...।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় সদস্যগৰাকীয়ে চাগৈ মোৰ উত্তৰটো পঢ়ি চোৱা নাই। পঢ়ি চালে এই প্ৰশ্নটো নকৰিলেহেতেন। অনুগ্ৰহ কৰি ইংৰাজী ভাৰ্ছনটো পঢ়ি চাওঁক। উত্তৰ নং (চি) The Government have taken necessary steps for filling up vacant posts in LP UP schools by publishing advertisement.......

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পঢ়ি চাইছো। আপুনি যদি পঢ়ি চালেহেতেঁন প্ৰশ্নটো নকৰিলে হয়।

**মাননীয় অধ্যক্ষ ঃ** Please. I will allow you. Let him give answer you would not be satisfied. শিক্ষা মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** It is mentioned here that hon'ble Gauhati High Court had passed an order, ২৪ তাৰিখে আমি অৰ্ডাৰটো পাইছো। এই ২৪ তাৰিখে আমাৰ ৯৫১৩ টা পোষ্ট - হাইকোৰ্টত এখন ৰিপিটিশ্যন ফাইল কৰা কাৰণে, হাইকোৰ্টৰ ইন্টাৰভেনশ্যনৰ কাৰণে এই পোষ্টবোৰ ফুল ফিলআপ কৰিব পৰা নাছিলো। ২৪-০৯ তাৰিখে হাইকোৰ্টৰ অৰ্ডাৰটো আমাৰ ফেভাৰত পাইছো। চৰকাৰে জিকিছে। তাৰ পিছত কোৰ্টে আমাক এলাও কৰিছে। আপুনি উত্তৰবিলাক পঢ়ক। তাত লিখা আছে - We had instruction to complete the process of recruitment as per Law under necessary amendment in advertisement published on 11-03-2018. আমি এই প্ৰশ্নৰ যুক্তিযুক্ততা বুজি পোৱা নাই এই কাৰণে যে- তাৰ পিছৰ পেৰাগ্ৰাফত চাওঁক লিখা আছে। যে- Further the Government have approve the filling up of 76521 and 820 in Hindi, Sanskrit and Arabic Teachers in secondary Schools . The Government also approve for filling up of 671 and 301 Nos Subject Teachers during last year including Jorhat District to solve the problem of shortage of Teachers. চৰকাৰে সকলো তথ্য, গোটেইখিনি সংখ্যা

দিয়াৰ পিচতো যদি আপুনি কয় যে চৰকাৰে পদক্ষেপ লোৱা নাই তেতিয়া হ'লে মই কি ক'ম ? তাৰ পিছত থাৰ্ড পেৰাগ্ৰাফটো আপুনি পঢ়ক ।168 No. of vacant post of Assistant Teachers, Secondary Schools are in process for approval for filling up the vacancies in minimum 4 Subjects - Math, Science, English, and Art. যোৰহাট জিলাৰ তথ্য এইটো । অনুগ্ৰহ কৰি উত্তৰবিলাক পঢ়ি পেলাই প্ৰশ্নটো কৰিব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোক জ্ঞান দিব বিচাৰিছে। তৃতীয় যিটো বিষয় উত্তৰত কৈছে The Government have taken necessary steps for filling up vacant posts in LP UP schools by publishing advertisement on11-03-2018- শিক্ষা বৰ্ষ আৰম্ভ হৈছিলে কেতিয়া ? মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই খালি পদবোৰ পূৰণ কৰিবলৈ ২০১৬ চনৰ মে মাহতএই চৰকাৰ দায়িত্ব লৈছিল। ২০১৬ চনৰ পিছৰ সময়খিনি আৰু ২০১৭ চনটো সম্পূৰ্ণভাৱে পালে গতিকে মাননীয় অধ্যক্ষ মহোদয় , মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই বছৰৰ শিক্ষা বৰ্ষৰ আৰম্ভনি কোন তাৰিখে হৈছিল ?

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কোৱেশ্যনটো মই বুজিছো।......... এতিয়া বহক। Please don't make noise. মানে ঘটনাটো হৈছে আমি ইয়াত পইন্টছ কটা কটি কৰাৰ কথাটো নকৰি আপুনি যিটো কথা কৈছে মই ভাৱো যে এই কথাটো মইও এতিয়া চাইছো। যোৱা ২৪ তাৰিখে আগৰ সময়টো কিয় নহ'ল সেইটো উত্তৰ দিব পাৰিব। কিন্তু দিলে আকৌ হুলস্থুল ....। মই এইকেইদিন দেখি আছো নহয়। গতিকে you should be satisfied. এই বাৰ অন্তত তাৰিখটো মই দিছো। শিক্ষা বৰ্ষ কেতিয়া আৰম্ভ হয় আপুনি কৈ দিয়ক ।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মোৰ মৰিয়নি সমষ্টিত লৰা ছোৱালীয়ে ভূগিছে, কষ্ট পাই আছে। বিধায়কসকলে সমষ্টিৰ কথা ক'ব লাগে। গতিকে আমিতো সমষ্টিৰ কথা ক'বই লাগিব ছাৰ।

সদনত হুলস্থুল- তীব্ৰ বাদ-বিবাদ ।

**মাননীয় অধ্যক্ষ ঃ** সেইটো কথা ইয়াত নাহে । আপুনি বহক....। নেক্সট কোৱেশ্যন।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** তেখেতে যদি ১০ টা প্ৰশ্ন কৰিব পাৰে মইও কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** নালাগে।

(শাসক বিৰোধীৰ কিছু সংখ্যক সদস্যই ঠিয় হৈ একেলগে কয়, তাৰ ফলত সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ ঃ** Please be seated, আপোনালোক বহক। মই থিয় হৈছো। মোক কবলৈ দিয়ক। Please, House টো এই এঘন্টা সময় সকলো মানুহে TV চাই দৰকাৰী কথাখিনি পাবৰ কাৰণে। ইমান ধুনীয়াকৈ দুটা প্ৰশ্ন হৈছে, এই প্ৰশ্ন বিলাক related to their consistency, সেই কাৰণে মই Supplementary দিম, এতিয়া বাকী কেইটা প্ৰশ্নলৈ যাব খুজিছো। কিন্তু আপোনালোকৰ, মই শাসক বিৰোধী সকলোকে কৈছো ইয়াত Debate কৰি থাকিব পাৰিব, মই House Adjourned কৰি গুচি যাব পাৰো, কিন্তু এইটো নহয়, মানুহে সেই কাৰণে আমাক ইয়ালৈ পঠিওৱা নাই। গতিকে আপোনালোকৰ শব্দৰ ব্যৱহাৰ, আমি ভদ্ৰলোক হয়নে নহয় ? ভদ্ৰ শব্দ নাই নেকি মানুহক কথা ক'বলৈ ? কিবা এটা কথা কলে ভদ্ৰভাৱে কব। কোনো বেয়া শব্দ ইয়াত নাথাকে সকলো deleted. কিন্তু গোটেই কথাটো হৈছে, কিয় আপোনালোক সকলো মাননীয়

সদস্যই ইজনে সিজনক এইটোৰে কৈ House টো তেনেকৈ চলাব খুজিছে। কিয় আমি অসমত কিয় এটা ভাল Example Established কৰিব নোৱাৰো। আপোনালোকে মেঘালয়ৰ Assembly চাব, I am proud of that. Question hour টো ইমান improtant, তাৰপিছত zero hour, 301অত বিলাক আছে, তাত আপোনালোকে কি কয় কৈ থাকক। ২০ টা প্ৰশ্ন আছে ইমান সময় মই ৪ টা, ৫টা যাব পাৰো। মই কৈছো শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, ইয়াত মই মন্ত্ৰী ডাঙৰীয়াকো কৈছো ইয়াত points কব পৰা কথা নহয়, কোনে কাৰ কি points পালে। মানুহক information দিয়াৰ কাৰণে এইটো। সেই কাৰণে মই পুনৰ গোটেই কথাখিনি delete কৰিছো, যিখিনি কথা কৈছে। মই সকলোকে কৈছো, মইওতো এজন বিধায়ক, আপোনালোকে মোক দিছে কাৰণে মই এইখন চকীত আছো। যেতিয়া মই থিয় হম বাকী সকলে অকমানটো বহিব। আপোনালোকে এটা শব্দ শুনিছে মইও শুনিছো, নুশুনাকৈ আছো নেকি? That is not a Parliamentary word, we should not speak and we should not utter like that word. মই বিচাৰিছো এতিয়াও প্ৰায় আধঘন্টা যাব, সেই কাৰণে এই দুটা প্ৰশ্ন ইমানতে সামৰিলো। Third question no 123 লৈ যাওঁ।

**ড০ নোমল মমিন ঃ** Point of Order, sir.

**মাননীয় অধ্যক্ষ ঃ** কোনো Point of Order এতিয়া নহয় after question hour. এতিয়া প্ৰশ্ন নং ১২৩, শ্ৰীওৱাজেদ আলী চৌধুৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আচলতে আপোনাৰ কথাখিনিৰ লগত মই একমত আৰু আমি ভদ্ৰভাৱে নিজৰ কথাখিনি কব পাৰো। কিন্তু আমাৰ।

**শ্ৰীআব্দুল খালেক ঃ** চাৰ, চাৰ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** He is the Parliamentary Affair Minister. I have to take it, only his speech no other Minister is allow to speak. he bring Parliamentary কিবা দৰকাৰী কথা কলে শুনক, কি আছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** গতিকে অধ্যক্ষ মহোদয়, 'আমি সকলোৰে ভদ্ৰভাৱে কথাখিনি কলে' আপুনি কোৱা কথাটো মই agree কৰিছো। কিন্তু আমাৰ শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই।

**মাননীয় অধ্যক্ষ ঃ** নহয়, নহয়। Please don't deffered. নাই, নাই ঠিক আছে closed chapter.

(শাসক বিৰোধীৰ কিছু সংখ্যক সদস্যই একেলগে কয়, তাৰ ফলত সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ ঃ** মই বুজি পোৱা নাই, গোটেই পৃথিৱীখনৰ আমাৰ সময়বিলাকে কৈ আছে নহয় বাহিৰত গৈ মিনিঙত গালি পাৰি থাকিব, সদনত কিয়, সদনত তেনেকুৱা কথাবিলাক কয় নেকি? আৰু ইফালে সিফালে চাই কথাবিলাক কিয় কয়? মোক কলে হয় কথাখিনি। আপোনালোক all express the people. নতুন বিধায়ক সকলে এইটো কৰিলে মই বেয়া নাপাও। শুনক কথা। বেছিভাগ নতুন বিধায়ক আহিছে এইবাৰ, নতুন বিধায়কৰ দোষ হলেও মই অলপ সোনকালে কৰিব পাৰো। কিন্তু আমাৰ পুৰণাখিনিয়ে কিয় এইবিলাকত লাগে। Next question no 123, Wazed Ali Choudhuary, Minister Please.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ কেইবাখনো গাওঁ গড়াখহনীয়াত বিচ্ছিন্ন হৈ গৈছে। বিশেষকৈ যোৱা বাজেট অধিৱেশনত তাৰ আগৰ অধিৱেশনত আমাৰ মাননীয় মন্ত্ৰী Water Resource আৰু মাননীয় মন্ত্ৰী Parliamentary Affair, তেওঁলোকে এই House তে Assurance দিছিল Patakota Bazar protection আঁচনিটোলৈ। অতি দুখৰে কব বিচাৰিছো, আজি উত্তৰ পাইছো যে তেওঁলোকে SOPDৰ পৰা এখন আঁচনি গ্ৰহণ কৰিব বিচাৰি আছে, এতিয়ালৈ final হোৱা নাই। কিন্তু যোৱা বাজেট অধিৱেশনত মন্ত্ৰী মহোদয়ে নিজে কৈছে, তেখেতৰ chamberত মই লগ কৰি তেখেতক সুধিছো আৰু তেখেতে কৈছে যে আপোনাৰ দুখন আঁচনি হৈ গৈছে। কিন্তু আজি উত্তৰ পালো এইটো Process হৈ আছে। গতিকে মই স্পষ্টকৈ জানিব বিচাৰিছো যে গড়াখহনীয়া protection ৰ কাৰণে কোনো আঁচনি চৰকাৰে ল'বনে নাই? যদি নলয় clear কৰি দিয়ক। ৰাইজৰ ফালৰ পৰা তেওঁলোকে নিজে চেষ্টা কৰিব ৰাইজে নিজে গছ কাটি তেওঁলোকে নিজে প্ৰচেষ্টা হাতত লৈছে।কিন্তু এনেকুৱা প্ৰত্যেকটো অধিৱেশনত মোক এনেকৈ Assurance দিয়া হৈছে, এটা particular scheme Patakota. সেইটো কথা সদনৰ প্ৰত্যেকে জানে। গতিকে আজি মন্ত্ৰী মহোদয়ৰ পৰা মই স্পষ্ট হ'ব বিচাৰিছো পাতাক'তাৰ এই protection ৰ আঁচনি খন হ'বনে নাই?

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই যিটো কথা কৈছে, সেই বিষয়ে তেখেতৰ তাত এখন আঁচনি লোৱা হৈছিল Closing of avulsion channel of river Brahmaputra at U/S of Patakota Bazar, এইটোৱে নহয় জানো? তাত ৩ কোটি ৫০ লাখ টকাৰ এই আঁচনিখন আমাৰ বিভাগৰ সকলো পৰ্য্যায় অতিক্ৰম কৰি বিত্ত বিভাগৰ লগত শেষ, চূৰান্ত পৰ্যায়ত আছে আৰু অকল এইখন আঁচনিয়ে নহয় আমাৰ বহু বিধায়কৰ মুঠতে ১৪৯ কোটি টকাৰ এইখিনি বিত্ত বিভাগৰ লগত আছে। বিত্ত বিভাগে আমাক go ahead দিছে, যে কামত Process আগবঢ়া। কিন্তু তাৰ যিটো Administrative approval, Administrative approval টো পাবৰ প্ৰক্ৰিয়াত আছে আৰু এই আপোনাৰ আঁচনিখন য'ত আছে আমাৰ বহুকেইজন বিধায়কৰ তাতেই আঁচনিখন আছে। বৰাকৰ আছে, ব্ৰহ্মপুত্ৰৰ উপত্যকাৰ আছে, সকলোৰে আছে। গতিকে বাকী সকলো বিধায়কে বিত্ত মন্ত্ৰীৰ ওচৰত, মুখ্যমন্ত্ৰীৰ ওচৰত তেখেত সকলে গৈ এই ১৪৯ কোটি টকা একেলগে পাবৰ কাৰণে সকলোৱে চেষ্টা কৰিছে। আপোনাৰ খনো তাৰ ভিতৰতে অন্তৰ্ভূক্ত হৈ আছে আৰু আমাৰ বিত্ত বিভাগৰ মন্ত্ৰীয়ে গোটেইটো প্ৰক্ৰিয়া আগুৱাই নিবলৈ আমাক কৈছে আৰু Administrative approval দিয়াৰ শেষ পৰ্য্যায়ত আছে। গতিকে মই ভাৱিছো, আমি উত্তৰত আপোনাক সেই কথাটো লিখি দিবলৈ ভাল পোৱা নাছিলো। সেই কাৰণে প্ৰচেষ্টা চলাই থকা বুলি কৈছো। কিন্তু প্ৰকৃত positionটো সেইটো।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰচেষ্টা যোৱা বাজেট অধিৱেশনত মন্ত্ৰী মহোদয়ে মোক কৈছিল এইটো Finance ত আছে। Finance ত কিমান বছৰ লাগে Scheme Sanction কৰোতে কাৰণ যোৱা বাজেট অধিৱেশনত তেখেতে কৈছে যে আপোনাৰ Scheme টো Finance ত আছে। আজি উত্তৰত আকৌ সেইটোৱে পাইছো Finance ত আছে। Finance ত কিমানদিন পৰি থাকিব। দ্বিতীয়, কথাটো হ'ল আমাৰ বানপানীৰ সময়ত এতিয়াও গড়াখহনীয়া চলি আছে আজিও চলি আছে গতিকে বিভাগীয় বিষয়া সকলৰ লগত আলোচনা কৰি কিছু কাম-কাজ চলাই আছো। মন্ত্ৰী মহোদয়ে মোক যোৱা

অধিৱেশনত প্ৰতিশ্ৰুতি দিছিল M&R ৰ পৰা কিছু পইচা দিব বুলি গতিকে সদনত আকৌ তেখেতক সুধিব বিচাৰিছো যে M&R ৰ পৰা আমাৰ বানপানীৰ সময়ত যি বিলাক কাম-কাজ বিষয়া সকলে কৰি আছে বা ৰাইজে কৰি আছে MLA ৰ পৰা সেই বিলাকৰ ব্যৱস্থা হব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ বিষয়টো অলপমান মই ভালকৈ কৈ দিয়া ভাল হব, তেখেতৰ সমস্যাটো বেছি কাৰণ তেখেতৰ সমষ্টিটো এফালে হাট শিঙিমাৰি ব্ৰহ্মপুত্ৰ দুয়োপাৰে পৰে। হাটশিঙিমাৰি যিখন জিলা সেইখনতো পৰে আৰু ধুবুৰীটো পৰে। তেখেতে যিখিনি কথা কৈ আছে, তাত ধৰক ফকিৰাগঞ্জ, ডাকুৰভিটা, পামপৰা এই বিলাক ঠাই আপোনালোকৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ ঠাই। এতিয়া আপুনি গোটেইখিনি কথা আনিছে যে ইয়াত গড়াখহনীয়া হৈছে নেকি গতিকে এই ঠাই বিলাকত কিছু-কিছু খহনীয়া হৈছে। আপুনি কোৱাৰ দৰে সকলো ঠাইতে খহনীয়া হোৱা নাই বা আমি অন্যান্য যি বিলাক কাম কৰিছো FMP ৰ কাম এই বিলাক দ্বাৰা খহনীয়া ৰোধ হৈছে। টুমনী যিখন নদী এইখন সৰু নদী কিন্তু মেঘালয়ৰ পৰা আহি ব্ৰহ্মপুত্ৰত পৰিছে ইয়াতো কিছু খহনীয়া আছে। সেইটো ব্ৰহ্মপুত্ৰৰ লগত নহয় টুমনী এখন বেলেগ এইটো ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে আকৌ মনিৰচৰ, হাজিৰহাট এই দুয়োটাতো খহনীয়া আছে। গতিকে পাতাকাটা বজাৰৰ যিটো কথা আপুনি কৈছে, এই ৩কৌটি ৫০ লাখ টকাৰ এইটো যদি আমি লওঁ তেতিয়া হলে ইয়াৰ যথেষ্টখিনি কাম ইতিমধ্যে আমি হব বুলি আশা কৰিছো আৰু তাৰ পিছতো আপোনাৰ ধৰক উত্তৰ পাৰত পদ্মেৰ আলগা, বন্দিহানা, বয়েজেৰ আলগা, মাজেৰচৰ, এই আটাইবিলাকতে খহনীয়া আছে। কিন্তু তাৰ ভিতৰত আপোনাৰ পদ্মেৰ আলগা, বান্দিহানা DRDA ৰ কাম কৰি আছে আমাৰ পঞ্চায়তৰ পৰা কাম কৰিছে, পঞ্চায়তৰ পৰা কাম কৰাৰ কাৰণে সেই কেইটা কাম অলপ হৈছে আৰু হোৱা কাৰণে আমি কিছু সকাহ পাইছো। আৰু কেইটামান দিছে অধ্যক্ষ মহোদয়, ইয়াতে নাম তেখেতৰ প্ৰশ্নটোত আহিছিল সেই আটাইকেইটা হৈছে, ব্ৰহ্মপুত্ৰৰ মাজৰ চৰ,কাষৰ চৰ নহয়। মাজৰ চৰ হলে বিৰসিং, চলাকুৰা, মুঠাখোৰা, নিলোখীয়া আৰু পেৰাৰচৰ এই আটাই বিলাক চৰত এতিয়া কথা হৈছে কি কৰোৱাত ধৰক চলাকুৰা এইটোত আমাৰ IWI ৰ কিছু কাম আছিল তাৰ পৰা অলপ Savings কৰি আপোনাৰ তাত কাম কৰোৱা হৈছে। ব্ৰহ্মপুত্ৰ ভিতৰৰ চৰত SDRF ৰে আমি কাম কৰিব নোৱাৰো। তাত আমাৰ কোনো Embankment নাই। অন্য ধৰণে কৰিব নোৱাৰো মাজৰ চৰটো ৰক্ষা কৰটো অলপ বেলেগ আৰু পাৰৰ খহনীয়াটো বেলেগ। মাজৰ চৰ বিলাকত খহনীয়া হৈছে তেখেতৰ এফালে মানকাচাৰত আনফালটো হৈছে, ধুবুৰী ৰ সেইফালে। আকৌ তাৰ পিছত মাজৰ চৰটো আপোনাৰ সমষ্টিটোতে Water Resource ৰ কামৰ কথা বেছি, এইটো আপোনাৰ মূল সমস্যা। M&R যোৱাবাৰ খহোতে কলো যে আপুনি অলপ কাম কৰাই দিয়ক আমাৰ Engineer ক কলো আপোনাকো কলো। আপোনাৰ পৰ্য্যবেক্ষণতে অলপ অলপ কাম হৈছে। যিটো কাম হৈছে, মোৰ তালৈ Estimate আহিছে। গতিকে Emergency কাম হিচাপে তাত মই কিছু পইচা আপোনাক সেই কামটোৰ যিটো খৰচ হৈছে, বৰ বেছি লাভ কৰিব নোৱাৰিব আপোনাৰ ঠিকাদাৰে। সেই পইচাটো দিম যিটো খৰচ হৈছে বাকী কথা হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে মন্ত্ৰী মহোদয়ক কবলৈ দিয়ক।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Water Resource ৰ দুই এটা সমস্যা সকলোৰে জনাকে কৈ থোৱা ভাল। তাৰ মানে আমাক কৈছে, M&R ৰ পৰা কৰক maintenance & repairing তাৰ মানে কিবা এটা ভাঙিলেহে তাত maintenance কৰিব

পাৰিম। যদি আমাৰ Embankment য়ে নাই যদি তাত কোনো Structure নাই maintain য়ে নাই তেতিয়া হলে কেনেকৈ কৰিম। গতিকে M&Rৰ পইচাটো কৰোঁৱাত নি Erosion নিদি দিলে পিছত Audit য়ে ধৰিব। তথাপিতো মোকামিলাকে কিছু-কাম হৈ আছে উপায় নাইকীয়া ঠাইত। তাৰ পিছত SDRF য'ত Erosion বন্ধ, সাগৰত Erosion হলে SDRF ৰ পইচা খৰচ কৰিব পাৰে নদীত, Erosion হলে SDRF ৰ পইচা খৰচ কৰিব নোৱাৰে। গতিকে এইটো নিয়ম, গতিকে নিয়মত যদি কৰোঁৱাত যদি Bridge হয় ভাঙি দিয়ে মথাউৰি ভাঙে কিবা হয় তাত আমি SDRF ৰ পৰা আমি দিম।নহলে বাকী আমি SOPD বা NABARD ৰ পৰা দিব লাগে , NABARD ৰ পইচা পাইছো আমি ১০০ কোটি অধ্যক্ষ মহোদয়, এই বিষয়টো কৈ থোৱা ভাল। NABARD ৰ পইচা আমাক ১০০ কোটি টকা দিম বুলি কৈছে, ১০০ কোটিৰে সমস্যা সমাধান নহয়। ৫০ কোটি আমাৰ SOPD ৰ পইচা।

**মাননীয় অধ্যক্ষ ঃ** কোনে দিম বুলি কৈছে ১০০ কোটি টকা? আমাৰ চৰকাৰে নহয় জানো আপুনি সেই বিষয়খিনি চৰকাৰৰ লগত আলোচনা কৰি লব।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে যেতিয়া ভাগ কৰে Water Resource ৰ ভাগত আমি কাৰোঁৱাৰ PWD ৫০ কোটি। কথাখিনি কৈ নথলে, পিছত সকলো অভিযোগ মোৰ ওচৰলৈ আহিব। মই সম্বল কিমান কৈ থৈ দিছো গতিকে NABARD ৰ এইটো পইচা তাৰ পিছত SOPD আমি ৫০ কোটি টকাৰ বাজেট মাত্ৰ। গতিকে এই গোটেইখিনিৰে যাৰ যিমান সমস্যা আহিছে, সকলোখিনিৰ কাৰণে আমি ধৰিছো এইখিনিৰে অন্তত তাৰ লগত achievement টো কয় থোৱা উচিত হব। achievement টো যোৱা বছৰ তাৰ আগৰ বছৰ য'ত যিমান কাম হৈছে, কোনো কথা কেতিয়াও ৰৈ থকা নাই। সম্পূৰ্ণভাৱে সকলো বন্ধ হৈছে, আৰু মুখ্যমন্ত্ৰীয়ে ইয়াত বিশেষ initiative লৈছে লোৱা কাৰণে আমি এইখিনি আগবাঢ়িব পাৰিছো।

মাননীয় অধ্যক্ষ ঃ পৰৱৰ্তী প্ৰশ্ন শ্ৰী বিমল বৰা।

**শ্ৰী বিমল বৰা (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত এখন গাওঁ আছে, নাম ভড়ালী বাৰী কলিতা গাওঁ। গাওঁখনৰ অৱস্থা এনেকুৱা যে কি সমস্যা নাই তাত, গড়াখহনীয়াই তাত বিধস্ত ৰূপ ধাৰণ কৰিছে। বুঢ়ী দিহিং নদীয়ে গোটেই গাওঁখন আবৰি ৰাখিছে মানুহ বাৰিষা হোৱাৰ লগে লগে প্ৰায় ৪৫ মিনিট খোজ কাঢ়ি গাওঁলৈ যাব লাগে। এইফালে গড়াখহনীয়াৰ তাণ্ডৱ। বিভাগীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে ভড়ালী বাৰী কলিতা গাওঁৰ একো উপলদ্ধ নাই । কালি ৰাতিও শুৱা নাই, এনেকুৱা অৱস্থা গতিকে মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিছো লগতে শক্তি বিভাগক মই ধন্যবাদ জনাইছো, ৭০ বছৰে তাত বৈদুতিক লাইন যোৱা নাছিল কিন্তু যোৱাবাৰ গৈ বিদ্যু ত পালে গতিকে মই পল্লৱলোচন দাসক ধন্যবাদ জনাইছো আগৰ মন্ত্ৰীক।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী বেলেগ কব নালাগে, এইটো আপুনি চকু ৰাখিব। এতিয়া মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ।

**শ্ৰী হাফিজ বছিৰ আহমেদ (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি গড়াখহনীয়া সম্পৰ্কে যিটো ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়া প্ৰশ্ন আনিছে, তাৰ সংলগ্ন কৰি মই কব বিচাৰিছো , গড়াখহনীয়া এটা আমাৰ Recurring Problem প্ৰত্যক বছৰ নহয় ১২ মাহে চলিয়ে থাকে কৰোঁৱাত নহয় কৰোঁৱাত। এটা কথা ক'ব বিচাৰিছো যে কিছুমান উপনৈত গৰাখহনীয় আৰম্ভ হোৱা সময়তে যদি প্ৰটেকচন দিব পৰা যায় তেতিয়াহ'লে এটা ডাঙৰ সমস্যাৰ পৰা বাচিব পাৰি। মোৰ সমষ্টিতে গৌৰাং আদি কেইবাখনো উপনৈ আছে সেই নৈখনৰ ক্ষেত্ৰত যদি বিভাগীয় কৰ্তপক্ষক

তাৎক্ষণিক ভাৱে ব্যৱস্থা গ্ৰহণৰ বাবে কোৱা হয় তেতিয়া তেওঁলোকে কয় যে আমাৰ ফাণ্ড নাই। ইমাৰজেন্সি, ৰাৰ্বকিং ফাণ্ড নাই বুলি কয় আমাক। অধ্যক্ষ মহোদয়, এই কামখিনি নোহোৱাৰ ফলত যিটো কাম দহ-বিশ লাখ টকাতে গৰাখহনীয় প্ৰতিৰোধৰ ব্যৱস্থা কৰিব পৰা গ'লহেতেন সেইটো পিছত কোটি টকা খৰছ কৰি গৰাখহনীয় প্ৰতিৰোধৰ ব্যৱস্থা কৰিব লাগে। সেই কাৰণে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ধৰণৰ গৰাখহনীয়া বন্ধ কৰিবলৈ সামগ্ৰীক ভাৱে কিছু অংশ ইমাৰজেন্সি নাইবা ৰাৰ্বকিং ফাণ্ডৰ জিলা কৰ্ত্তৃপক্ষক দিয়াৰ ব্যৱস্থা কৰিব নেকি? আৰু এটা কথা লগতে কৈছো, মোৰ সমষ্টিত গৌৰাং নৈ আৰু ব্ৰহ্মপুত্ৰৰ এটা অংশ সংলগ্ন - বন্দীশালাৰ পিচতে মায়াচল বুলি এখন গাওঁ আছে, গোটেই গাওঁখনৰ গৰাখহনীয় প্ৰৰিৰোধৰ বাবে মই মন্ত্ৰী মহোদয়ক নিজে সাক্ষাৎ কৰি তিনিবাৰমান প্ৰস্তাৱ দিছিলো কিন্তু এতিয়ালৈকে তাক বাস্তবায়িত হোৱা দেখা নাই। সেই কাৰণে মই অনুৰোধ কৰিছো সেই অঞ্চলৰ ৰক্ষণা বেক্ষণৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেই বিষয়ে অসম বিধান সভাৰ বিভাগীয় ভাৱে সম্পৰ্কীয়ত স্থায়ী সমিতিয়ে এটা অনুমোদন দিছিলে যে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে এটা সুকীয়া ফাণ্ড মুকলি কৰিব লাগে। সেই অনুমোদনটো বিভাগে বিত্ত বিভাগলৈ প্ৰেৰণ কৰিছো। যদি বিভাগীয় ভাৱে সম্পৰ্কীয় স্থায়ী সমিতিয়ে দিয়া অনুমোদন মতে বিত্ত বিভাগে দিয়ে তেতিয়া নিশ্চয় এটা সুকীয়া ব্যৱস্থা থাকিব। তাৰ উপৰিও মাননীয় সদস্য গৰাকীয়ে ইমাৰজেন্সি ৰৰ্কৰ কথা সেইটোৰ কাৰণে বান সাহাৰ্য্য বুলি এটা ব্যৱস্থা আছে। আমি কিছু পইচা প্ৰত্যেক সংমণ্ডললৈ বানপানী অহাৰ আগে আগে আৱন্টন দিও। এই টকাটো বৃদ্ধি কৰিব বাবে আমি ইতিমধ্যে বিত্ত বিভাগক অনুৰোধ কৰিছো। সদস্য গৰাকীয়ে ঠিকেই কৈছে যিটো কাম লাখত হয় সেই কামটো কৰিবলৈ পিছত কৌটি টকাৰ প্ৰয়োজন হয়। গতিকে তেনেকুৱা কাম কৰিব বাবে প্ৰক্ৰিয়া হৈছে কিন্তু ফাণ্ড কম আছে। ফাণ্ড বঢ়ালে তেখেতে কোৱা সমস্যাটো সমাধান হ'ব। অধ্যক্ষ মহোদয়, তেখেতৰ বহুকেইটা প্ৰস্তাৱ আছিলে সেইখিনি এতিয়া প্ৰক্ৰিয়াৰ মাজত আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীনজৰুল ইছলাম।

**শ্ৰীনজৰুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুটা বছৰত মোৰ সমষ্টিত ভয়াবহ গৰাখহনীয়া হৈছে। বৰ্তমানলৈ তিনিখন ৰাজহ গাওঁ নিশেষ হৈ গৈছে। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই জানিব বিচাৰিছো এই গৰাখহনীয়া স্থায়ীভাৱে প্ৰতিৰোধ কৰাৰ বাবে কি কি আঁচনি লৈছে? যদি লোৱা নাই, এইবাৰ আঁচনি লোৱাৰ সম্ভাৱনা আছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীনজৰুল ইছমান ডাঙৰীয়াৰ বিষয়টো অতি জটিল। মৰিগাঁও জিলাখনত যোৱাবাৰ বানপানীত নজন ব্যক্তিৰ মৃত্যু হৈছিল আৰু তেখেতৰ লাহৰিঘাট সমষ্টিৰ বহুখিনি অঞ্চল গৰাখনীয়াত খহি গৈছিল। অধ্যক্ষ মহোদয় আজি মই তেখেতৰ অঞ্চলৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছো তাত তেখেতসকলে বহু সহযোগ কৰিছে, তেখেত সকলৰ সহযোগ নহ'লে আমি কামত আগবাঢ়িব নোৱাৰিলো হয়। লগতে তাৰ উপায়ুক্ত আৰু আমাৰ অভিযন্তাগৰাকীৰো বলিষ্ঠ পদক্ষেপ আছে। অধ্যক্ষ মহোদয় আপুনি আজি জানি সুখী হ'ব - এই বাৰ বিভাগে মে' মাহত চাৰে ছয় কিলোমিটাৰ মথাউৰি কাম আৰম্ভ কৰি আমি সম্পূৰ্ণ কৰিছো। এই কামত জিলা উপায়ুক্তই ডি.আৰ.ডি.এৰ পৰা সহায় কৰিছে আৰু বিভাগৰ তৰফৰ পৰা দুটা ফাণ্ড

দি কাম শেষ কৰিছো। অধ্যক্ষ মহোদয়, যোৱাবাৰ বানসাহাৰ্য্যত তেইশ কোটি টকা খৰছ হৈছিল ন জন মানুহৰ মৃত্যু হৈছিল, এইবাৰ তেইশ কোটি টকাত আমি ছয় কিলোমিটাৰ মথাউৰি নিৰ্মাণৰ কাম শেষ কৰিছো আৰু এইবাৰ বানসাহাৰ্য্যৰ নামত এক টকাও খৰছ কৰিব লগা হোৱা নাই। তাৰ মানে মৰিগাওঁ জিলাখনত বানপানীৰ ভয়াবহ সঙ্কা থকাৰ পিছতো এই উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা এটকাও বানসাহাৰ্য্যৰ নামত খৰছ কৰিব লগা হোৱা নাই। সেই মথাউৰিত কিছু খহনীয়া আহিছে, এতিয়া আমি ব্ৰহ্মপুত্ৰ ব'ৰ্ডক এই গোটেই কথাখিনি কৈছো আৰু বিষয়টো সম্পৰ্কত বৃহৎ আঁচনি তৈয়াৰ কৰা হৈছে। ব্ৰহ্মপুত্ৰ ব'ৰ্ড চেয়াৰম্যান পি.এ.ছিয়ে গৈ তাত পৰিদৰ্শন কৰিছে, ব্ৰহ্মপুত্ৰ ব'ৰ্ড অধ্যক্ষৰ লগত দুই-তিনিবাৰ বহি ভালধৰণে মই কথা পাতিছো। অধ্যক্ষ মহোদয়, যোৱা দুটা বছৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে দুবাৰ, মই আৰু বিষয়াসকল কিমানবাৰ গৈছে তাৰ হিচাব নাই। গতিকে আমি সেই অঞ্চলক অধিক গুৰুত্ব দিছো যদিও খহনীয়া বৰবিশেষ ৰোধ কৰিবলৈ সক্ষম হোৱা নাই। নতুন প্ৰযুক্তিবিদ্যাৰে তাত কাম আৰম্ভ কৰা হৈছে, অসমৰ এটা জনপ্ৰিয় চেনেলে এঘন্টা প্ৰসংশা কৰি আলোচনা সম্প্ৰচাৰ কৰিছে। অধ্যক্ষ মহোদয়, আগতে জলসম্পদ বিভাগটোক প্ৰসংশা কৰা হোৱা নাছিল কিন্তু এইবাৰ হৈছে যে এই প্ৰযুক্তিবিদ্যাৰে মৰিগাওঁক ৰক্ষা কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মই আজি বিশেষ ভাৱে মহিলা সদস্যা হিচাপে শ্ৰীমতী সুমন হৰিপ্ৰীয়াক ক'বলৈ দিছো তাৰ পিছত আমি পৰৱৰ্ত্তী প্ৰশ্নটোলৈ যাম - শ্ৰীমতী সুমন হৰিপ্ৰীয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰক ভেটাটো যথেষ্ট কঠিন তথাপিও আমাৰ চৰকাৰে চেষ্টা কৰি আছে আৰু হাজো সমষ্টি ইয়াৰ ব্যতিক্ৰম নহয়- হাজোটো যথেষ্ট কাম হৈছে। অধ্যক্ষ মহোদয়, গৰাখহনীয়াৰ কথাটো যিহেতু আহিছে সেই কাৰণে মই ক'ব বিচাৰিছো যে ব্ৰহ্মপুত্ৰত ইমান খহনীয়া হোৱাৰ কাৰণে হৈছে - আণ্ডাৰ কাৰেণ্ট। আণ্ডাৰ কাৰেণ্টৰ ফলত তলফালৰ পৰা খান্দি খান্দি আনে - লিকেজ কৰে যাৰ ফলত খহনীয়া হয়। যদি খৰালী কালতে আমাৰ জলম্পদ বিভাগৰ কাৰিকৰী কৰ্মচাৰীসকলে স্বৰজমিন তদন্ত কৰে তেতিয়া এই লিকেজ বিলাক ধৰা পৰিব আৰু কম খৰছতে সমস্যাটো সমাধান হ'ব। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে জলম্পদ বিভাগৰ কাৰিকৰী কৰ্মচাৰীসকলে স্বৰজমিন তদন্ত কৰি লিকেজ বিলাক বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া আৰু গৰাখহনীয়াৰ সমস্যা নহ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া, মাননীয় সদস্যা গৰাকীয়ে এইটো ভাল পৰামৰ্শ আগবঢ়াইছে, এই বিষয়ত আপুনি কি ক'ব?

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ভাল পৰামৰ্শ। অধ্যক্ষ মহোদয় লিকেজ বিলাক বেলেগ-বেলেগ। বৰাকভেলীত যিবোৰ লিকেজ হয় তাৰ কাৰণে মথাউৰিটোৰ কাষত ডাঙৰ নলা খাণ্ডি তাত শিল দিব লাগে- শিল দিয়াৰ পিছত তাৰ ওপৰত আকৌ মাটি দিব লাগে - যিটোত বহুত খৰছ হয়। এনে ধৰণে পাছগ্ৰাম আদি ঠাইত বিভাগে লিকেজ বন্ধ কৰিছে। আমাৰ ইয়াৰ মথাউৰিৰ লিকেজ বিলাক বেলেগ। পানী বেছি হ'লে এটা ফালে ওলাই যায় - সেইটো মাটিৰ গুনাগুণ হৈ হোৱা কথা। অধ্যক্ষ মহোদয়, আৰু এটা লিকেজ আমাৰ ইন্দুৰৰ গাত, শিয়ালৰ গাত আদিৰ বাবে হয়। গতিকে এতিয়া বিভাগে পৰ্য্যায়িক্ৰমে মথাউৰি বিলাকৰ গাতবোৰ মাৰি, মথাউৰিৰ শক্তিবৃদ্ধিৰ বাবে কাম কৰি আছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১২৪ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া প্ৰশ্নৰ উত্তৰ সদনৰ মেজত দিয়া হৈছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনোৱা

মতে 4.27 লাখ হেক্টৰ মাটি কালি গৰাখহনীয়াত জাহ গৈছে আৰু এই সম্পৰ্কতপ্ৰতি বছৰে গড়ে প্ৰায় 8000 (আঠ হাজাৰ) বৰ্গ কিঃ মিঃ মাটি নদীৰ বুকুত জাহ যায়। এইটো এটা সাংঘাটিক জটিল আৰু গুৰুত্বপূৰ্ণ কথা। দেখা গৈছে যে ইয়াৰ মূলতে পুঁজি। জলসম্পদ বিভাগে যিধৰণে পুঁজি পাব লাগিছিল, সেইমতে নোপোৱাৰ কাৰণে আজি হয়তো গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰ খন সফল হব পৰা নাই। বিশেষভাৱে মই এটা কথা সুধিছিলো যে ৰাজ্য চৰকাৰে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কিমান টকা Loan (লোন) লৈছিল? মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ইতিমধ্যে Asian Development Bank ৰ পৰা 261.55 Cr. টকা আৰু NABARD ৰ পৰা 131.22 Cr. টকা Loan (লোন) লৈছে। এই সামান্য টকাৰে আমাৰ সমগ্ৰ ৰাজ্যত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমুহৰ গৰাখহনীয়া ৰোধ কাৰাটো কেতিয়াও সম্ভৱ নহয়। এই ক্ষেত্ৰত কি ব্যৱস্থা ললে ভাল হয় আৰু আমাৰ Loan (লোন) ৰ প্ৰয়োজন হলে আন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা Loan (লোন) লব পৰা যায় নেকি এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লয় মই এটা উত্তৰ বিচাৰিছো।

দ্বিতীয়তে, মাননীয় অধ্যক্ষ মহোদয় মোৰ সমষ্টিৰ শদিলাপুৰ ব্ৰহ্মপুত্ৰৰ নতুন Bridge ৰ কাষতে অৱস্থিত। এই শদিলাপুৰতেই ভয়াবহ খহনীয়া অব্যাহত আছে। তাত যদি আৰু খহনীয়া হবলগীয়া হয়, তেনেহলে শদিলাপুৰৰ যিটো মূল ৰাস্তা আৰু গেমনৰ যিটো বৃহৎ পানী যোগান আঁচনি সেই আঁচনিটো ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যাব। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই গৰাখহনীয়াই আমাৰ ব্ৰহ্মপুত্ৰৰ নতুন Bridge খনৰ প্ৰতি ভাবুকি অনাৰ লগতে গেমনৰ যিটো বৃহৎ প্ৰকল্প তাৰ প্ৰতিও ভাবুকি অনিছে। যোৱা বছৰ মই 2 কোটি টকা RIDF ৰ পৰা ৰাস্তা পকীকৰণৰ ক্ষেত্ৰত পাইছিলো। এতিয়া সেই ৰাস্তাৰো আধা অংশ গড়াখহনীয়াৰ কবলত পৰিছে। গতিকে এই খনাজান নদীৰ পাৰত যিটো ৰাস্তা আছে তাৰ কিছু অংশত Guard Wall দিয়া হৈছে, প্ৰায় 800 (আঠ শ) মিটাৰ মান Guard Wall দিয়া হৈছে আৰু কিছু অংশ এতিয়াও সম্পূৰ্ণ হব বাকী আছে। যিটো অংশত Guard Wall দিবলৈ এতিয়াও বাকী আছে, সেই অংশটো ইতিমধ্যে গৰাখহনীয়াৰ কবলত পৰিছে আৰু ৰাষ্টাটোৰো আধা অংশ খনাজান নদীৰ বুকুত জাহ গৈছে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে - এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লৈছে বা লব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী জলসম্পদ বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে International, National and Local আঁচনিৰ বাবদ কিমান টকা পালো সেই সম্পৰ্কে সুধিছে, গতিকে ময়ো তেনেদৰেই উত্তৰটো দিবলৈ চেষ্টা কৰিছো। আমি ADB Bank ৰ পৰা Phase-I ৰ নামত 261.55 কোটি টকাৰ ঋণ সাহায্য পাইছো। সেই টকাৰে কিছু কাম কৰা হৈছিল, যত তেখেতৰ সমষ্টিকো সামৰি লোৱা হৈছিল আৰু কিছু কাম কৰা হৈছিল। Phase-II ত আমি আৰু কিছু বিত্তীয় সাহায্য লাভ কৰো আৰু সেই বিত্তীয় সাহায্যৰে ডিব্ৰুগড়ত দুখন আঁচনি, কাজিৰঙাতো দুখন আঁচনি, আৰু তেখেতৰ সেই অঞ্চলৰ পৰা একেবাৰে বকো (গুমি) অঞ্চল সামৰি এটা দীঘলীয়া ব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধ্যে ADB ৰ পৰা আমি কিছু আঁচনিৰ ক্ষেত্ৰত অনুমোদন লাভ কৰিছো আৰু কিছু আঁচনিৰ ক্ষেত্ৰত অনুমোদন লাভ কৰিবলৈ এতিয়াও বাকী আছে। তাৰ প্ৰক্ৰিয়াটো বেলেগ । এইক্ষেত্ৰত আমি কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰো, FREMA বুলি যিটো অনুষ্ঠান আছে তেওঁলোকে টেণ্ডাৰ কৰে আৰু ADB লৈ পঠাই দিয়ে, তেওঁলোকেই Decide কৰে। গতিকে সেইটো তেওঁলোকৰ হাতত কিন্তু execution আমাৰ হাতত। অন্যান্য শিতানৰ ভিতৰত আমাৰ

এফ এম পিৰ শিতানত আমি পাইছিলো ৬৩ কোটি ৬১লাখ ২৬ হাজাৰ টকা। এফ এম পিৰ আঁচনিৰ সংখ্যা ১২ খন আছিল। এন ই চিৰ শিতানটো পাইছিলো, আৰ আই ডি এফত পাইছিলো ২৮ খন আঁচনি। এইবোৰ বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনি আৰু আন্তৰাষ্ট্ৰীয় বেংকৰ পৰা লোৱা আঁচনি। এতিয়া ৱৰ্ল্ড বেঙ্কৰ লগত কথা পতা হৈছে আৰু ৱৰ্ল্ড বেঙ্কও ১৫ শ কোটি টকা দিয়াৰ বাবে সন্মতি প্ৰকাশ কৰিছে। কিন্তু এটা কথা, কাইলৈ মোক আপোনালোকে আকৌ সুধিব পাৰে যে আগৰ অধিৱেশনত কোৱা কথাখিনিকে আকৌ পিছৰ অধিৱেশনতো ক'লে নেকি! হয়তো কবলগা হব। কাৰণ ৱৰ্ল্ড বেঙ্ক, ADB এইবিলাকৰ লোণ লোৱা আমাৰ বাকী বিভাগ বিলাকেও জানে যে কথা-বতৰা হওঁতে হওঁতে ২,৩,৪ বছৰ এনেকৈ পাৰ হৈ হৈ মন্ত্ৰীৰ কাৰ্যকালেই পাৰ হৈ যায়গৈ। গতিকে পিছৰ মন্ত্ৰীয়ে আকৌ সেই কামটো কৰিবলৈ পায়। গতিকে তেওঁলোকৰ লগত আলোচনা কৰি আমি ক্ষিপ্ৰতাৰে আগবাঢ়িছো। আমি বুঢ়ি দিহিং, বেকী, ব্ৰহ্মপুত্ৰ আদি দিছো। এতিয়া ৱৰ্ল্ড বেঙ্কে কৈ আছে যে আমি Tributary নলও , মেইন ব্ৰহ্মপুত্ৰখন লাগে। তথাপি আমি ব্ৰহ্মপুত্ৰৰ লগতে উপনৈ সমূহো দিছো। গতিকে ৱৰ্ল্ড বেঙ্কৰ ক্ষেত্ৰত আমি প্ৰচেষ্টাত আছো আৰু ADB ৰ ক্ষেত্ৰত আৰু এটা লোনস্কীম চেনশ্যন কৰিছে আৰু অক্টোবৰ মাহৰ ৮,১০ তাৰিখে লোন এগ্ৰিমেন্টটো হ'ব। লোন এগ্ৰিমেন্টটো হবলৈ আমি বাট চাই থকা নাই। ইতিমধ্যে আমাৰ টেণ্ডাৰ কৰাই দিয়া হৈছে, কাম এল'টমেন্ট কৰি দিয়া হৈছে যাতে এইটো চিজনত আমি কাম আৰম্ভ কৰিব পাৰো। এতিয়া খনামুখলৈ আহো। খনামুখত তেখেতৰ লগত মই গৈছো। অকল খনামুখতেই নহয় , আমি যদি শদিলাপুৰ ব্ৰহ্মপুত্ৰ দলঙৰ ওচৰৰ পৰা গাড়ীগাৱঁ লৈকে গৈ থাকো, দেখিবলৈ পাম যে, ইউনিভাৰ্ছিটিৰ বাবে ভাবুকি আছে, এয়াৰপোৰ্টৰ বাবে ভাবুকি আছে আৰু অন্যান্য অঞ্চলৰ কাৰণে ভাবুকি আছে। কোনোবাই যদি ক্ষিপ্ৰতাৰে আগবাঢ়ে বহুতখিনি কাম হ'ব। খনামুখৰ আটাইখিনি পৰিস্থিতি ছোৱাৰ পিছত আমি কেইবাটাও আঁচনি লৈছো। আঁচনি কেইটা তাৎক্ষনিক চেনশ্যন হৈছে। খনামূখ নৈখন গাৱঁৰ মাজেদি গৈছে আৰু ৰাস্তাৰ কিছু অংশত Guard Wall দিয়া হৈছে। যিখিনি জাগাত Guard Wall দিয়া হৈছে তাৰে কিছু অংশ ভাঙিছিল আৰু সেইখিনি মেৰামতি কৰাৰ ব্যৱস্থা কৰা হ'ল। এতিয়া নদীখনৰ শ্লুইচ গেটটো য'ত আছে তালৈ আৰু ১২ শ মিটাৰমান আছে । সেইখিনিৰ কাৰণে ৯ কোটিৰ আঁচনি এটা ইতিমধ্যে লৈছো। প্ৰক্ৰিয়াৰ মাজত আছে। মাননীয় অধ্যক্ষ মহোদয়, এইটো যদি চেনশ্যন হয় তেতিয়া Guard Wall খন সম্পূৰ্ণ হ'ব, গাৱঁখনো ভাল হ'ব আৰু সুন্দৰ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো মেৰামতি কৰাৰ পিছত আকৌ গৰাখহনীয়াৰ কবলত পৰিছে। গতিকে সেইটোৰ যদি প্ৰটেকশ্যনৰ ব্যৱস্থা নলয়, তেতিয়াহ'লে ভয়াবহ ৰূপ লব।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ বিভাগ ঃ** ঠিক আছে, ইঞ্জিনিয়াৰ আৰু আপুনি একেলগে গৈ ঠিক কৰি লব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া শুকুৰ আলী ।

**শ্ৰীশুকুৰ আলী,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন নং-১২৩ ওয়াজেদ আলি চৌধুৰী ডাঙৰীয়াই প্ৰশ্ন কৰিছিল তেখেতে যে-অসমৰ কোন কোন ঠাইত বৰ্তমানে গৰাখহনীয়া চলি আছে আৰু গোটেই অসমৰ এখন তালিকা দিছে। তাত আমাৰ বৰপেটাজিলা,নলবাৰী জিলাতযেনে বহৰি,চেনিমাৰী,ৰৌমাৰী,বালাটটাৰী,পাথালিপাৰা, মানিকপুৰ, বৰডোঙা আদি গাঁওকেইখনত গৰাখহনীয়া বৰ্তমানে চলি আছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, বিভাগৰ ফালৰ পৰা মাননীয়

মন্ত্ৰী মহোদয়ে গৰাখহনীয়া ৰোধ কৰাৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে?
তেওঁৰ লগত মই ব্যক্তিগত ভাৱে কথা পাতিছো। আজি সদনৰ মজিয়াত তেখেতৰ পৰা মই এটা মতামত বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়াখহনীয়া ৰোধৰ কথাটো আমি ভালকৈ কৈ আহিছো যে গড়াখহনীয়া ৰোধৰ কাৰণে আমাৰ সুকীয়া পুঁজি নাই। ধৰাহ'ল তাত্ দি embankment আছে , protection of embankment বুলি আমি এচ ডি আৰ এফৰ এটা স্কীম দিওঁ। embankment টো protection ৰ কাৰণে গড়াখহনীয়াৰ নামটো সলায়। আপুনি যিকেইটা কথা কৈছে তাৰ কেইবাটাওঁ আচঁনি মই জনাত ইতিমধ্যে উপায়ুক্তৰ তাত হৈ আহিছে। গতিকে মই আপোনাৰ লগতো আলোচনা কৰিম কোনকেইটা বেছি গুৰুত্বপূৰ্ণ সেইকেইটা অগ্ৰাধিকাৰ ভিত্তিত আগবাঢ়িবলৈ চেষ্টা কৰিম।

**(Point of order)**

**ডাঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১২২ নম্বৰ প্ৰশ্নত মাননীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এটা গুৰুতৰ অভিযোগ আনিছিলে যে গুণোৎসৱৰ পিছত একো কাম হোৱা নাই। সেই সময়ত আমাৰ বিত্তমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী তেখেতে পাৰটিকুলাৰলি ১২৬ টা সমষ্টিত ৫০ লাখ টকাকৈ আনটাইড ফাণ্ডত গুণোৎসৱৰ পিছত যিবিলাক স্কুলত ত্ৰুটি আছে সেইবিলাক ঠিক কৰিবলৈ ৫০ লাখ টকাকৈ ১২৬ টা সমষ্টিত দিছিল। গতিকে অধ্যক্ষ মহোদয়, তেখেতে একো হোৱা নাই বুলি কোৱাটো এইটো ভুল তথ্য।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** ২০১৭-১৮ চনৰ ৫০ লাখৰ ৩০ লাখ পালো আৰু আজি এবছৰ ৪ মাহ হ'ল ২০ লাখ পোৱাই নাই।

**Hon'ble Speaker :** Next point of order Shri Pradip Hazrika.

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৬৭ নম্বৰ প্ৰশ্নৰ উত্তৰত শিক্ষা বিভাগৰ পৰা উত্তৰ দিছিল। কিন্তু আমি দেখিছো যে প্ৰশ্নটোৰ লগত উত্তৰটোৰ মিল নাই। ইয়াত মই ৰেচিঅ' টো কি আছিলে সুধিছিলো। কি অনুপাতে শিক্ষক বাচনি কৰিবলৈ কোৱা হৈছিল? নিযুক্তিৰ বাবে তালিকা প্ৰস্তুত কৰা হৈছিল নেকি? নিযুক্তি পোৱা শিক্ষক সকলক প্ৰশিক্ষণ দিয়া হৈছিল নেকি? যদি হৈছিল এই শিক্ষক সকলে এতিয়া নিয়মীয়াকৈ কাম কৰি আছেনে? তেতিয়া অনুপাতটো ইয়াত দিয়া হোৱা নাছিল আৰু প্ৰশিক্ষণ দিবলৈ পঠোৱা কথাটো কৈছে যে নিয়মীয়াকৈ প্ৰশিক্ষণ দিবলৈ পঠোৱা হৈছে। ইফালে কৈছে যে নিযুক্তি পোৱা শিক্ষকৰ সংখ্যা নিৰ্ধাৰিত সংখ্যাতকৈ অধিক হোৱাত চৰকাৰে গঠন কৰি দিয়া তদন্ত কমিটিৰ প্ৰতিবেদন ভিত্তিত অতিৰিক্ত বুলি চিহ্নিত হৈছে আৰু সেই কাৰণে দৰমহা বন্ধ কৰি থৈছে। এতিয়া কথাটো হ'ল যে সকলো নিয়মেই পালন কৰিছে। চৰকাৰৰ সকলো বিলাক নিয়ম পালন কৰি পেলাই নিযুক্তি হ'ল, প্ৰশিক্ষণ দিবলৈও পঠিয়ালে। এতিয়া যিটো বেছি হৈছে তেওঁলোকে কিন্তু তেতিয়া অনুপাতটোৰ কথা কোৱা নাছিল বুলি কৈছে। সেইকাৰণে দৰমহাটো এতিয়া বন্ধ আছে ......

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিধৰণে উত্তৰটো বিচাৰিছে সেইধৰণে পোৱা নাই। মই এইটো চাম আৰু শিক্ষামন্ত্ৰীৰ লগত আলোচনা কৰি এইটো আপোনাক জনোৱা হ'ব। এতিয়া শ্ৰী আনোৱাৰ হুছেইন লস্কৰ।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ ঃ** আমাৰ আৰবান ডেভেলপমেণ্ট বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাওঁ গোটেই অসমত আৰবান ডেভেলপমেণ্টৰ পি এম জি ৱাইৰ যিমানখিনি ঘৰ আছিলে, প্ৰথম

ইন্‌ষ্টলমেণ্ট দিয়া হৈছিলে ৩ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগে...........

**মাননীয় অধ্যক্ষ ঃ** এইটো পইণ্ট অব অৰদাৰ। আপুনি মন্ত্ৰীক সুধিব। এতিয়া শ্ৰী নুৰুল হুডা।

**শ্ৰী নুৰুল হুডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ১৩২ নম্বৰত এটা তৰাচিহ্নিত প্ৰশ্ন আছিলে যে নতুনকৈ বিজ্ঞান শাখা মুকলি কৰাৰ ক্ষেত্ৰত কোনো আদৰ্শ বিধি প্ৰস্তুত কৰা হৈছিল নেকি? উত্তৰত দিছে যে কোনো নিদিষ্ট আদৰ্শ বিধি নাছিল। কোনো আদৰ্শ বিধি নকৰাকৈ কেনেকৈ এখন আদৰ্শ বিজ্ঞান মহাবিদ্যালয় হ'ব ছাৰ? ইয়াত দেখা গৈছে যে চহৰ অঞ্চলত গুৰুত্ব দিয়া হৈছে, গ্ৰাম্যাঞ্চলত গুৰুত্ব দিয়া হোৱা নাই। নগাওঁ চহৰত দুখনকৈ বিজ্ঞানশাখাৰ মহাবিদ্যালয় থকাৰ উপৰিও আকৌ দুখন .....................

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটোৰ উত্তৰত সম্পূৰ্ণ সন্তুষ্ট নহয়। মই প্ৰশ্নটো লিখি লৈছো। উত্তৰটো আপোনাক জনাম।

**শ্ৰী নুৰুল হুডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ জিলাৰ উত্তৰ অঞ্চলত কলিয়াবৰ আৰু ধিং। মাজতে দুইফালে ৩০ কিলোমিটাৰ - ৩০ কিলোমিটাৰ এলেকাৰ ভিতৰত ৰূপহী মহাবিদ্যালয় য'ত কলা শাখাত ১৭ শ ছাত্ৰ-ছাত্ৰী আছে ..............................

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এইটো এটা বেলেগ বিষয়।

**শ্ৰী নুৰুল হুডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক এটা অনুৰোধ জনাব বিচাৰিছো যে ছাত্ৰ-ছাত্ৰী সকলে বিজ্ঞান পঢ়িবলৈ কতো স্থান নাপায়। বিজ্ঞান শাখা, ক্লাচৰুম থকাৰ পিছতো সুবিধা নাপায়........

**মাননীয় অধ্যক্ষ ঃ** সেই স্কীমটো আপোনাক লাগে। ঠিক আছে। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা specific প্ৰশ্ন আছিল ৩০১ unsatrred. মৰিয়নী সমষ্টিৰ মাজেদি নাগালেণ্ডৰ পৰা বৈ অহা ভোগদৈ, টিয়ক. জাজী,পুঠি নদীয়ে গড়াখহনীয়া কৰিছে নেকি? চৰকাৰ অৱগত নে? যদি অবগত কিবা ব্যৱস্থা লৈছে নেকি? কিন্তু অতি দুখ লগা বিষয় যে মৰিয়নী সমষ্টিৰ কাম নাই কৰা কিন্তু যোৰহাট আৰু টিয়ক সমষ্টিৰ কাম কৰাৰ তালিকাখন মোক দিয়াৰ কথাটোহে বুজি নাপালো। এইটো দৰকাৰ নাই কাৰণে মই আপোনাক ঘুৰাই দিব বিচাৰিছো।

**Hon'ble Speaker :** এইটো ঘুৰাই দিব নালাগে। This is not the way. Please go to your seat. I will look into it. Next Shri Sherman Ali.

**শ্ৰী শ্বেৰমান আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ পইণ্ট অব অৰদাৰটো ৰিলেটিং ষ্টাৰ্ড প্ৰশ্ন নং ১২৩ আৰু ১২৪। স্বধীনতাৰ পিছৰ পৰা আজিলৈকে ৪.২৭লাখ হেক্টৰ মাটি এতিয়ালৈকে নদীৰ বুকুত জাঁহ গৈছে আৰু ২৫৩৪ খন গাওঁ নদীৰ বুকুত জাঁহ গৈছে। এই গাওঁ আৰু মাটি নদীৰ বুকুত জাঁহ যোৱাৰ লগে লগে বিভিন্ন ৰাস্তাঘাট, আৰ চি চি দলং জাঁহ গৈছে...........

**Hon'ble Speaker :** ১২৩ আৰু ১২৪ আপোনাৰ প্ৰশ্ন নহয়। আপোনাৰ অসুবিধা আছিলে গতিকে চাপলিমেণ্টৰী এটা পালে ভাল আছিল কিন্তু আমি দিব নোৱাৰিলো। এতিয়া শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিলে ২৯২। মই প্ৰশ্নটো সুধিছিলো যে ৰবীন্দ্ৰ জয়ন্তী, নজৰুল জয়ন্তী আৰু স্বামী বিবেকানন্দৰ জন্মদিনৰ কিবা একাডেমিক কেলেণ্ডাৰ আছেনে নাই? নাই যদি ঠিকেই আছে অধ্যক্ষ মহোদয়। যোৱা বাজেট চেচনত আপুনি ৰুলিং দিছিলে যে যিহেতু ৰবীন্দ্ৰ জয়ন্তী পাৰলিয়ামেণ্টত পালন কৰা হয় আমাৰো একাডেমিক কেলেণ্ডাৰত থাকিব লাগে ......

**Hon'ble Speaker :** মই ৰুলিং দিছো নে নাই চাই লম। আপুনি সেইটো মোক এতিয়া ৰেফাৰ নকৰিব। এতিয়া আপোনাৰ পইণ্ট অব অৰদাৰটো কি সেইটো কওঁক। এতিয়া মোৰ হাতত তথ্য নাই। মই চাই লম। আপোনাৰ প্ৰশ্নৰ বিসংগতিটো কি পাইছে? সেইটো কওঁক।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোন কোন মনিষীৰ জন্মজয়ন্তী পালন কৰা হয়? ইয়াত দিলে যে মহাত্মা গান্ধীৰ জন্ম জয়ন্তী পালন কৰা হয়। জাতিৰ জনক মহাত্মা গান্ধী। প্ৰশ্নটোৰ লগত উত্তৰৰ কোনো মিল নাই।

**Hon'ble Speaker :** মই এইটো চাম। আপোনাৰ প্ৰশ্ন ২৯২ টো উত্তৰ দিম। এতিয়া ৰনোজ পেগু।

**ৰনোজ পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন নং ১২৭ ত মই জানিব বিচাৰিছিলো যে স্কুল সমূহৰ এমালগেমেশ্যনৰ গাইড লাইনটো কি? গাইড লাইনটো মোক দিয়া হোৱা নাই তাৰ সলনি এটা অফিচ মেম'ৰেণ্ডাম নাম্বাৰ দিছে যে এই নম্বৰ মতে এমালগেমেশ্যন কৰা হয়। এমালগেমেশ্যন কৰাৰ গাইড লাইনটো আমাক দিব লাগে। দ্বিতীয়তে, ১২৩ প্ৰশ্নত এটা তথ্য দিছে যিটো তথ্যত মই আপত্তি জনাব বিচাৰিছো। ইয়াত গড়াখহনীয়াৰ যিটো দিছে ....

**Hon'ble Speaker :** এইটো আপোনাৰ প্ৰশ্ন নহয়। মই তেখেতকো এলাও কৰা নাই। আপত্তিটো পিছত দেখুৱাব। এইটো পইণ্ট অব অৰদাৰত নহয়। .......................
আপোনাৰ প্ৰশ্নটো আছিল ১২৭। এতিয়া সত্যব্ৰত কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী সত্যব্ৰত কলিতা, বিধায়ক (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো Point of order নহয়। কিন্তু মই ক'বলৈ বিচাৰিছো যিহেতু বিষয়টো একেধৰণৰ।

**মাননীয় অধ্যক্ষ ঃ** Point of order নহ'লে মই অনুমতি দিব নোৱাৰো। এতিয়া আব্দুল খালেক ডাঙৰীয়াই কওঁক।

(শ্ৰী আব্দুল খালেক ডাঙৰীয়াৰ প্ৰশ্নটো Point of order ৰ যোগ্য নোহোৱা কাৰণে মাননীয় অধ্যক্ষ মহোদয়ে তেওঁৰ বক্তব্যখিনি কাৰ্য্যবিৱৰণীত অন্তৰ্ভুক্ত কৰিব নিদিলে)।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Water Resources ৰ যি দুটা প্ৰশ্নৰ আলোচনা হ'ল ইয়াত কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি তথ্য দিছে, তাত মাত্ৰ Digit টো লিখি দিছে। কিন্তু সেইটো লাখ নে, হাজাৰ নে, কোটি সেই কথাটো স্পষ্ট কৰি দিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ঠিকেই কৈছে। কথাটো স্পষ্ট কৰি দিলে ভাল হ'ব। এতিয়া **শূন্য কালীন ঘণ্টা।** শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে প্ৰথমতে যিটো বাতৰি আনিছে সেইটোৰ ওপৰত বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীমতী অজন্তা নেওঁগ, মাননীয়া বিধায়িকা (গোলাঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দৈনিক জনম ভূমি বাতৰি কাকতত “গোলাঘাটত চিণ্ডিকেট ৰাজৰ বিৰুদ্ধে বিশাল গণ প্ৰতিবাদ” বিষয়টো শূন্যকালীন ঘণ্টাত উত্থাপন কৰিব দিয়া বাবে মই আপোনাক ধন্যবাদ জনাইছো। মোৰ সমষ্টিৰ গোলাঘাট চহৰক আজি কিছু দিনৰ পৰা উত্তাল কৰি ৰখা বিষয়টো হৈছে যে গোলাঘাট জিলা বিজেপি যুৱ মৰ্চ্চাৰ সভাপতিৰ নেতৃত্বত আলু, পিঁয়াজৰ চিণ্ডিকেট। মই এই সদনলৈ বৰ্তমানলৈ ৪বাৰকৈ নিৰ্বাচিত হৈছো। কিন্তু চিণ্ডিকেটৰ বিষয়ে মই ভালকৈ জনা নাচিলো। কিন্তু আজি মই ছিণ্ডিকেটৰ বিষয়ে ইয়াত উত্থাপন কৰিবলৈ নিজে লাজ পাইছো। গোলাঘাটৰ বাবে ছিণ্ডিকেটৰ বিষয়টো এটা নোহোৱা-নোপোজা বিষয়। এই বিষয়টো পোহৰলৈ আহিল যেতিয়া গোলাঘাটৰ

আলু, পিঁয়াজৰ পাইকাৰী ব্যৱসায়ীসকলে এটা গোচৰ পঞ্জীয়ন কৰিলে। তেওঁলোকে এজাহাৰত অভিযোগ কৰে যে বিজেপি নেতাই ভয় খুৱাই অহৰহ ধন দাবী কৰি আহিছে আৰু তেওঁলোকক গোলাঘাট আৰৱৰ্ত্ত ভৱনলৈ মাতি নিছিল। সেই নেতা গৰাকী আৰু তেওঁৰ সহকৰ্মী সকলে পাইকাৰী ব্যৱসায়ী সকলক প্ৰতি কেজি আলুত ২৫ পইচা হাৰত প্ৰতিখন গাড়ীত কমেও ৫ হাজাৰকৈ টকা আদায় দিবলৈ ভাবুকি দিয়ে, ইয়াৰ অন্যথা বাৰসায়ীসকলক ব্যৱসায় কৰিব নিদিব বুলি ভাবুকি প্ৰদান কৰে। কিন্তু সেই মতে আলু, পিঁয়াজৰ পাইকাৰী ব্যৱসায়ীসকলে ধন আদায় দিয়াৰ বাবে অস্বীকাৰ কৰাত ছিণ্ডিকেট ৰাজৰ কিছুমান লোকে আলু, পিঁয়াজৰ গুদামত প্ৰৱেশ কৰি তেওঁলোকে বান্ধি দিয়া কমিছন নিদিলে, বিনিময়ত আলু, পিঁয়াজৰ গাড়ী আনলোড কৰিব দিয়া নহ'ব বুলি সকীয়াই দিয়ে। লগে লগে পাইকাৰী ব্যৱসায়ীসকলে ইয়াৰ প্ৰতিবাদ কৰি তেওঁলোকৰ ব্যৱসায়-প্ৰতিষ্ঠান বন্ধ ৰাখি গোলাঘাট আৰক্ষী থানাত গোচৰ পঞ্জীয়ন কৰে আৰু বিভিন্ন সময়ত বিভিন্ন দল-সংগঠনক অভিযোগ দাখিল কৰে আৰু তাৰ পিছত আলু, পিঁয়াজৰ পাইকাৰী ব্যৱসায়ীসকলে ছিণ্ডিকেটৰাজৰ লগত জড়িত ব্যক্তিসকলক গ্ৰেপ্তাৰ নকৰা পৰ্য্যন্ত তেওঁলোকৰ ব্যৱসায় প্ৰতিষ্ঠান বন্ধ ৰখাৰ ঘোষণা কৰে। এই ঘটনাৰ পিছত আমাৰ গোটেই গোলাঘাট চহৰত এক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বিভিন্ন দল-সংগঠনে ইয়াত প্ৰতিবাদ সাব্যস্ত কৰিছিল। মই এগৰাকী ৰাজনৈতিক দলৰ নেতা হিচাপে কোৱা নাই। এইটোত সকলো ৰাজনৈতিক দল তথা সংগঠনে ইয়াৰ বিৰুদ্ধে একেলগে প্ৰতিবাদ সাব্যস্ত কৰিছে। এইটো এটা ডাঙৰ অপৰাধ হৈছে আৰু এই ছিণ্ডিকেটৰাজৰ বিৰুদ্ধে গোচৰ তৰা হৈছিল আৰু সকলো ৰাজনৈতিক দল তথা সংগঠনে একত্ৰিত হৈছে আৰু দোষীক শাস্তি দিয়টো বিচাৰিছে। এই প্ৰতিবাদত মোৰ সতীৰ্থ বিধায়ক শইকীয়াইও সমৰ্থন কৰিছিল আৰু কৈছিল যে এই ছিণ্ডিকেটৰাজ বন্ধ হ'ব লাগে আৰু দোষীয়ে শাস্তি পাব লাগে। ইয়াত সকলোতকৈ ডাঙৰ কথাটো হৈছে যে এই ছিণ্ডিকেট ৰাজৰ আৰম্ভণি ক'ত হৈছে? ইয়াৰ আৰম্ভণি হৈছে গোলাঘাট জিলাৰ আৰৱৰ্ত্ত ভৱনত। মই মোৰ প্ৰতিনিধিত্ব কালত এই আৰৱৰ্ত্তভৱনটো অতি সুন্দৰকৈ নিৰ্মাণ কৰিছিলো যাতে ইয়াত অতিথি তথা প্ৰতিনিধি সকল আহিব পাৰে আৰু এটা সুন্দৰ পৰিৱেশৰ সৃষ্টি হয়.। সেইসময়ত লোকসকলে আৰৱৰ্ত্ত ভৱনত আহি এটা ভাল পৰিৱেশ পাইছিল। কিন্তু আজি এই আৰৱৰ্ত্তভৱনত ছিণ্ডিকেটৰাজ হৈছে। ইয়াৰ উপৰিও গোলাঘাটত আমাৰ গড়কাপ্তানী বিভাগৰ এটা অতিথিশালা আছে। তাতো ছিণ্ডিকেট ৰাজ আছিল। আজি গোলাঘাটৰ মানুহে ইয়াত কৈছে যে এই ছিণ্ডিকেটৰাজৰ যিসকল মানুহ আছে, তাত প্ৰত্যক্ষভাৱে প্ৰশাসনৰ লোক, আৰক্ষীৰ লোক জড়িত হৈ আছে। কিন্তু এতিয়ালৈকে তেওঁলোকৰ বিৰুদ্ধে কোনো ধৰণৰ Action লোৱা আমি দেখা নাপালো। চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল যে ছিণ্ডিকেটৰাজ সম্পূৰ্ণভাৱে ৰাজ্যখনৰ পৰা উৎখাত কৰা হ'ব। গোলাঘাটত যে কেৱল আলু, পিঁয়াজৰ ছিণ্ডিকেট হৈছে বুলি মই নকওঁ। ইয়াত প্ৰায় সকলো বস্তুৰে ছিণ্ডিকেট হৈছে। শাক-পাচলি, ব্ৰয়লাৰ মুৰ্গী, কেঁচা মাংস, তেলকে ধৰি মুচি-নাপিত সকলো বস্তুতে ছিণ্ডিকেট হৈছে। গোলাঘাট এতিয়া ছিণ্ডিকেটৰাজৰ ভূ-স্বৰ্গ হৈ পৰিছে। আজি কেৱল গোলাঘাটেই নহয়, সকলো জিলাতে ছিণ্ডিকেট- ৰাজ চলি আছে। চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল যে ছিণ্ডিকেটৰাজ সম্পূৰ্ণভাৱে ৰাজ্যখনৰ পৰা উৎখাত কৰা হ'ব। কিন্তু ছিণ্ডিকেটৰাজ উৎখাত কৰাতো দূৰৰে কথা, ইয়াত শাসকীয় দলৰ কিছুমান লোক জড়িত হৈ আছে। ইয়াতকৈ আৰু কিবা দুৰ্ভাগ্যজনক কথা থাকিব পাৰে নেকি? ইয়াৰ বাবে মই চৰকাৰৰ ফালৰ পৰা এই ক্ষেত্ৰত কঠোৰ এটা Action বিচাৰিম। কিন্তু এই ক্ষেত্ৰত চৰকাৰে কোনোধৰণৰ মাত মতা নাই, কোনো তদন্ত কৰা নাই। সেয়েহে দোষীক কোনো শাস্তিও দিব পৰা নাই। আমাৰ আৰক্ষী বা জিলা প্ৰশাসনৰ ওপৰত ভৰসা নাই। গতিকে মই বিচাৰিছো এটা

উচ্চস্তৰীয় তদন্ত হ'ব লাগে আৰু দোষীয়ে শাস্তি পাব লাগে। তেতিয়াহে আচলতে চৰকাৰৰ সদিচ্ছা প্ৰকাশ পাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰীয়ে ক'ব।

**শ্ৰী ফণী ভূষণ চৌধুৰী, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৬-০৯-২০১৮ তাৰিখৰ **"দৈনিক জনমভূমি" বাতৰি কাকতত প্ৰকাশিত "গোলাঘাটত ছিণ্ডিকেটৰাজৰ বিৰুদ্ধে বিশাল গণ প্ৰতিবাদ।"** শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই বিষয়টো পবিত্ৰ সদনত উত্থাপন কৰি আমাৰ চৰকাৰৰ স্থিতি স্পষ্ট কৰিবৰ সুবিধ দিয়াৰ বাবে মাননীয় সদস্য গৰাকীক মই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় সদস্য গৰাকীয়ে কৈছে যে ছিণ্ডিকেটৰাজ হৈছে। কিন্তু ঠিক ছিণ্ডিকেটৰাজ হোৱা বুলি ক'লে ভুল হ'ব, ছিণ্ডিকেটৰাজ চলোৱাৰ এটা প্ৰচেষ্টা চলাইছিল আৰু এই কথাটো আমি সকলোৱে মানি ল'ব লাগিব। আমাৰ বৰ্তমান মাননীয় মুখ্য মন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত চলোৱা চৰকাৰখনে ছিণ্ডিকেটৰাজৰ বিৰুদ্ধে, ছিণ্ডিকেটৰাজ যে উৎখাত কৰি আছে এই কথাটো পুনৰবাৰ এই গোলাঘাট চহৰত এই আলু, পিঁয়াজৰ ছিণ্ডিকেট চলোৱাৰ যি প্ৰস্তুতি চলাইছিল সেইটো উৎখাত কৰি এই কথাটো প্ৰমাণ কৰিলে। গোলাঘাট চহৰত যে ছিণ্ডিকেটৰাজ হোৱা নাই মই তাৰ আলু, পিয়াজৰ ঘটনাৰ যি প্ৰেক্ষাপট, এই প্ৰেক্ষাপট সম্পৰ্কত মই আপোনালোকক জনাব বিচাৰিছো যে, যোৱা ৯ ছেপ্টেম্বৰ তাৰিখে কেইজন মান যুৱকে, যি কেইজনক মাননীয় সদস্যা গৰাকীয়ে ভাৰতীয় জনতা পাৰ্টি যুৱ মৰ্চাৰ বুলি কৈছে। আচলতে, এনে ধৰণৰ কামৰ লগত জড়িত থকা সকল যে যুৱ মৰ্চা, কংগ্ৰেছ, অ.গ.প.ৰ হ'ব, এনে নহয়। এই ঘটনাবোৰৰ লগত যি সকল জড়িত থাকে তেওঁলোকক আমি দুষ্কৃতিকাৰী বুলি কোৱাহে উচিত। এই যুৱক কেইজনৰ কাৰ্যক অ.গ.প., বি.পি.এফ, বিজেপিয়ে কোনো ধৰণে উৎসাহিত নকৰে। তাৰ প্ৰমাণ স্বৰূপে আমি বাতৰি কাকতত পঢ়িবলৈ পাইছিলো যে তেওঁলোকক দলৰ পৰা নিলম্বিত কৰা হৈছে। এতিয়া কথাটো হ'ল যে, ৯ তাৰিখে এই যুৱক কেইজনে আৰ্বত ভৱনত আলু-পিয়াজৰ ব্যৱসায়ী কেইজনক মাতি নি ভৱনৰ ভোজনালয়ত আলোচনা কৰি তেওঁলোকে প্ৰতি কিলো আলু-পিয়াজৰ পৰা ২৫ পইচাকৈ দাবী কৰিছিল। কিন্তু সেই দাবীটো ব্যৱসায়ী সকলে অস্বীকাৰ কৰে। দ্বিতীয়তে, ১৮ ছেপ্টেম্বৰ তাৰিখে এই যুৱক কেইজনে ব্যৱসায়ী সকলৰ ঘৰত গৈ ভাবুকি প্ৰদান কৰে। একে ধৰণে, ১৯ ছেপ্টেম্বৰ তাৰিখে ৰাতিপুৱা ৪-৩০ টা বজাত গৈ ব্যৱসায়ী সকলে যাতে আলু-পিয়াজ unload কৰিব নোৱাৰে তাৰ হুংকাৰ দিয়ে আৰু লগে লগে তাত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হোৱাত আৰক্ষী প্ৰশাসন আৰু জিলা প্ৰশাসন আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে কিন্তু যুৱক কেইজন তাৰ পৰা পলাই যায়। তাৰ পিছত সেইদিনাখনেই ৰাতিপুৱা ৯ বজাত গোলাঘাট থানাত ব্যৱসায়ী সকলে যুৱক কেইজনৰ ওপৰত ৭০৮/১৮ নং ত কেচ ৰুজু কৰে আৰু ভাৰতীয় দণ্ড বিধি আইনৰ ১২০ (খ) ৩৮৬ আৰু ৩৮৭ ধাৰাত এটা গোচৰ ৰুজু হয়। গোচৰ ৰুজু কৰাৰ পিছত আৰক্ষী প্ৰশাসনে আচামী কেইজনক বিচাৰে কিন্তু তেওঁলোক পলাতক অৱস্থাত থাকে। যোৱা ২৯ ছেপ্টেম্বৰ তাৰিখে এই গোচৰৰ অভিযোগী শ্ৰী মিন্টু বৰাক কাৰ্বি আংলং জিলাৰ শিলনিজানত আত্মগোপন কৰি থকা অৱস্থাত গোলাঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। গতিকে, মাননীয় সদস্যা গৰাকীয়ে যিটো কৈছে যে, চৰকাৰ আৰু আৰক্ষী প্ৰশাসনে একো ব্যৱস্থা গ্ৰহণ কৰা নাই, এই কথাটো আচলতে সত্য নহয়। কাৰণ ইতিমধ্যে সেই গ্ৰুপৰ মিন্টু বৰা নামৰ যুৱক জনক গ্ৰেপ্তাৰ কৰিছে আৰু তেওঁ এতিয়া জেল হাজোতত আছে। এতিয়া কথাটো হ'ল যে, চৰকাৰখনে যদি ছিণ্ডিকেটৰাজক প্ৰশ্ৰয় দিলেহেঁতেন তেন্তে আৰক্ষী প্ৰশাসন বা জিলা প্ৰশাসনে গোচৰ ৰুজু কৰি আচামীক দৃষ্টান্তমূলক

শাস্তি প্ৰদান নকৰিলেহেঁতেন। গতিকে, ইয়াৰ পৰা এটা কথাই স্পষ্ট যে চৰকা ৰখন ছিণ্ডিকেটৰাজৰ বিৰুদ্ধে আৰু ছিণ্ডিকেট ৰাজ উৎখাত কৰাৰ বাবে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে যে সকলো ধৰণৰ প্ৰচেষ্টা চলাই আছে গোলাঘাটৰ ঘটনাটোৰ ক্ষেত্ৰত লোৱা ব্যৱস্থা সমূহেই তাৰ চাক্ষুস প্ৰমাণ। আমি বাতৰি কাকত আদিৰ পৰা গম পাওঁ যে যেতিয়াই কৰবাত ছিণ্ডিকেট ৰাজ হোৱাৰ অভিযোগ উত্থাপন হয়, মই জনাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেতিয়াই তদন্তৰ নিৰ্দেশ দিয়ে। এনে ধৰণৰ বহু অভিযোগ বৰ্তমানো তদন্তৰ প্ৰক্ৰিয়াত আছে। গতিকে মই এই কথাটোকে ক'ব খিচাৰিছো যে, এই বিষয়বোৰত চৰকাৰে কোনো ধৰণেৰে উৎসাহিত নকৰে আৰু তাৰ বিপৰীতে ছিণ্ডিকেট ৰাজক কঠোৰ হাতেৰে দমন কৰাৰ বাবে চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত জিলা প্ৰশাসনে লোৱা কেইটামান ব্যৱস্থাৰ কথা আপোনালোকক অৱগত কৰিব লাগিব। ইং ২০ ছেপ্টেম্বৰত ২০১৮ ত গোলাঘাট জিলাৰ উপায়ুক্তই আলু আৰু পিয়াজৰ পাইকাৰী ব্যৱসায়ীৰ লগতে সকলো ব্যৱসায়ীকে আলোচনালৈ মাতি দৃঢ়তাৰে আশ্বস্ত কৰিছে যে সকলো ব্যৱসায়ীয়ে নিৰ্ভয়ে ব্যৱসায় কৰাৰ পৰিৱেশ লাভ কৰিব। একেটা দিনতে জিলাখনৰ সকলো ছাত্ৰ-সংগঠন, সাংবাদিক মহলৰ লগতো উপায়ুক্তই আলোচনা কৰি বে-আইনী কাম কৰা সকলক কঠোৰ হাতেৰে দমন কৰা হ'ব বুলি আশ্বস্ত কৰিছে। জিলা উপায়ুক্তৰ নিৰ্দেশত বৰ্তমানে গোলাঘাটত নিম্নলিখিত ধৰণে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছে-

১) পুৰা আৰু গধূলি গোলাঘাটত তহলদাৰী আৰক্ষী মোতায়ন কৰা হৈছে।

২) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াক নিয়মিত বজাৰ পৰিদৰ্শন কৰাৰ নিৰ্দেশ দিয়া হৈছে।

৩) ব্যৱসায়ীক ভয় ভাবুকি আৰু প্ৰৰোচনাৰে যাতে কোনেও সুবিধা ল'ব নোৱাৰে তাক নিশ্চিত কৰিবৰ বাবে এজন কাৰ্যবাহী দণ্ডাধীশৰ নেতৃত্বত এটা squad গঠন কৰা হৈছে। ব্যৱসায়ী সকলৰ মনত নিৰ্ভয় দিবৰ বাবে প্ৰশাসনে ৮৬৩৮০৫৭৮৫৯ আৰু ০৩৭৭৪২৮০০৮১ নম্বৰৰ দুটা সহায়ক নম্বৰত ফোন কৰিবৰ বাবে সুবিধা কৰি দিছে।

৪) আৰক্ষীৰ নিয়মীয়া তহল আৰু পহৰাৰ লগতে যোগান বিভাগৰ পৰিদৰ্শন নিয়মিত ভাৱে চলি থকাৰ লগতে ব্যৱসায়ী সকলৰ লগত পৰ্যালোচনা কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰি লোৱা হৈছে।

গতিকে, মই আপোনালোকক ক'ব বিচাৰিছো যে গোলাঘাট জিলাত আলু-পিয়াজৰ কোনো ধৰণৰ ছিণ্ডিকেট হোৱা নাই কিন্তু হোৱাৰ বাবে প্ৰস্তুতি চলোৱা হৈছিল যদিও আমি বাধা প্ৰদান কৰিছিলো। বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছিল যে এই ছিণ্ডিকেট ৰাজৰ বাবে গোলাঘাট জিলাত আলু-পিয়াজৰ দাম বাঢ়িছিল। এই প্ৰসংগত মই এটা কথা ক'ব বিচাৰিছো যে যোৱা ৪, ১৩, ১৯, ২৩, ২৫ ছেপ্টেম্বৰ তাৰিখ আৰু যোৱা ২ অক্টোৱৰ তাৰিখেও গোলাঘাটত আলুৰ retail price আছিল ২০ টকা। ঠিক একে ধৰণে পিয়াজৰ ক্ষেত্ৰতো দাম একেই আছে। গতিকে, ইয়াৰ পৰা এইটোৱেই প্ৰমাণ হয় যে, গোলাঘাট জিলাত কোনো ধৰণৰ ছিণ্ডিকেট হোৱা নাই আৰু ছিণ্ডিকেট ৰাজৰ কোনো প্ৰভাৱ পৰা নাই। মাননীয় সদস্যা গৰাকীয়ে শূন্যকালীন ঘণ্টাত উত্থাপন কৰা বিষয়টোৰ সংক্ৰান্তত এই খিনিকে মই ক'ব বিচাৰিছো। আমাৰ চৰকাৰ খনে এনেধৰণৰ ছিণ্ডিকেট ৰাজৰ বিৰুদ্ধে কঠোৰ স্থিতি ল'ম আৰু গোলাঘাটত কোনোধৰণৰ ছিণ্ডিকেট ৰাজ চলা নাই বুলি স্পষ্ট কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া আমিনুল ইছলাম।

**মাননীয় শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** অধ্যক্ষ মহোদয়, যোৱাকালি Assam Tribune বাতৰি

কাকতত প্ৰকাশিত ‘AAMTA to hike bus fares from 3rd October, three bodies defer decision' শীৰ্ষক বাতৰিটো আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্ট গোচৰ কৰিব বিচাৰিছো। এই বাতৰিটোত প্ৰকাশ পোৱা মতে আজিৰ পৰা বাছৰ ভাড়া সমূহ বৃদ্ধি কৰা হ'ব। এই বাছ ভাড়া সমূহ বৃদ্ধি কৰাৰ ক্ষেত্ৰত এতিয়ালৈকে বাতৰিত প্ৰকাশিত তথ্য অনুযায়ী যোৱা ৩১ আগষ্ট তাৰিখে ‘All Assam Motor Transport Association ’ৰ নেতৃবৃন্দই পৰিবহণ মন্ত্ৰীৰ লগত এখন বৈঠক কৰিছিল। সেই বৈঠক খনৰ পিছত তেওঁলোকে কিছুমান প্ৰস্তাৱ দিছিল যে যদি যদি পেট্ৰল আৰু ডিজেলৰ মূল্যবৃদ্ধি ৰোধ নহয়, তেনেহলে তেখেতসকলে এই নিৰ্দ্দিষ্ট হাৰত বাছ ভাড়া সমূহ বৃদ্ধি কৰিব। কিন্তু যোৱা ৩১ আগষ্ট তাৰিখে তেখেত সকলে আলোচনা মৰ্মে দিয়া যিটো আবেদন, তাৰ আজিলৈকে চৰকাৰে সদুত্তৰ দিয়া নাই যাৰ কাৰণে তেখেতসকলে এতিয়া ভাড়া বৃদ্ধি কৰিব ওলাইছে আৰু ভাড়া বৃদ্ধিৰ সন্দৰ্ভত গুৱাহাটীৰ তিনিটা বেলেগ বেলেগ মটৰ পৰিবহন সন্থাই বেলেগ বেলেগ ৰেটত বৃদ্ধি কৰিবলৈ ইতিমধ্যে সিদ্ধান্ত গ্ৰহন কৰি প্ৰস্তাৱ দিছে। ইয়াত Guwahati Transport Association আৰু Guwahati Metro Transport - Association আৰু Delux Bus Association এই তিনিটাই এতিয়া পৃথক rate ত ভাড়া বৃদ্ধি কৰিবলৈ বিচাৰিছে। ইয়াৰ পূৰ্বে হোৱা আলোচনা মৰ্মে তেওঁলোকে তিনিওটা Association এ এটা সিদ্ধান্ত লৈছিল যে ০-৩ কিলমিটাৰৰ ভিতৰত ভাড়া হ'ব ৭ টকা, ৩-৫ কিলমিটাৰৰ ভিতৰত ভাড়া হ'ব ৮ টকা, ৫-৯কিলমিটাৰৰ ভিতৰত ভাড়া হ'ব ১২ টকা, ৯-১৩ কিলমিটাৰৰ ভিতৰত ভাড়া হ'ব ১৫ টকা, ১৩-১৭ কিলমিটাৰৰ ভিতৰত ভাড়া হ'ব ১৮ টকা আৰু ১৭-২১ কিলমিটাৰ লৈকে ভাড়া হ'ব ২১টকা।

কিন্তু যোৱাকালি এই প্ৰস্তাৱৰ আৰু অতিৰিক্ত ধৰণে এই তিনিটা সংগঠনে বেলেগ বেলেগ ধৰণে প্ৰস্তাৱ দিছে যে আজিৰ পৰা তেওঁলোকে সেই নিৰিখত বাছ ভাড়া বৃদ্ধি কৰিব বিচাৰিছে। All Assam Motor Transport এ 50% increase কৰিবলৈ প্ৰস্তাৱ কৰিছে আৰু বাকী সন্থা কেইটাইয়ো বেলেগ বেলেগ ধৰণে এইটো increase কৰিবলৈ প্ৰস্তাৱ কৰিছে।

এতিয়া কথাটো হ'ল যে পেট্ৰল আৰু ডিজেলৰ যিটো মূল্যবৃদ্ধি হৈ আছে, সেইটো আমি সকলোৱে অৱগত আৰু যিদৰে বৃদ্ধি হৈছে এনেকুৱা লাগিছে যে অক্টোবৰৰ শেষলৈকে এইটো চেঞ্চুৰি পাৰ কৰিব। মূল্যবৃদ্ধিৰ মাধমাৰটো এতিয়া জনসাধাৰণৰ ওপৰত পৰিছে। কেইদিনমান আগতে পাণ্ডু আৰু বি বৰুৱা কলেজৰ ছাত্ৰ-ছাত্ৰী সকল সদনত আহিছিল। তেখেত সকলে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত যেতিয়া আলোচনা কৰিছিল তেতিয়া ময়ো আছিলো। ব্যক্তিগতভাৱে কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে মোক অনুৰোধ কৰিছিল যে আমি কিছুমানে হাজোৰ পৰা বা ৰঙিয়াৰ পৰা আহো। এতিয়া আমাৰ ভাড়া ৭০-৮০ টকা পৰে অহা যোৱা কৰোতে। এতিয়া যদি আৰু ভাড়া বৃদ্ধি কৰে, তেনেহলে আমাৰ অহা-যোৱা প্ৰায় ১৫০ টকামান হ'বগৈ। তেওঁলোকে মোক কৈছিল যে এই কথাটো আপোনালোকে সদনত উত্থাপন কৰিব।

আগতে আমি এনেকুৱা এটা ব্যৱস্থা পাইছিলো যে ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে ভাড়া আধা আছিল। এতিয়া যিহেতু এই তিনিটা সংগঠনে অনিয়ন্ত্ৰিত হাড়ত বাছ ভাড়া বৃদ্ধি কৰিব বিচাৰিছে, তাৰ বাবে মই ভাৱো পৰিবহন মন্ত্ৰী ডাঙৰীয়াই এটা ব্যৱস্থা গ্ৰহন কৰিব। লগতে ছাত্ৰ- ছাত্ৰী সকলৰ ভাড়া আধা কৰাৰ বাবেও যাতে বিবেচনা কৰে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমিনুল ইছলাম ডাঙৰীয়াই যিটো

বিষয় ইয়াত উত্থাপন কৰিছে, এই বিষয়টো লৈ যিটো বাতৰি Assam Tribune ত প্ৰকাশ পাইছে, এইটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু এই সম্পৰ্কত মই দুযাৰমান ক'ব বিচাৰিছো। ২০১২ চনত বাছ আৰু অন্যান্য গাড়ীৰ ভাড়া বৃদ্ধি হৈছিল। তাৰ পাছত আজিলৈকে বাছ বা মালবাহী বা অন্যান্য গাড়ীৰ ভাড়া বৃদ্ধি হোৱা নাই। কিন্তু অধ্যক্ষ ডাঙৰীয়া, ২০১২ ৰ পৰা ২০১৮ চনৰ ভিৰত Motor parts ৰ দাম বাঢ়িছে। গাড়ীত কাম কৰা কৰ্মচাৰী সকলৰ দৰমহা বাঢ়িছে। Motor parts ৰ দাম বাঢ়িছে প্ৰায় 68%, তাৰোপৰিও কৰ্মচাৰী সকলৰ দৰমহা বাঢ়িছে প্ৰায় 54% আৰু ঠিক তেনেদৰে গাড়ী বিলাকৰ insurance বাঢ়িছে প্ৰায় 45%. আগতে প্ৰায় ৬০,০০০ টকা আছিল, এতিয়া insurance টো ৮০,০০০ টকা হৈছে। Petrol আৰু Diesel ৰ দামো Continously বঢ়া-টুটা হৈ আছে। গতিকে এই গোটেই কেইটা factor লৈ আমাৰ লগত বাছ মালিক সন্থা বা টেক্সি চালক সন্থাই কথা পতিছে। তেওঁলোকে কৈছে যে আমি গাড়ী চলাব নোৱাৰিম। কাৰণ ২০১২ চনত নিৰ্দ্ধাৰণ কৰা যিটো ভাড়া সেইটো ভাড়াত আমাৰ গাড়ী চলাবলৈ অসুবিধা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, ভাৰতবৰ্ষৰ ভিতৰত আমাৰ অসমত বাছৰ ভাড়া আটাইতকৈ কম। অসমত ordianary যিবিলাক গাড়ী তাত প্ৰতি কিলমিটাৰত ভাড়া ৭৯ পইচা। জম্মু আৰু কাশ্মীৰত ৮০ পইচা, কৰ্ণটিকত ৫৯ পইচা, বিহাৰত ১.৩৩ টকা , মিজোৰামত ১.১ টকা, নাগালেণ্ডত ১.২ টকা , হিমাচল প্ৰদেশত ১.৭৪ টকা, ৰাজস্থানত ১.২৩ টকা, ছত্তিচগড়ত ৫ টকা , দিল্লীত ৫ টকা, চণ্ডিগড়ত ৫ টকা, উত্তৰ প্ৰদেশত ৩ টকা, গোৱাত ২ টকা। ঠিক তেনেদৰে Express Bus বিলাকতো আমাৰ অসমত প্ৰতি কিলমিটাৰত ৮৬ পইচা। কিন্তু বাকী ৰাজ্যবিলাক যদি আমি চাওঁ, বিহাৰত ১.৩৩ টকা, মিজোৰাম ১.৪ টকা, নাগালেণ্ড ১.৪ টকা, হিমাচল প্ৰদেশ ১.১১ টকা, ছণ্ডিগড়ত ৫ টকা, দিল্লী ৫ টকা, ছত্তিচগড়ত ৫.৭৫ টকা। আমাৰ অসমত আটাইতকৈ কম।

**শ্ৰী আমিনুল ইছলাম ঃ** আপুনি কোৱাৰ দৰে নহয়। কৰ্ণটিকত আঠাইতকৈ কম ভাড়া। তাত মাত্ৰ ৫৯ পইচা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Ordianary Bus ত হে অকল কৰ্ণটিকত কম। বাকী সকলোতে বেছি। বাকী গাড়ী ভাড়া বিলাকত অসমত সকলোতকৈ কম।

তাৰোপৰিও , Delux বাছৰ ক্ষেত্ৰতো দেখা যায় আমাৰ প্ৰতি কিলমিটাৰত ১.৬ টকা, বাকী যিমান ৰাজ্য আছে, সকলোতে এইটো বেছি। ছত্তিছগড়তো এইটো ৬ টকা, উত্তৰ প্ৰদেশত ৩ টকা, দিল্লীত ১০ টকা, ছণ্ডিগড়ত ১৫ টকা। Executive Bus বিলাকত আমাৰ ভাড়া ১.২৩ টকা। কিন্তু পণ্ডিচেৰীত ২ টকা, গুজৰাটত ২.৫০ টকা। গোৱাত ২ টকা, ছিকিমত ২.২১ টকা, উত্তৰাখণ্ডত ৩.০২ টকা, উত্তৰ প্ৰদেশত ৩ টকা, ছণ্ডিগড়ত ৬ টকা, চণ্ডিগড়ত ১৫ টকা আৰু দিল্লীত ১০ টকা।

তেনেকে Volvo Bus তো আমাৰ ভাড়া প্ৰতি কিলমিটাৰত ১.৪৮ টকা বাকী ৰাজ্যবিলাকত ১৫ টকাকৈ আছে। ঠিক তেনেদৰে average revenue যদি আমি কিলমিটাৰ হিচাপে চাওঁ , অসমত মাত্ৰ ১.০৮ টকা। কিন্তু চণ্ডীগড়ত এইটো ১১ টকা, দিল্লীত ৮ টকা, ছত্তিছগড়ত ৫.৭৫ টকা, উত্তৰ প্ৰদেশত ৩ টকা, উত্তৰাখণ্ডত ২.৪৭ টকা, ছিকিমত ২.০৩ টকা, গোৱা ২ টকা।

গতিকে এই সকলোবিলাক চালে দেখা যায় যে ভাৰতবৰ্ষৰ ভিতৰত অসমতে সকলোতকৈ বাছ আৰু অন্যান্য গাড়ীৰ ভাড়া কম। গতিকে অধ্যক্ষ ডাঙৰীয়া, আজি আমাৰ যিটো ASTC আছে, এইটো আমি আমাৰ লোকচান হ'লেও চলাই থাকিম। তাত আমাৰ অসুবিধা নাই।

গতিকে চৰকাৰে অকল লাভৰ ওপৰত নিৰ্ভৰ নকৰি, public service ৰ ওপৰত চৰকাৰে গুৰুত্ব দিব। আজি ASTC টো ইমান লোকচানত থকা স্বত্বেও, ASTC টো চলাই আছো। কাৰণ এইটো public service বুলি আমি ধৰি লৈছো। সেইটোক profit making organization হিচাপে ধৰি থকা নাই। এতিয়া ASTC বাছৰ সংখ্যাৰ কমি আহিছে আৰু বাছ কিনিবলৈ ASTC ৰ পইচাও নাই। সেইকাৰণে অধ্যক্ষ মহোদয়, Volvo ৰ লগত tie-up কৰিছো। Volvo company টোক কৈছো যে তোমালোকে Volvo গাড়ী চলোৱা, আমি station বিলাক দিম, route বিলাক দিম আৰু আমাৰ তাতে তোমালোকৰ বাছ বিলাক ৰখাৰ ব্যৱস্থা কৰি দিম, তাৰে যিটো profit হব, সেইটো শ্বেয়াৰ কৰি লম। গতিকে Volvo company য়ে এতিয়া আমাক **১৩৭** খন বাছ দিব। Mercedes company ৰ লগত আমি কথা পাতিছো, তেখেতসকলে আমাক **১৩৮** খন বাছ দিব আৰু Scania company আছে তেখেতসকলৰ that is the most luxurious bus in the world , গতিকে বহুত costly বাছ, য'ত একোখন বাছত **৫** কোটি টকাৰ ওপৰত পৰে। তেখেতসকলেও আমাক **৩৮** খন বাছ দিব বুলি কৈছে। গতিকে আমি এনেকুৱা ধৰণৰ বাছ বিলাক চলাই তাৰ পৰা যিটো profit হব, তাৰে শ্বেয়াৰ কৰা যাব যে ASTC য়ো এটা অংশ পোৱা যাব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজিৰ দিনত চৰকাৰে তেনেকুৱা ধৰণৰ পৰ্য্যায়ত গৈছো, কিন্তু private য়ে যাব নোৱাৰে। আৰু private বাছ বিলাক যদি বন্ধ হৈ যায়, তেতিয়া হ'লে নিবনুৱা সমস্যাৰ বঢ়ি যোৱাৰ কথা এটা আছে। অসমৰ যিবিলাক থলুৱা যিখিনি কোনোৱাই বাছ চলাই আছে, কোনোবাই টেক্সি চলাই আছে।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো লুকাই লাভ নাই, কথাটো সত্যকৈ কোৱা উচিত যে মই পৰিবহন বিভাগৰ মন্ত্ৰী হিচাপে কব খোজে যে বাছৰ ভাড়া অলপ বৃদ্ধি কৰিব লাগিব, এইটো কথা মই সদনতো কলো। কিন্তু এইটো কথা নহয় যে কোনোৱা Association য়ে নিজৰ খুছি মতে বাছৰ ভাড়া বঢ়াৰ নোৱাৰে। বাছৰ চলিত যিটো ভাড়া আছে, সেই ভাড়াটো কমেও **৩০** শতাংশ বৃদ্ধি কৰিব লাগে। এই কথাতো খোলা ভাৱে এইকাৰণে কৈছে যিহেতু আমাৰ অন্যান্য সমাগ্ৰী বিলাকৰ দাম বাঢ়িছে, তাৰ কাৰণ আমাৰ private operator বিলাক চলিব নোৱাৰে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন চিকদাৰ, তেখেতে বানপানী কবলত সৰুক্ষেত্ৰী সমষ্টিৰ কিবা এটা কথাৰ বিষয়টো উত্থাপন কৰিব।

**শ্ৰী জাকিৰ হুছেইন চিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাক প্ৰথমতে ধন্যবাদ জনাইছো। যোৱা **৩০** চেপ্তেম্বৰ তাৰিখৰ "অসমীয়া প্ৰতিদিন" কাকতৰ সৰুক্ষেত্ৰীত জটিল হৈয়ে আছে বান পৰিস্থিতি, গড়কাপ্তানি পথৰ ওপৰত পাচঁ ফুট পৰ্যন্ত পানী, পানীৰ তলত বহু বিদ্যালয় অনুষ্ঠান - প্ৰতিষ্ঠান, ক্ষতিগ্ৰস্তই পোৱা নাই সাহায্য, ক্ষুদ্ধ ৰাইজ - শীৰ্ষক বাতৰিটো ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, সৰুক্ষেত্ৰী সমষ্টিৰ টিহু, কালদিয়া, পহুমাৰা, বুঢ়াদিয়া, পোনেৰজান, পল্লা যোৱা **২৫** চেম্পম্বৰৰ পৰা অহা সেই নদী বিলাকৰে অহা ভুটানৰ পানীয়ে সৰুক্ষেত্ৰীৰ সমষ্টিৰ পূৱ পাকা, পশ্চিম পাকা, দক্ষিণ পাকা, উত্তৰ পাকা, মধ্যপাকা, উত্তৰ-পূৱ পাকা, পশ্চিম সৰুক্ষেত্ৰী আদি গাওঁ পঞ্চায়তৰ বহু গাওঁ প্লাবিত কৰিছে। আৰু এই অবতৰীয়া বানপানীৰ ফলত সেই অঞ্চলসমূহ যিহেতু কৃষিপ্ৰধান অঞ্চল, কৃষিৰ লগত জৰিত পথাৰত যিখিনি শালিধানৰ খেতি কৰিছিল, সেই

শালিধানৰ খেতি সম্পূৰ্ণৰূপে নষ্ট হৈ গৈছে। আমাৰ অঞ্চল সমূহ দ অঞ্চল। সেই অঞ্চল সমূহত মস্যজীৱি যথেষ্ট সংখ্যক মানুহ আছে, যিসকলে মাছৰ পোহ-পাল কৰি পুখুৰীৰ জৰিয়তে তেওঁলোকৰ জীৱন নিৰ্বাহ কৰে। বহুতো পুখুৰী বানপানীৰ ফলত পাৰ ভাঙি ছিগি গৈছে, মাছবোৰ গুছি গৈছে। গতিকে তেওঁলোকে বিপদত পৰিছে। মাননীয় অধ্যক্ষ মহোদয়, সৰুক্ষেত্ৰী সমষ্টি নদী, খাল-বিলৰে ভৰপুৰ দ অঞ্চল। সৰুক্ষেত্ৰী সমষ্টিৰ যিখিনি ৰাষ্টাঘাট আছিল , সেই বানপানীৰ ফলত যথেষ্ট সংখ্যক ৰাষ্টা-ঘাট পানীৰ তলত আছিল, ছিগি গৈছে আৰু সেই ৰাষ্টা-ঘাটৰ যথেষ্ট ক্ষতিসাধন হৈছে। গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কিছুদিন আগতে প্ৰতিটো সমষ্টিলৈ যিখিনি টকা দিছে, সেই টকা অনুপাতে আমাৰ বিভাগে যিখিনি DPR প্ৰস্তুষ্ট কৰি পঠাই দিছে। সেই DPR প্ৰস্তুত কৰাৰ পিছত সেই ৰাষ্টাসমূহৰ অধিক ক্ষতিগ্ৰস্ত কৰিছে আৰু সেইখিনি টকাই সেই ৰাষ্টা-ঘাটখিনি মেৰামতি কৰাৰ কেতিয়াও সম্ভৱ নহব। গতিকে এই কথাখিনি মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিছো। আমি কেৱল ব্ৰহ্মপুত্ৰ, বৰাক নদীৰ গড়াখহনীয়াৰ কথাই সকলো সময়ত আলোচিত হয়। কিন্তু সৰু সৰু উপ-নৈ সমূহেও যে মানুহক ক্ষতিগ্ৰস্ত কৰিব পাৰে, সেই কথাটো যিসকল সন্মানীয় বিধায়ক সকলৰ সমষ্টিত আছে, তেওঁলোকে জ্ঞাত এই নদীসমূহেও পহুমাৰা, কালদিয়া, টিহু আৰু উনৈশজান নদীয়ে বহু মানুহৰ ঘৰ, বাৰী, সম্পত্তি নদীৰ বুকুত জাহ গৈছে।এই নদীয়ে PWD ৰ ৰাষ্টাই হওঁক বা পঞ্চায়ত লেৱেলৰ ৰাষ্টাই হওঁক সকলো ৰাষ্টাবোৰ ভাঙি চুৰমাৰ কৰিছে। বহুত ৰাষ্টা এনেকুৱা হৈ যে 30% ৰ আৰম্ভ কৰি 90% পৰ্যান্ত নদীৰ বুকুত গৈছে। আজি চলাচল বন্ধ হৈ গৈছে। কাঠৰ দলং বিলাক বানপানী অহাৰ পিছত যথেষ্ট ক্ষতিসাধন হৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া অনুৰোধ জনাম। আজি ইয়াতে গড়কাপ্তানি বিভাগৰ মন্ত্ৰী আছে, কৃষিবিভাগৰ মন্ত্ৰী আছে, এই বিলাক দেখা যায় যে বানপানী হোৱাৰ সময়ত জিলা উপায়ুক্তৰ জৰিয়তে বিভাগীয়া চক্ৰবিষয়া সমূহে তালৈ যায়, মণ্ডলৰ পৰা আদি কৰি বিভিন্ন বিভাগে বানপানীত কি কি ক্ষতিগ্ৰস্ত হৈছে, সেইটো তদন্ত কৰিবলৈ যায়। কিন্তু বানপানীৰ পিছত দেখা যায় যে সেই জৰীপৰ পিছত কেৱল জৰীপ হৈয়ে থাকে। মানে কোনো ধৰণৰ সাহায্য নাপায়। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে আমাৰ সৰুক্ষেত্ৰী সমষ্টিতে অবতৰীয়া বানৰ ফলত যিখিনি ক্ষতিগ্ৰস্ত হৈছে, সেই ক্ষতিগ্ৰস্ত মানুহখিনিৰ ক্ষেত্ৰত যাতে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে আৰু শেষত বানপানীৰ ফলত স্কুল, কলেজ, চিকিৎসালয় আদি বন্ধ হৈ থাকিব লগা হয়। আজিৰ তাৰিখত যদিও বান কমিছে, বান কমাৰ পিছত দেখা যায় যে মানুহক বিভিন্ন বেমাৰ আজাৰে দেখা দিয়ে। সেই বেমাৰ আজাৰৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে যাতে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে, তাৰ বাবে আপোনাৰ জৰিয়তে পবিত্ৰ সদনত অৱগত কৰাই শেষত ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে বৰপেটা জিলাৰ উপায়ুক্ত ডাঙৰীয়াক সৰুক্ষেত্ৰী সমষ্টিৰ এই বান পৰিস্থিতিক লৈ বিভিন্ন বিভাগৰ জৰিয়তে তেওঁৰ উপযুক্ত কথাখিনি বিভাগত অৱগত কৰে যেন আৰু যদি অধিক তথ্য কাৰণে মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক সৰুক্ষেত্ৰীলৈ আমন্ত্ৰণ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া ৰাজহ বিভাগৰ মন্ত্ৰী।

**শ্ৰী ভৰেশ কলিতা, ৰাজহ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক জাকিৰ হুছেইন চিকদাৰ ডাঙৰীয়াই - যোৱা ৩০ চেপ্তেম্বৰ তাৰিখৰ "অসমীয়া প্ৰতিদিন" কাকতৰ বাতৰি শিৰোনমা তেখেতে উত্থাপন কৰিছে।

সচাঁই বৰপেটা জিলাৰ দুটা ৰাজহ চক্ৰ আৰু নলবাৰী জিলাৰ এটা ৰাজৰ চক্ৰ বানেকুছি

নলবাৰী জিলাৰ আৰু বৰপেটাৰ সৰুক্ষেত্ৰী আৰু সৰুপথাৰ। সচাঁই মাননীয় অধ্যক্ষ মহোদয়, হঠাতে হোৱা বানত ভূটানৰ পৰা কিছু পানী আহিছিল। যি পানীয়ে অকল বৰপেটা, নলবাৰীয়ে নহয়, বাক্সা জিলাৰ কুমাৰী কাটা অঞ্চল তামুলপুৰ, ৰঙিয়াতো কিছু প্ৰভাৱ পৰিছে। এই ক্ষেত্ৰত ৰাজহ দূৰ্য্যোগ বিভাগৰ পৰা তৎকালীন ভাৱে দুই কোটি টকা বৰপেটা জিলাৰ উপায়ুক্তলৈ পঠোৱা হৈছে। আৰু পৰ্যাপ্ত পৰিমানে সাহায্য দিয়া হৈছে। তাত কোনো ধৰণৰ শিবিৰ পতা হোৱা নাই বা কোনো মানুহৰো প্ৰাণ হানী হোৱা নাই উক্ত বানপানীত। কিন্তু কৃষিৰ ক্ষেত্ৰত যথেষ্ট ক্ষতিসাধন হৈছে। আমি আটাইখিনি কথা চক্ৰ বিষয়াৰ জৰিয়তে তাত জৰিপ চলাই আছো। শেহতীয়া খবৰ আমাৰ হাতত আহি পৰিব। এই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। চৰকাৰে যথেষ্ট মনোনিবেশ কৰিছে কামখিনি কৰাৰ কাৰণে। সচাঁকৈয়ে কেইবাটাও গুৰুত্বপূৰ্ণ ৰাষ্টা ক্ষয়ক্ষতি হৈছে, কাঠৰ দলং উটুৱাই নিছে, বাঁহৰ সাঁকো এখন আছিল, সেইখনো উটুৱাই নিছে। তাৰ ওপৰিও স্কুলত পানী সোমাই আছে, ক্লাচ কৰিব পৰা নাই আৰু স্বাস্থ্য বিভাগৰ যুটিয়া সচিবৰ লগত যোগাযোগ কৰিছো। কিছু পৰিমানে ফেনাইল বা অন্যন্যা ধৰণৰ স্বাস্থ্য শিবিৰ যাতে তাত অনুষ্ঠিত কৰিব পাৰে। আমাৰ মাননীয় সদস্য জাকিৰ হুছেইন চিকদাৰ ডাঙৰীয়াই আমন্ত্ৰণ জনাইছে, মই যোৱা কালি যোৱাৰ কথা আছিলে। যোৱা কালি গান্ধী জয়ন্তী আছিলে কাৰণে যাব পৰা নগ'ল। যিহেতু অধিবেশন চলি আছে, আমি শনিবাৰে তাত উপস্থিত হ'ব পাৰিম। তথাপিও আমি আমাৰ বিভাগৰ পৰা যি পৰিমানৰ সাহাৰ্য্য দিছো, অকনমান সহায় কৰাৰ কাৰণে সাজু হৈছো। অকনমান চাউল ২৮৯.১৫ কুইণ্টল দিছো, মচুৰ দাইল দিছো ৫২.৬৫ কুইণ্টল, নিমখ দিছো ১৫.৯৬ কুইণ্টল, সৰিয়হৰ তেল দিছো ৩৫২.৬০ লিটাৰ Cattle Feed দিছো, Rice, Wheat,grass,৭০৩ কুইণ্টল। আৰু ইতিমধ্যে ১৯৩ হেক্টৰ Cultivated Area affected হৈছে। আমি নিশ্চিত ভাবে তেখেতক ধন্যবাদ দিছো। তেখেত সমষ্টিক লৈ সদায় সচেতন থাকে। অকল একেটা সমষ্টি নহয়, কেইবাটাও সমষ্টি affected হৈছে। আৰু আমি ভাবিছো, আমাৰ বিভাগৰ পৰা জৰীপ হোৱাৰ পাছত আৰু ৰবিশস্য কৰাৰ কাৰণে আমি কৃষি বিভাগৰ লগত যোগা যোগ কৰিম, তাত কি ধৰণৰ, ধৰক সৰিয়হে হওঁক, তিচি, তিল, মটৰমাহ বা আলুখেতি কৰি সেই দুৰ্গত কৃষক সকলক আমি সহায় কৰিব পাৰো। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ- Thank you. আমি ইয়াৰ পাছত কাৰ্য্যসূচী ২ লৈ যাম । মই এটা কথা কব খুজিছো ২ আৰু ৩ ত আমাৰ যি সকলে বক্তব্য ৰাখিব, তেওঁলোকে আজি ৫ মিনিটৰ ভিতৰতে এই কথাখিনি কলে ভাল। উত্তৰো ৫ মিনিট আৰু কওঁতেও ৫ মিনিট। যাতে আমি Bill কেইখনৰ detail আলোচনা কৰিবলৈ আমি সময় উলিয়াব পাৰো। মই সেই কাৰণে এতিয়া কমলাক্ষ্য দে পুৰকায়স্থক, তেওঁ যিটো বিষয় আমাৰ Rule 54 ৰ অধীনত উত্থাপন কৰিব খুজিছে মই সেই বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ্য, সদস্য** ঃ- এটা request আছিল ছাৰ, ৬,৭ মিনিটৰ ভিতৰত হ'লে ভাল আছিল।

**মাননীয় অধ্যক্ষ** ঃ-মই কৈছো ৫ মিনিট ত বেল পৰিব, ৭ মিনিটত আপুনি শেষ কৰিব।

(উপাধ্যক্ষই, অধ্যক্ষৰ আসন গ্ৰহণ কৰে)

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, গত ১৬ জুলাই ২০১৮ তারিখের 'দৈনিক যুগশঙ্খ' পত্রিকায় প্রকাশিত "মহাসড়কের কাজ ঃ চূড়ান্ত বেহাল শিলচর হাফলং সড়ক, কাজে থাকলেও মাঠে নেই এন এইচ আই ডি সিএল" এই বিষয়টি উত্থাপনের সুযোগ দেওয়ার জন্য অধ্যক্ষ মহোদয় আপনাকে ধন্যবাদ জ্ঞাপন করছি।

মাননীয় অধ্যক্ষ মহোদয়, নর্থ, সাউথ, ইস্ট, ওয়েস্ট করিডোর largest on going project in India। ভারতবর্ষের মধ্যে সবচেয়ে বড় on going project হবে উপাধ্যক্ষ মহোদয়। ৭,৩০০ কিলোমিটার length এবং শ্রীনগর, কন্যাকুমারি, কোচি থেকে শিলচর। বিশেষ করে আমাদের প্রাক্তন প্রধানমন্ত্রী অটল বিহারী বাজপেয়ীর স্বপ্নের project ছিল সেটা এবং সেই ইস্ট-ওয়েস্ট করিডোরের শিলান্যাস হয় ২০০৪ সালে। বরাকবাসীদের স্বপ্নের একটা project ছিল। ব্রডগেজ লাইনের ক্ষেত্রে আমরা দেখতে পেলাম ৬ মাসে কাজ শেষ হয়ে ট্রেন চলাচল শুরু হয়েছে। আমাদের বিশ্বাস ছিল সরকার পরিবর্তন হওয়ার সঙ্গে-সঙ্গে হয়তো বা মহাসড়কের কাজটাও ৬ মাসের মধ্যে শেষ হয়ে যাবে। আমরা যারা বরাকবাসী গুয়াহাটি বা দিসপুরে বিধানসভায় যখন আসি, তখন আমাদের একটাই রাস্তা থাকে শিলং রাস্তা। আপনারা হয়তো বলবেন যে আগে কি ছিল না এই রাস্তা। হ্যাঁ, আমরা বলব আগেও এই রাস্তা দিয়ে আসতাম। কিন্তু বর্তমান দিনে এনআরসি নিয়ে যে একটা সমস্যা দেখা দিয়েছে। সেই জন্য আমি মনে করি আমাদের অসম ভূমির মধ্য দিয়ে যে রাস্তা গেছে, তার উপর আমাদের যে অধিকার থাকবে, অন্য রাজ্যের ভূমির ওপর দিয়ে যাওয়া রাস্তায় আসলে সেই অধিকারটা থাকবে না। সেই জন্য খুব তাড়াতাড়ি ইস্ট-ওয়েস্ট করিডোরের কাজটা যাতে শেষ হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, বিশেষ করে ডিমা হাসাও থেকে কাছাড়— সেই অঞ্চলের রাস্তার গুণগতমান নগাঁও-গুয়াহাটির রাস্তার চেয়ে অনেক খারাপ। প্রায়ই দেখা যায় ধস পড়ে গিয়ে রাস্তার বেহাল অবস্থা হয়। আমি বিধানসভায় আনস্টার্ড প্রশ্নের উত্তর পেয়েছি। আমি প্রশ্ন করেছিলাম যে কোন কোন portion-এর জন্য ইতিমধ্যে forest clearence পাওয়া গিয়েছে। প্রশ্নের উত্তরে আমি দেখলাম যে বিশেষ করে যে অঞ্চলের সমস্যা ছিল অর্থাৎ বালাছড়া থেকে হারাঙ্গাজাও অবধি ৩১ কিলোমিটার অংশ। ১০ টা portion-এর forest clearence দেওয়া হল। কিন্তু বালাছড়া থেকে হারাঙ্গাজাও অবধি যে portion, সেই জায়গার forest clearence কথাটা উল্লেখ নেই। আমাদের বনমন্ত্রী এখানে আছেন। উনি বলেছিলেন সেই জায়গার forest clearence আমরা ইতিমধ্যে পেয়ে গিয়েছি। বনমন্ত্রী বরাক ভ্যালির একজন নাগরিক হিসাবে উনার সাথে আমার সু-সম্পর্ক রয়েছে। বিধানসভায় যে উত্তর পেয়েছি, আর কাগজে বা পত্রিকায় উনি যা বলেছিলেন, তার মধ্যে কোনও মিল নেই। আমি accordingly MD দিল্লির সঙ্গে যোগাযোগ করি এবং উনি বললেন যে ২ টা stage-এ সেখানে NOC দরকার। একটা portion-এর ইতিমধ্যেই NOC হয়েছে। আরেকটা portion NOC হয়নি।

মাননীয় উপাধ্যক্ষ মহোদয়, Executive Director অজয় আলুওয়ালিয়ার সাথে আমি যোগাযোগ করি এবং জিজ্ঞাসা করি যে বিধানসভায় প্রশ্নের জবাবে আমরা দেখতে পারলাম সেখানে কাজ শুরু হয়েছে। সেই অর্থটা কি? আপনি কি বলতে চান সেটা নিয়ে? উনি বললেন যে সেখানে তো সবগুলোর clearence হয়ে গিয়েছে। আমি যখন পি ডব্লু ডি কমিশনারের সঙ্গে যোগাযোগ করলাম, উনি বললেন যে সেখানে কিছু অঞ্চল রেভিনিউ ল্যান্ড আর কিছু অঞ্চল ফরেস্ট ল্যান্ড। ফরেস্ট ল্যান্ডের NOC হয়েছে। কিন্তু রেভিনিউ ল্যান্ডের NOC হয়নি।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাদের এই স্বপ্নের project ২০০৪ সালে শুরু হয়। অনেক ঘাত- প্রতিঘাতের মধ্যে দিয়ে বর্তমানে এই অবস্থায় এসেছে। সত্যি কথা বলতে গেলে বর্তমানে সৌরাষ্ট্র- শিলচর সড়কের কাজ ৯৮ শতাংশ সম্পূর্ণ হয়েছে। এই ৩১ কিলোমিটার কাজের গুণগত মান একদিকে যেমন খারাপ, অন্যদিকে তেমনি forest clearence নিয়ে টালবাহানা। আমরা

ভেবেছিলাম অনেক আগেই কাজ শেষ হবে। কিন্তু সব চেয়ে দুঃখজনক বিষয় হচ্ছে ২০১৬-১৭ এবং ২০১৭-১৮ সালে কাজের যে progress আমি ব্যক্তিগতভাবে বলছি না, সদনে প্রশ্নের যে জবাব পেয়েছি তাতে দেখা যায় ১৬-১৭তে ১২ point something এবং ১৭-১৮ তে ৩ point something কিলোমিটার progress। দেখা যায় যে এই দু বছরে যা progress হয়েছে, তা অনেক কম উপাধ্যক্ষ মহোদয়। অতএব আপনার মাধ্যমে মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ থাকবে যে আমাদের স্বপ্নের ওই project টির কাজ শেষ করে আমাদের ভূমির ওপর দিয়ে আমরা একটা রাস্তা কবে পাব সেই বিষয়ে আমি মন্ত্রী মহোদয়ের কাছে একটা পরিষ্কার উত্তর জানতে চাই। ব্রডগেজের ক্ষেত্রে আমরা ছয় মাসের মধ্যে হবে বলে শুনেছিলাম। কিন্তু আজ চার বছর হতে চলেছে এখনও পর্যন্ত আমরা ইস্ট-ওয়েস্ট করিডোর পাইনি। কি জন্য আমরা করতে পারছি না এবং কবে সেটা সম্পূর্ণ হবে? বিধানসভায় দেওয়া জবাবে মন্ত্রী মহোদয় আরেকটা বলেছেন। ফরেস্ট ল্যান্ড নিয়ে এই যে একটা টালবাহানা সেটা নিয়ে মানুষের মধ্যে একটা ভয়ের সঞ্চার হয়েছে যে আসল বিষয়টা কি? মন্ত্রী মহোদয়ের কাছ থেকে আমি এর পরিষ্কার উত্তর জানতে চাই।

আর সেই সঙ্গে আমি মহম্মদ ইকবালের ছোট একটা 'শায়ের' বলে আমি আমার বক্তব্য শেষ করছি। 'সারে জঁহা সে আচ্ছা হিন্দুস্তা হমারা, হাম বুলবুলে হে ইসকে ইয়ে গুলসিতা হমারা'। বাকি portion টা শুধুমাত্র আমাদের মাননীয় বিধায়ক শিলাদিত্য দেবের জন্য। 'মজহব নেহি শিখাতা আপস মে ব্যর রাখনা হিন্দি হে হম, বতন হে হিন্দুস্তা হামারা'। মন্ত্রী মহোদয়ের কাছ থেকে আমি একটা পরিষ্কার উত্তর জানতে চাই। নমস্কার।

**শ্রী তপন কুমাৰ গগৈ, মন্ত্ৰীঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৫৪ নং নিয়মৰ অধীনত মাননীয় বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থ্য দেৰে জাৰি কৰা দৈনিক যুগশঙ্খ কাকতৰ ২০১৮ৰ ১৬ জুলাই তাৰিখে প্ৰকাশিত " মহাসড়কেৰ কাজঃ চূড়ান্ত বেহাল শিলচৰ হাফলং চৰক' কাজে থাকলেও নেই NHIDCL" শীৰ্ষক সংবাদটোৰ প্ৰতি দৃষ্টি আৰ্কষণ কৰিছে। আপোনালোক প্ৰত্যেকেই জানে, যে ভাৰতবৰ্ষৰ আমাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী যি আজি আমাৰ মাজত নাই, অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ সপোন আছিল যে সমগ্ৰ ভাৰতবৰ্ষৰ আমাৰ যিমান বিলাক State Capital আছে, সকলোকে সংযোগ কৰিব লাগে, তাৰ পৰিনতিত four land ৰাস্তা নিৰ্মানি হৈছিল। আৰু এই বাজপেয়ী ডাঙৰীয়াৰ সপোনৰ যি ৰাস্তা, এই ৰাস্তা নিৰ্মানি কৰিবৰ কাৰণে, ব্যৱস্থা হাতত লোৱা হৈছিল। আৰু বৰ্তমানৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ খুব খৰতকীয়া কৰিবৰ কাৰণে ব্যৱস্থা হাতত লৈছে। আৰু অসমৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া আৰু আমাৰ গড়কাপ্তানী বিভাগৰ Cabinet মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই, এইখিনি যাতে খুব খৰতকীয়া ভাবে আগুৱাই লৈ যাব পৰা যায় তাৰ কাৰণে সময়ে সময়ে এতিয়া Review লৈ আছেআৰু খুব খৰতকীয়াভাৱে সেইখিনি কৰিবৰ কাৰণে Department ৰ লগত কথা পাতি আছে। কিন্তু আপুনি যিখিনি কথা উত্থাপন কৰিছে, সেইখিনি হৈছে যে গুৱাহাটী বাইপাচৰ বাহিৰে ২০০৫ চনতেই আচলতে East-West Coridor ৰ কাম আৰম্ভ কৰা হৈছিল।

এই ২০০৫ চনৰ পৰা East-west কৰিডৰত কামবোৰ আৰম্ভ কৰা হ'ল। কিন্তু আপুনি যিকেইটা ৰাস্তাৰ কথা কৈছো যে, বালাচাৰৰ পৰা হাৰাংগাজাওলৈ এই যি ২৫.২৫ কিলোমিটাৰৰ যি ৰাস্তা, এই ৰাস্তাটো বিভিন্ন কাৰণত সেই সময়ত হৈ উঠা নাছিল। ২০০৫ চনৰ পৰা কিন্তু আমাৰ চৰকাৰ নাছিল। এই কথাটো আপোনালাকে নিজে জানে আপোনালোকে যিহেতু শাসনত আছিল

আৰু ২০০৫ চনৰ পৰা ২০১৬ চনলৈকে কামটো হৈ নুঠাৰ কাৰণে তেতিয়াৰ দায়িত্ব আছিলে NHAI (National Highway Authority of India) ৰ দায়িত্বত আছিল। কিন্তু ২০১৬ চনত আমি NHAI ৰ পৰিৱৰ্তে NHAI DCL ক এই দায়িত্ব দিয়া হৈছে ২০১৬ চনৰ ১৩ মে' তাৰিখে, এই ৰাস্তাখিনিৰ কাম কৰিবৰ বাবে। অৰ্থাৎ ২০০৫ চনৰ পৰা ২০১৬ চনলৈকে সেই সময়ছোৱাত কামখিনি নকৰাৰ কাৰণে আপোনালোকৰ এই ৰাস্তাটোৰ আজিৰ এই অৱস্থাটো হৈছে। তাৰ লগে লগে আপোনালোকে জানে যে, ২৫.২৫ কিলোমিটাৰ এই ৰাস্তাৰ ভিতৰত ২২.০৫ কিলোমিটাৰ, কাছাৰ জিলাৰ ভিতৰত পৰে আৰু ৩.২০ কিলোমিটাৰ ডিমা-হাছাও জিলাৰ ভিতৰত পৰে। ২২.০৫ কিলোমিটাৰ কাছাৰ জিলাৰ পৰা যি অংশ তাত বৰাইল সংৰক্ষিত বনাঞ্চল আছে, এই বনাঞ্চলৰ এলেকাৰ লগত পথ নিৰ্মাণ কৰিবৰ বাবে Forest Clearance পোৱাত পলম হোৱা বাবে এই অংশৰ কাম পলম হয়। এইটো জানি আপোনালোকে ভাল পাব যে, ২২.০৫ কিলোমিটাৰ পথৰ কাৰণে Forest Clearance ৰ final approval ২০১৮ চনৰ ১৫ মাৰ্চ তাৰিখে পাবৰ কাৰণে সক্ষম হৈছো। ১৫ মাৰ্চত final clearance পোৱাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ  Ministry Environment Forest and Climate Change য়ে চিঠিৰ যোগে এইখিনি কথা জনাইছে, এই কথাটো অৱগত কৰিলো। ডিমা-হাছাও জিলাৰ ৩.২০ কিলোমিটাৰ পৰে। তাৰ Pricipal approval টো ২০১৭ চনৰ ১৮ চেপ্তেম্বৰ তাৰিখে পাইছো। কিন্তু যিটো Final approval আহিব লাগে। এই মুহুৰ্তলৈকে Final approval আহি পৰা নাই। Final approval অহাৰ লগে লগে সেইখিনি কামো খুব খৰতকীয়া গতিত কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। এই পথছোৱা নিৰ্মাণ কৰিবৰ কাৰণে দায়িত্ব দিয়া হৈছে Socio -Infra & mining Ltd. তেওঁলোকে জে ভি কৰিছে। এই দায়িত্ব তেওঁলোকক দিয়া হৈছিল ২৬ ডিচেম্বৰ, ২০১৭ চনত, এৱাৰ্ড কৰা হৈছে। দায়িত্ব দিয়া হৈছে। ২৬ ডিচেম্বৰ, ২০১৭ চনৰ পৰা তেওঁলোকক কামৰ সম্পূৰ্ণ ৩০ মাহ সময় দিয়া হৈছে। ৩০ মাহ সময়ৰ ভিতৰত তেওঁলোকে কাম সম্পূৰ্ণ কৰিব লাগিব আৰু এই ৩০ মাহ সম্পূৰ্ণ হ'ব ২৪ জুন ২০২০ চনত। ২০২০ চনৰ ২৪ জুন তাৰিখে তেওঁলোকে কাম সম্পূৰ্ণ কৰিব লাগিব। এই কথাখিনিও আপোনালোকক অৱগত কৰিলো। কাছাৰ জিলাৰ ১১ খন গাওঁৰ ভূমি অধিগ্ৰহণৰ বাবে NH Act, 1956 ৰ অধীনত 3 (A) Notification যোৱা ৩০ চেপ্তেম্বৰ, ২০১৮ চন তাৰিখে আমি প্ৰকাশ কৰিছো। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰণালয়ৰ নিয়ম অনুসৰি 3 (A) Notification ভূমিৰ portal ত প্ৰকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ পাছত অধিগৃহিত ভূমি আৰু জিৰাতৰ বাবে পৰিশোধ কৰিব লগা ধন বিতৰণৰ পাছত উক্ত ভূমিখিনি আমি লবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। কামখিনি তেতিয়া খৰতকীয়া গতিত আগবঢ়াই নিবৰ কাৰণে ব্যৱস্থা থাকিব। কাছাৰ জিলাৰ যি ২২.০৫ কিলোমিটাৰৰ ভিতৰত ১১.১০ কিলোমিটাৰ গছ কটা কাম শেষ হৈ গৈছে আৰু বাকী যিখিনি গছ কটা কাম বাকী আছে, সেইখিনি ভূমি অধিগ্ৰহণ কৰাৰ পাছতহে কাটিবৰ কাৰণে সক্ষম হয়। এই কথাটো আপোনালোকক অৱগত কৰিলো আৰু ডিমা-হাছাও জিলাৰ ৩.২০ কিলোমিটাৰৰ ভিতৰত ০.৮০ কিলোমিটাৰ গছ কটাৰ কাম সম্পূৰ্ণ কৰা হৈছে। ডিমা-হাছাও জিলাৰ কিছু ভূমি অধিগ্ৰহণৰ বাকী আছে। সেইখিনি অহাৰ পাছতে বাকীখিনি হাতত লব পাৰিম। এই গোটেই কামখিনি যিহেতু ২০১৬ চনত দায়িত্ব দিয়া হৈছে। ২০১৭ চনত এই প্ৰতিষ্ঠানটোক দায়িত্ব দিয়া হৈছে। এতিয়া শতকৰা ১.৭০ ভাগ শতাংশ কাম তেওঁলোকে কৰিছে। কামৰ অগ্ৰগতি হৈছে ১.৭৩ আৰু ২০২০ চনৰ ২৪ জুনত এই কামখিনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো।

**শ্ৰী কমলাক্ষ দেৰ পুৰকায়স্থ , কৰিমগঞ্জ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক এই কথা ক'ব বিচাৰিছো। কামৰ যিটো প্ৰগ্ৰেছ খুব লেহেমীয়া গতিত হৈ আছে। সেইটো যাতে খৰতকীয়াভাৱে কৰা যায়, তাৰবাবে যাতে এক ব্যৱস্থা হাতত লয়। এটা Special Team পঠিয়াই কি কাৰণে লেহেমীয়া গতিত হৈছে, সেইটো চাব লাগে। দ্বিতীয়তে, বাজপেয়ী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে, লগতে মনমোহন সিং ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেওঁৰ বহুত অৰিহনা আছে। প্ৰজেক্টটো ঘোষণা কৰাৰ পাছতে ১০ বছৰ তেওঁৰ চৰকাৰ আছিলে UPA চৰকাৰ আছিল। এই UPA চৰকাৰ থকাৰ দিনত তেওঁৰ বহুতখিনি অৰিহনা আছে। বহুখিনি সহায়, সাহাৰ্য্য কৰিছিল আমাৰ চৰকাৰক। সেই কাৰণে তেওঁলোককো ধন্যবাদ জনাইছো।

**শ্ৰী তপন গগৈ, মাননীয় শক্তি মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কথাবিলাক ক'লে কথাবিলাক ওলাই গৈ থাকিব। ২০০৫ চনতে কামটো আৰম্ভ হৈছিল। আপোনালোকে জানে যে, East-West কৰিডৰ। কিন্তু ২০১৬ চনলৈকে আপোনালোকৰ কংগ্ৰেছ চৰকাৰ কিন্তু শাসনত আছিল। সেই দিন সমূহত কেন্দ্ৰতো কংগ্ৰেছ চৰকাৰ আছিল ৰাজ্যতো কংগ্ৰেছ চৰকাৰ আছিল। সেই সময়ত কামখিনি কৰা হ'লে আজি আমি খুব সুন্দৰ ৰাস্তাৰ ওপৰতে যাব পাৰিলোহেঁতেন। কিন্তু সেই সময়ত কামবোৰও খৰতকীয়া গতিত নকৰিলে। এতিয়া আমি খুব খ ৰতকীয়া গতিত কৰিবৰ কাৰণে ব্যৱস্থা লৈছো। বাজপায়ী ডাঙৰীয়াৰ সপোন এইটো। আপোনালোকে জানে যে, ছয়দিন আগতে শ্ৰীনীতিন গাডকাৰী ডাঙৰীয়া চিলঙলৈ আহি ইয়াত এটা ৰেভিউ লৈছে। উত্তৰ-পূৰ্বাঞ্চলত যিমান বিলাক NHAI DCL ৰ কাম চলি আছে খুউৰ খৰতকীয়া গতিত কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু মই আগতেই কৈছো যে, 'চব কা চাথ সব কা বিকাশ' নীতিৰ আধাৰত ভাৰতবৰ্ষৰ বৰ্তমান প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই খুউৰ খৰতকীয়াভাৱেকৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু কেবিনেট মন্ত্ৰী ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ৰিভিউ লৈ আছে. আমি ৰিভিউ লৈ আছো সকলোৱে। যাতে এইখিনি আমি খুব খৰতকীয়াভাৱে কৰি শেষ কৰিব পাৰো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৩ , অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ অধীনত 301 Special Motion ৰ অধীনত মাননীয় সদস্য শ্ৰী নাৰায়ণ ডেকা আৰু শ্ৰী ৰাজদ্বীপ গোৱালাৰ নামত দুখন জাননী বাচনি কৰা হৈছে। এতিয়া প্ৰথমতে মাননীয় সদস্য শ্ৰীনাৰায়ণ ডেকাক আৰু দ্বিতীয়তে শ্ৰী ৰাজদ্বীপ গোৱালাক বিষয়টোৰ ওপৰত পৃথকে পৃথকে বক্তব্য ৰাখিবলৈ কোৱা হ'ল। শ্ৰী নাৰায়ণ ডেকা।

**শ্ৰী নাৰায়ণ ডেকা, বৰক্ষেত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৩০১ ৰ অধীনত এই বিশেষ বিষয়টো উত্থাপন কৰিবলৈ সুবিধা দিয়াৰ কাৰণে মই প্ৰথমতে আপোনাক ধন্যবাদ জনাইছো। বিষয়টো হ'ল অসম চৰকাৰৰ Assam Service Rule Discipline and Appeal 1964 Rule ৰ অধীনত rule 6 ত চাৰিটা কাৰণত চৰকাৰী কৰ্মচাৰীক নিলম্বনৰ প্ৰভিজন আছে। আমি যদি ভালকৈ হিচাপ কৰো, অসম চৰকাৰৰ হয়তু ১০০০-২০০০ ৰ ভিতৰত সংখ্যা হ'ব, বিভিন্ন বিভাগত কৰ্মচাৰী under suspension ত আছে। এই suspension ৰ পিছত আমাৰ Fundamental Rule 54 মতে, Subsistence allowence কৰ্মচাৰী সকলক দিব লাগে। যাৰ আধাৰত প্ৰথম তিনিমাহলৈ শতকৰা ৫০ ভাগ আৰু তিনিমাহ অতিক্ৰম হোৱাৰ পাছত শতকৰা ৭৫ ভাগ Subsistence allowence কৰ্মচাৰী সকলক দিব লাগে। বিষয়টো হৈছে উপাধ্যক্ষ মহোদয়, Subsistence allowence এগৰাকী নিলম্বিত কৰ্মচাৰীয়ে পায় আৰু বহুত কৰ্মচাৰী দেখিছো ৭ বছৰ, ৮ বছৰ, ১০ বছৰ তেওঁলোকে শতকৰা ৭৫ ভাগ Subsistence allowence লয়।

আমি কিন্তু তেওঁলোকৰ পৰা চাৰ্ভিচটো নাপাওঁ। প্ৰধান কাৰণ হৈছে আমাৰ Departmental Proceedings খিনি সময়মতে সম্পূৰ্ণ কৰিব লাগে। Departmentally Proceedings খিনি সম্পূৰ্ণ কৰি বিভাগীয় তদন্তখিনি সম্পূৰ্ণ কৰি আমি দোষী কৰ্মচাৰীখিনিক termination বা penality ৰ ব্যৱস্থা কৰিব নোৱাৰো আৰু যিখিনি নিদোৰ্ষী কৰ্মচাৰী, তেওঁলোকে বিনা কাৰণত কেতিয়াবা কেতিয়াবা হাৰাশাস্তি পায়। উপাধ্যক্ষ মহোদয়, Fundamental Rule 54 ত Subsistance allowance দিয়াৰ প্ৰভিজন আছে। Fundamental Rule 54 আৰু এটা বিশেষ কথা লিখা আছে No payment under sub Rule one shall be made unless the Government servant furnish a certificate that he is not engage in any other employee business profession or vocation. অৰ্থাৎ যদি এগৰাকী কৰ্মচাৰী suspension ত যায়, তেওঁ Subsistence allowence পাব লাগিলে এখন undertaking দিব লাগে যে, তেওঁ এই নিলম্বিত সময়ত যাতে কোনো ধৰণৰ ব্যৱসায় নকৰে, কোনো বেলেগ চাকৰিত যোগদান নকৰে, কোনো ধৰণৰ কাৰিকৰী কামত জড়িত নাথাকে। কিন্তু বেছিভাগ কৰ্মচাৰীৰ ক্ষেত্ৰত দেখিছো, মোৰ কেবাগৰাকীও তেনেকুৱা কৰ্মচাৰীৰ লগত চিনাকি আছে, তেওঁলোকে Suspension ত যায় শতকৰা ৭৫ ভাগ Subsistance allowance লয় আৰু ভাল ভাল ব্যৱসায় কৰি তেওঁলোকে অত্যাধুনিক লাহবিলাহৰ জীৱন অতিবাহিত কৰিবলৈ সুবিধা পায়। ইয়াৰ প্ৰধান কাৰণটো হৈছে Suspension ৰ পিছত যিখিনি Departmentally Proceedings আমি ড্ৰ কৰিব লাগে তাৰ কোনো নিৰ্ধাৰিত নিয়ম আমাৰ Survice Rule ত নাই। Service penal clearly লিখা আছে, কেতিয়া Suspension ত যাব, Suspension যোৱাৰ কিমান দিনৰ ভিতৰত ন'টিচ ইছ্যু কৰিব, কিমান দিনৰ ভিতৰত ডি পি ষ্টাৰ্ট হ'ব, কিমান দিনৰ ভিতৰত ডি পি ক্লোজ কৰিব, মেনুৱেলত লিখা আছে, কিন্তু চাৰ্ভিচ ৰুলত নাই কাৰণে যিসকল বিষয়া Departmental Proceedings ড্ৰ কৰাৰ কাৰণে দায়িত্ব দিয়া হয় তেওঁলোকক নিৰ্ধাৰিত সময়ত Suspension ৰ যোৱা সময়খিনিৰ ওপৰত তদন্ত সম্পূৰ্ণ কৰিব নোৱাৰে, যাৰ কাৰণে হাজাৰ হাজাৰ কৰ্মচাৰীক আমি ৭৫ পাৰ্চেন্ট পৰ্য্যন্ত আমি Subsitiance Allowance দিও কিন্তু তেওলোকৰ পৰা আমি Service নাপাও। কেতিয়াবা Departmental Proceedings properly enquiry নোহোৱা বাবে reinstate হোৱাৰ পিছত দোষী সাব্যস্ত হ'লেও, penalty ৰ provision মতে পেনাল্টি পালেও, তেওঁলোকে সম্পূৰ্ণ দৰমহা এৰিয়াৰ হিচাপে আদায় লয়, যিটো প্ৰভিজনত নাই। কম বা বেছি পৰিমানে দোষী সাব্যস্ত হৈ পেনাল্টি পালেও আচলতে এৰিয়াৰ পাব নালাগে। কিন্তু বেছিভাগ ক্ষেত্ৰতেই তেওঁলোকে এৰিয়াৰখিনি Draw কৰা আমি দেখিছো। উপাধ্যক্ষ মহোদয় আজি এই বিষয়টো উত্থাপন কৰাৰ বিশেষ কাৰন আছে। মই মোৰ বৰক্ষেত্ৰী সমষ্টিৰ কথা যদি কওঁ - বিভিন্ন বিভাগত , শিক্ষা বিভাগতে হওঁক বা যিবিলাক Interior area ত যিবিলাক মানুহ চাকৰি কৰে তেওঁলোকে ডিউটীত যাব নিবিচাৰে। মই কিছুদিন আগতে দুটা মান ঘটনা প্ৰত্যক্ষ কৰিছো । আমাৰ DEO য়ে কৈছে ছাৰ , আমাৰ বহু কেইজন শিক্ষকে Duty নকৰে। তেওলোকে ৫৫০০০-৬০০০০ টকা দৰমহা পায় । তেওঁলোকে ১০০-২০০ টকা খৰছ কৰি ডিউটিত যাব লাগে - চৰ এৰিয়া আছে, ভিতৰুৱা এৰিয়া আছে। কিন্তু তেওলোকে তাত নাযায়। তেওলোকে ১০০ টকা হাজিৰা দি এজন শিক্ষক নিয়োগ কৰি থৈ দিয়ে । এতিয়া আমাৰ বিষয়াসকলে যদি তেওলোকক suspension কৰিলে তেন্তে তেওঁলোকে ভয় খোৱা বাদেই ভালেই পায়। চাচপেনশ্যনক তেওঁলোকে ভয় নকৰাৰ কাৰণ হৈছে যে ডিপাৰ্টমেন্টে

বিধিমতে Subsitiance Allowance দিয়াৰ ব্যৱস্থা কৰা নাই। কাৰন Subsitiance Allowanceটো যেতিয়ালৈকে undertaking দিব নোৱাৰে দিয়াৰ প্ৰভিজন নাই। দ্বিতীয়তে আজি Subsitiance Allowance টো পাবৰ কাৰনে তেওলোকে যিখিনি প্ৰক্ৰিয়া কৰিব লাগে কৰিব কিন্তু তাৰ ওপৰিও এজন মানুহ চাচপেনশ্যনত যোৱাৰ পিচত তেওঁক ডিউটিৰ পৰা বাৰণ কৰা হয় কিন্তু তেওঁ কাৰ্য্যালয়ৰ পৰা বাহিৰত থাকিব নোৱাৰে। আছলতে সেই প্ৰভিজনটো আমাৰ চাৰ্ভিছ ৰুলত প্ৰয়োজন আছে। তেও যদি Subsitiance Allowance টো পায় , reinstate ৰ পিচত তেও যদি সম্পূৰ্ণ দৰমহা পায়, তেন্তে সেই পিৰিয়ডটোত কাৰ্য্যালয়ত কিয় উপস্থিত নাথাকিব । উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। চাৰ্ভিছ্ ৰুলত যদি তেনেধৰণৰ mandatory clause ৰ প্ৰয়োজন থাকে , Service Rule amendment কৰি হ'লেও নিলম্বিত বিষয়াই suspension period Subsitiance Allowance draw কৰিবৰ কাৰনে যিখিনি বিধিগত নিয়ম আছে সেইখিনি পালন কৰিব লাগে আৰু দ্বিতীয়তে তেওঁ এই পিৰিয়ডটোত কোনো কাৰণতে তেওঁ আগতীয়কৈ permission নোলোৱাকৈ যাতে Head quarter Leave ল'ব নোৱাৰে আৰু তেওঁৰ attendence টো compulsory কৰিব লাগে কাৰ্য্যালয়ত , তেতিয়া তেওঁলোকে চাচপেনশ্যনক ভয় খাব আৰু চাচপেনশ্যনৰ পৰা তেওঁলোকে কিছু শংকাত থাকিব। উপাধ্যক্ষ মহোদয়, relevant rule কেইটাৰ কথা নক'লে কথাটো ক্লিয়াৰ নহ'ব। সেই কথাখিনি বেছি সময় নলৈ চমুকৈ কৈছো। উপাধ্যক্ষ মহোদয়, এতিয়া আমাৰ ডিপাৰ্টমেণ্টেল প্ৰচিডিঙটো কিয় সোনকালে শেষ নহয়, কাৰন প্ৰচিডিঙৰ কথা আমাৰ মেনুৱেলত যিখিনি কৈছে, এই মেনুৱেলমতে নিৰ্দ্ধাৰিত সময় ফিক্সড কৰা আছে। কিন্তু Service rule ত departmental proceeding ৰ কোনো provision নাই। এতিয়া আমাৰ যিসকল বিষয়াক departmental proceeding ৰ দায়িত্ব দিয়া হয় তেওঁলোকক যদি আমি দায়বদ্ধ নকৰো তেওলোকক যদি আমি নিৰ্দ্দিষ্ট টাইম ফ্ৰেম দি তেওলোকক responsibility fixed নকৰো তেতিয়া হ'লে আমি বছৰ বছৰ ধৰি এই চাচপেনশ্যন পিৰিয়ডটো এনেকৈ পেণ্ডিং থাকিব আৰু কৰ্মচাৰীসকলে চাচপেনশ্যনৰ সুবিধা লৈ চৰকাৰৰ পৰা দৰমহা লৈ তেওলোকে অন্যান্য ব্যৱসায় কৰাৰ এক সুবিধা আমাৰ আইনৰ সুৰঙাৰ জৰিয়তে ল'ব। এতিয়া বহু কৰ্মচাৰী ইচ্ছাকৃতভাবে চাচপেনশ্যনত যোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। চাচপেনশ্যন তেওলোকৰ বাবে পানিছমেন্ট নহয় তেওলোকৰ বাবে reward হৈছে। গতিকে উপাধ্যক্ষ মহোদয়, এই গুৰুত্বপূৰ্ণ বিষয়টোত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। তদন্তমূলক ব্যৱস্থা খৰতকীয়া কৰি বিভাগৰ অনুশাসনমূলক ব্যৱস্থাৰ মাধ্যমত অনাৰ কাৰনে চৰকাৰী ৫ লাখ কৰ্মচাৰী আজি অসমত আছে তেওলোকে যাতে এটা নিৰ্দিষ্ট নিয়মৰ মাধ্যমেৰে চৰকাৰী দৰমহা তেওঁলোকে লোৱাৰ বিনিময়ত আমি যাতে বাধ্যবাধকতাৰ মাজত আমি আনিব পাৰো তাৰ বাবে যদি প্ৰয়োজন হয় Service rule amendment কৰিব লাগে। আৰু তদন্তকাৰী বিষয়াক নিৰ্দিষ্ট time frame ৰ ভিতৰত তেওঁলোকক ডিপাৰ্টমেণ্টেল প্ৰচিডিঙ লোড কৰাৰ বাবে ইয়াতে নিয়ম আনিব লাগে । fundamental Rule ৰ অধীনত ৰুল ৫৪ত যেনেকৈ আমি চাবচিটেন্সিয়েল এলাউন্স দিও ঠিক তেনেকৈ কোনো চাচপেনশ্যনত যোৱা লোকে যদি ডিপাৰ্টমেণ্টেল প্ৰচিডিঙত co operate নকৰে তেন্তে Subsitiance Allowance ৫০ শতাংশ পৰ্য্যন্ত কমোৱাৰ প্ৰভিজন আছে। কিন্তু আমি সেই প্ৰভিজনবিলাক ব্যৱহাৰ কৰা নাই। তেওলোকক আমি pressure ত অনাৰ ব্যৱস্থা আমি কৰা নাই। গতিকে চৰকাৰে এইখিন গুৰুত্বসহকাৰে চিন্তা কৰিব লাগে। গতিকে উপাধ্যক্ষ

মহোদয় আপোনাৰ জৰিয়তে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো। নিশ্চযএই চাৰ্ভিছ ৰুলৰ এমেণ্ডমেণ্ডৰ জৰিয়তে আমাৰ এই কৰ্মচাৰীসকলক নিয়মানুবৰ্ত্তিতাৰ মাজত কাম কৰিবলৈ আমাৰ এটা সু ব্যৱস্থা চৰকাৰে ল'ব । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, - মাননীয় সদস্য নাৰায়ণ ডেকা ডাঙৰীয়াই যিটো বিষয়ৰ ওপৰত বক্তব্য ৰাখিছে এইটো বিষয়ত চৰকাৰে কথাখিনি গভীৰভাৱে আলোচনা কৰি কৰি আছে । সেই বিষয়ে চৰকাৰে চিন্তা কৰি আছে । গতিকে মই প্ৰথমে প্ৰশ্নটোৰ বেচিক কোৱেশ্যনৰ উত্তৰ দিব বিচাৰিছো। অসম চৰকাৰৰ সেৱা নিধি ১৯৬৪ মতে নিলম্বিত কৰ্মচাৰীৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত সময়ত বিভাগীয় তদন্ত সম্পূৰ্ণ কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰে। তেও এই ক্ষেত্ৰত উপাধ্যক্ষ ডাঙৰীয়া এই ক্ষেত্ৰত Assam Service Discipline and Appeals Rule 1964 এই আইনখনৰ ৬ নং ধাৰাৰ ১নং উপধাৰামতে কোনো এজন চৰকাৰী কৰ্মচাৰীক যেতিয়া নিলম্বন কৰা হয় উপধাৰা ৬ (১)ৰ এ বি চি নিয়মৰ অধীনত কৰ্মচাৰীজন নিলম্বিত কৰি বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। আনহাতে নিয়মৰ ৬ (২) ধাৰা মতে যদি এজন কৰ্মচাৰীক আৰক্ষীয়ে আটক কৰে আৰু আৰক্ষীয়ে যদি ৪৮ ঘন্টা যদি পুলিছ কাষ্টʼডিত তেওঁ যদি থাকে তেতিয়া হʼলে ৪৮ ঘন্টা অতিক্ৰম কৰাৰ পিচত সেই কৰ্মচাৰীজনক নিলম্বিত কৰাৰ কাৰণে বিভাগে ব্যৱস্থা গ্ৰহণ কৰে। প্ৰয়োজনমতে নিলম্বন কৰা বিষয়া বা কৰ্মচাৰীজনৰ বিৰুদ্ধে সেৱা বিধি ১৯৬৪ ৰ ৯ নম্বৰ ধাৰা আৰু নিয়ম অনুসৰি তদন্তৰ ব্যৱস্থা কৰা হয়। বিভাগীয় তদন্তত দোষী সাবস্ত হʼলে উক্ত সেৱা বিধিৰ ৭ নং নিয়মত সন্নিবিষ্ট শাস্তি প্ৰদান কৰা হয়। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ দৃষ্টিভঙ্গী হৈছে যে Departmental Proceedings এই বিষয়টো নিৰ্দ্দিষ্ট সন্নিবিষ্ট কৰা Manual খনত ২.৭.২ ত বৰ্ণনা কৰা মতে এজন নিলম্বিত কৰ্মচাৰীয়ে চৰকাৰৰ বিনা অনুমতিত তেওঁৰ কৰ্মস্থান এৰিব নোৱাৰে। সেই কাৰণে নিলম্বিত কৰ্মচাৰী জনে যি পদবীৰ স্থানৰ পৰা নিলম্বিত হয় সেই স্থানতে থাকিবলৈ বাধ্য হয়। গতিকে আমাৰ যিখন Manual আছে, সেই Manual খনত আমাৰ, শ্ৰীনাৰায়ণ ডেকা ডাঙৰীয়াই যেনেকৈ concern হৈছে যে এইটো অনিৰ্দ্দিষ্ট কালৰ কাৰণে কিছুমান চলি থকাৰ সহজ বুদ্ধি। অনিৰ্দ্দিষ্ট কালৰ কাৰণে চলি থকাটো ঠিক কথা নহয়। গতিকে Manual খনত যিহেতুকে ৩ মাহ ১৫ দিনৰ ভিতৰত তদন্ত শেষ কৰিব লাগে, যিজন বিষয়াই তদন্ত কৰিব। গতিকে as per the provision timely disposal of DP is their manual. গতিকে এই Manual ত যিহেতুকে এই কথাখিনি সম্পূৰ্ণৰূপে clearly কোৱা আছে যে ৩ মাহ ১৫ দিনৰ ভিতৰত যি জন বিষয়াই তদন্ত কৰিব তেওঁ তদন্ত শেষ কৰি তাৰ report submit কৰিব লাগে। গতিকে যিহেতু Manual ত এই কথাখিনি সন্নিবিষ্ট আছে সেইবাবে এইখন amendmentৰ প্ৰয়োজন নাই, কাৰণ এইটো specific আছে। উপাধ্যক্ষ ডাঙৰীয়া, মই এটা কথা কওঁ যে suspension is not a punishment. গতিকে suspensionটো punishment বুলি ধৰা নহয়। কিন্তু suspensionটো কিছুমান বিষয়াক বা কিছুমান কৰ্মচাৰীক কৰিব লগীয়া হয় কেতিয়া, যেতিয়া তেওঁলোকৰ negligence of duty হয়। যিটো duty তেওঁ আচলতে কৰিব লাগে, সেই dutyটো যদি তেওঁ ইচ্ছাকৃত ভাৱে নকৰে, তাৰ ফলত যদি ৰাইজৰ ক্ষতি হয়, হয়তো সেই ৰাইজৰ ক্ষতি হোৱাৰ কাৰণত, গতিকে for negligence of duty এজন বিষয়া বা কৰ্মচাৰীক suspen কৰা হয়। So, suspension is not a punishment. সেই কাৰণে আমাৰ চৰকাৰ এখন চলিবলৈ হলে কিছুমান discipline

আমি বিষয়া-কৰ্মচাৰীৰৰ ওপৰত ৰাখিব লাগিব। সেই নিয়ম মতে Personal Departmentত সেই যিটো ৬৪ ৰ Rule আছে, সেই Rule খনৰ কথা মই ইতিমধ্যে কৈছো আৰু আমাৰ ডেকা ডাঙৰীয়াৰ জ্ঞাতাৰ্থে মই জনাওঁ যে The Assam Services(discipline and Appeal) Rules, 1964 rules 6 ত এই কথাখিনি clearly কোৱা আছে যে Department Proceeding is also conducted as per provision of these Rules. Rule 9 deals with the procedure of conducting DP. The Procedure is as follows : কেনেকৈ Procedure লয়, on the basis of the allegations charges are framed against the Delinquent Officer.The Delinquent Officer is asked his defence statement on the basis of the charges. And he is also allowed to inspect the related documents if he wants গতিকে এইটো পুনৰ যিখিনি fundamental right এজন মানুহৰ থাকে, এজন citizenৰ থাকে কৰ্মচাৰী জনৰো সেই fundamental rightখিনি আছে, তেওঁ যদি চাব বিচাৰে মোৰ কি আছে, মোক কোনেনো কিয় suspension কৰা হ'ল ? কাৰণ নো কি, কিনো কথা আছে, কোনেনো কি allegation দিলে, ক'তনো মই গণ্ডগোল কি কৰিলো গতিকে He has got the right. গতিকে ইয়াত সেইটো fundamental right ত Indian Constition ৰ সেইটো provision আছে, গতিকে এইখনত কি আছে সেইটো বেলেগ কথা। ইয়াত যদি duty দেৰি হৈছে বা তেওঁৰ যদি proceedings দেৰি হৈছে, তেওঁ যদি সেইখিনি কাম ভালকৈ কৰিব পৰা নাই, গতিকে তেওঁৰ fundamental right এটা আছে যে He can move. গতিকে সেইটোৰ কাৰণে ইয়াত কোনো অসুবিধা নাই। On receipt of the defence statement the Disciplinary Authority examines it and decides about continuing the proceeding. If defence statement is not submitted proceeding is to be continued. The Disciplinary Authority may itself enquire into the charges that are not admitted or appoint a Board of Enquiry or an Inquiring Officer and a Presenting Officer to present the case in support of the charges. If the DO request, the Disciplinary Authority may allow Govt. servent to present his case before the Inquiring Authority. The Inquiring Authority will consider the documentary evidence, may take oral evidence, examine the DO and witness, allow cross-examination etc. and conclude the proceeding. After concluding the proceedings the Inquiring Authority shall submit the report of enquiry with all documents to the Disciplinary Authority. Then the Disciplinary Authority shall consider the record of enquiry and record its findings on each charge. If the Disciplinary Authority proposes to impose penalty, in every case where necessary, advice of the APSC shall be taken. Then the report of enquiry with the advice of APSC, where taken, is to be communicated to the DO asking him to submit representation, if any. On receipt of

the representation within the specified time, the Disciplinary Authority examines it and takes a decision on the penalty and passes the order. উপাধ্যক্ষ ডাঙৰীয়া, গতিকে আমাৰ এই যিখন ১৯৬৪ চনৰ যিখন The Assam Services(discipline and Appeal) Rules, 1964, এইটোত এইখিনি কথা স্পষ্টভাৱে আছে আৰু সেই কাৰণে মই আৰু Repeat কৰি দিছো যে suspension is not a punishment. গতিকে বিভাগীয় ভাৱে সকলো কথা ঠিক মতে চাবলৈ হ'লে, চৰকাৰে যাতে suffer নকৰে। Supose উপাধ্যক্ষ ডাঙৰীয়া, আজি বানপানী হৈছে ক'ৰবাত, যদি বানপানী হওঁতে তাৰ যদি Circle বিষয়াই বানপানীত কিমান মানুহৰ ক্ষতিগ্ৰস্ত হৈছে কি হৈছে কি হোৱা নাই সেই কথাখিনি যদি জিলা উপায়ুক্তক ৰিপোৰ্ট নকৰে আৰু জিলা উপায়ুক্তই কেনেকৈ জানিব তাত কিমান ৰেচন লাগিব কিমান কি লাগিব? তেতিয়া সেই বিষয়া জনক suspend কৰিবই লাগিব। নহ'লে বানপানীত কেনেকৈ চলিব? আজি আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বিনামূলীয়া শিক্ষা পুথি দিছে, ধৰি লওঁক বিনামূলীয়া শিক্ষা পুথি কিন্তু যদি DO জনে তেওঁৰ DO অফিচৰ পিছফালৰ ৰুমটোত সুমোৱাই থৈ দিয়ে, ছাত্ৰ-ছাত্ৰীয়ে নাপায়, তেতিয়া হ'লে তেওঁক suspend নকৰাৰ কোনো গত্যন্তৰ নাই, কৰিবই লাগিব। এতিয়া Inlend water transportৰ সেইদিনা জাহাজ আমাৰ এখন দূৰ্ঘটনা হৈছে, গতিকে তাৰ Executive Engineer আৰু যিকেইজন অফিচাৰ আছে, তেওঁলোকৰ গাফিলতি হৈছে। সেইকাৰণে গোটেই চাৰিজন অফিচাৰক suspend কৰি দিয়া হৈছে। গতিকে এই suspend টো আচলতে কোনো punishment নহয়। Suspend এনেকৈ কৰাত কৰি কিছু পৰিমাণে Disciplin maintain কৰা হয় আৰু মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে আমাৰ proceeding দেৰি হয়, এইটো, সেইটো, এইটো Manual খনত স্পষ্টভাৱে দিয়া আছে যে ৩ মাহ ১৫ দিনৰ ভিতৰত এই proceeding খিনি সম্পূৰ্ণ হ'ব লাগে আৰু যদি নহয় তেওঁৰ fundamental rights আছে as per the provision of Indian Constitution আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই জানে তেখেত Lawer. So, as per fundamental rights he can move to the court also. ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীনাৰায়ণ ডেকা ঃ** উপাধ্যক্ষ মহোদয়, মোৰ অকমান কব লগীয়া আছে। কথাটো clear নহ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** নাই নালাগে, সময় নাই please.

**শ্ৰীনাৰায়ণ ডেকা ঃ** উপাধ্যক্ষ মহোদয়, যিখিনি কথা কৈছে সেইখিনি Ruleত আছে, মইও পাইছো আৰু সকলোৱে জানে। কিন্তু মোৰ কথাটো হ'ল কিমান জন Enquiry Officer য়ে সেই Ruleখিনি maintain কৰি তেওঁ যিখিনি time frameৰ ভিতৰত DP closed কৰিছে সেইটো শতাংশত যদি চাওঁ একেবাৰে negligable. সেইকাৰণে উপাধ্যক্ষ মহোদয়, মই কৈছো যে এইটো Duty Officer bound হ'ব লাগে যে তেওঁ নিৰ্দ্ধাৰিত সময়ত আমাৰ DP closed কৰিব লাগে, DP শেষ কৰিব লাগে, যাতে Suspentionটো যেনেকৈ মন্ত্ৰী মহোদয়ে কৈছে Suspentionটো এটা punishment নহয়, কিন্তু punishment টো reward ও হ'ব নালাগে। যে এজন বিষয়াই Suspentionৰ সুবিধা লৈ যাতে তেওঁ বছৰ বছৰ ধৰি subsidy allowance পাব, আমি তেওঁৰ পৰা সেৱা নাপাম, ৰাইজৰ এইটোৰ কাৰণে দুটা lost হৈছে, এক নম্বৰত আমি চাৰ্ভিছৰ পৰা deprive হৈছো আৰু আমাৰ চৰকাৰী ধন তেওঁলোকে বিনা চাৰ্ভিছত ৰাইজৰ ধন লাভ কৰে।

**माननीय উপাধ্যক্ষ ঃ** হ'ব, হ'ব। Thank you. তেখেতে কৈছে আৰু নালাগে। এতিয়া মাননীয় আমাৰ সদস্য ৰাজদ্বীপ গোৱালা তেখেতক বিষয়টো উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**রাজদীপ গোয়ালা ঃ**- মাননীয় উপাধ্যক্ষ মহোদয়, প্রথমেই আপনাকে আমি ধন্যবাদ জানাচ্ছি under rule 301 এই গুরুত্বপূর্ণ বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য। বিষয়টি হল বরাক এবং ব্রহ্মপুত্র উপত্যকার চা শ্রমিকের মজুবি.। বিগত 3rd july 2018-এ লেবার ডিপার্টমেন্ট থেকে একটি নোটিফিকেশন জারি করা হয়েছিল যে, যতদিন পর্যন্ত minimum wage লাঘু হয় না, till that time ,till finalisation of revised minimum wage ৩০ টাকা করে প্রত্যেকদিন চা-শ্রমিকদের মজুরি বৃদ্ধি হবে বরাক এবং ব্রহ্মপুত্র উপত্যকায়। তারপর ৭ জুলাই 'দৈনিক যুগশঙ্খ' পত্রিকাতে প্রকাশিত হল 'একই হারে বৃদ্ধি হচ্ছে বরাক এবং ব্রহ্মপুত্রে চা-শ্রমিকদের মজুরি'। খবরটা শুনে খুবই ভাল লাগল। নিউজটা এমনই মনে হল যে বরাক এবং ব্রহ্ম পুত্রে চা-শ্রমিকদের মজুরি এক হয়ে যাচ্ছে। কিন্তু আমরা দেখতে পাচ্ছি বিগত দিনে মজুরির তফাৎ ছিল ২২ টাকা। ২২ টাকার একটা ব্যবধান ছিল-- বরাকে ১১৫ টাকা ও ব্রহ্মপুত্রে ১৩৭ টাকা। এই ইন্টেরিম রিলিফের পরেও কিন্তু এই ডিফারেন্সটি থেকে যাবে। যদি ৩০ টাকা বৃদ্ধি হয় তবে ১৪৫ টাকা হবে বরাকে এবং ব্রহ্মপুত্রে ১৬৭ হবে। কিন্তু এই নোটিফিকেশন জারি করার পরেও আজ অক্টোবর মাস, কিন্তু এই ইন্টেরিম এগ্রিমেন্ট চা শ্রমিকরা এখনও পায়নি। এই নোটিফিকেশনে অনেক কথা আছে যা অনেকেই জানে না। বিভিন্ন সময় আমাদের বরাকের চা শ্রমিকরা আমাকে, হয়তো আপানাকেও --যেহেতু আপনিও চা জনগোষ্ঠী ইউনিয়নের সাথে জড়িত, আপনার বিধানসভা সমষ্টিতে অনেক চা বাগান আছে, হয়তো আপনিও এই কথাগুলি শুনেছেন। আমরা দেখতে পাচ্ছি লাঘু কেন হচ্ছে না? ব্রহ্মপুত্র উপত্যকার কয়েকটি বাগানে এই ইনক্রিমেন্টটি হয়েছে। কিন্তু বরাকে এখনও হয়নি। যদি হয়নি, সরকারের নোটিফিকেশনের পরেও যদি লাঘু হয়না তবে সরকার এই বিষয়ে কি পদক্ষেপ নিয়েছে। আমার জানামতে, বরাকে এই বিষয় নিয়ে কোন মিটিংও হয়নি। লেবার ডিপার্টমেন্ট থেকে কোন ইনিসিয়েটিভ নেওয়া হয়নি। এটা কবে থেকে লাঘু হবে এটাই মূল প্রশ্ন। আজ পর্যন্ত নোটিফিকেশন হওয়ার পরও যদি লাঘু হয়নি তবে আগামী কতদিনের ভিতরে এই হাজিরা লাঘু হবে। এর সাথে আমি আপনাকে আরও একটা কথা জানাতে চাই এই ইন্টেরিম রিলিফটি দেওয়া হয়েছে retrospective effect from 1st March 2018 এবং by literal agreement হয়েছিল বিগত দিনে ইউনিয়ন এবং সিসিপিএ র সঙ্গে। এইটাতে 31st december 2017 এর মেয়াদ পুরো হয়ে গেছে। নিয়মে নতুন হাজিরা জানুয়ারি থেকে লাঘু হওয়ার কথা। কিন্তু এখানে দুমাস থেকে শ্রমিকরা হাজিরা থেকে বঞ্চিত। ২ মাসের হাজিরা বাকি। বরাকে ১লাখের উপরে শ্রমিক আছেন পার্মানেন্ট এবং কেজুয়েল মিলে। তাই ১৫ কোটির উপরে টাকা ওরা পাবেনা, যা শ্রমিক দের পাওয়ার কথা। এবং পুরো অসমে যদি দেখি তাহলে দেখব ৩০০ কোটিরও বেশি শ্রমিকের পাওনা ওনারা পাবে না, যদি ওদের জানুয়ারি থেকে বৃদ্ধি করা না হয়। এই নোটিফিকেশনে আরেকটি কথা স্পষ্ট হয়নি যেটা হল মার্চ থেকে যদি retrospective effect দিয়েছেন, কিন্তু মার্চ থেকে এখন পর্যন্ত যে এরিয়ার ডিউজ রয়েছে, সেই এরিয়ার ডিউজ কবে পাবে শ্রমিকরা। তারও কোন নির্ধারিত সময়সীমা নেই। এই প্রশ্নগুলো বার বার আমরা যারা জনপ্রতিনিধিরা আছি, বাগান অঞ্চল থেকে ওরা আমাদেরকে প্রশ্ন করছে কিন্তু আমরা উত্তর দিতে পারছি না। এই এরিয়ার ডিউজ, বরাকে তো এখন পর্যন্ত ইনক্রমেন্ট হয়নি। এরিয়ার ডিউস জমছে। কিন্তু যখন লাঘু হবে ওরা এরিয়ার ডিউস কবে পাবে? কোনও নির্ধারিত সময়সীমা নেই এবং নির্ধরিত সময়সীমা না

থাকার জন্য more than 1000 crores পাওনা শ্রমিকরা পাবেন না। আমি এই বিষয়টি উত্থাপন করছি সরকা রকে একটি নির্দিষ্ট সময়সীমা দিতে হবে যে কবে শ্রমিকরা তাদের এরিয়ার পাবে। এবং বিশেষ করে বরাকে কবে থেকে এই ইনক্রিমেন্ট লাঘু হবে এটা আমরা জানতে চাই । আমি আরেকটি কথা আপনাদের সামনে রাখতে চাই এটি সি টি গার্ডেন যেটা সরকারেরই নিজের চা বাগিচা। এই চা বাগিচাতেও ইনক্রিমেন্টটি হয়নি। এবং ব্রহ্মপুত্র উপত্যকাতে এটি সি গার্ডেনে ১১৫ টাকা হাজিরা দেওয়া হয়েছে কিন্তু বরাক উপত্যকাতে এখনও ৯৫ টাকা করে হাজিরা শ্রমিকরা পাচ্ছেন। এবং ওরা বঞ্চিত হচ্ছেন। আমি বলব কেন সরকার বরাক ও ব্রহ্মপুত্র উপত্যকাতে এই দুধরনের নীতি শুরু করেছেন? দুধরনের হাজিরা দিচ্ছেন, কেন এক করছেন না? এটিসি গার্ডেন করিমগঞ্জে তিনটি আছে। লঙ্গাই, ইঁচাবিল এবং বিদ্যানগর বাগানে এখনও ওরা ফ্রি বেনিফিট রেশন এবং মেডিকেল বেনিফিট থেকে বঞ্চিত হচ্ছেন। আমি এই বিষয়টি উত্থাপন করছি এবং সরকারের কাছে আমার অনুরোধ, আপনারা মেনেজমেন্টকে এই পাওনাটি দিতে দেরি করাচ্ছেন বলে ওদের ইন্টারেস্ট সেভ হচ্ছে। অনেক টাকার ইন্টারেস্ট ওরা সেভ করছে। আপনারা যদি টি ইণ্ডাস্ট্রিকে সাহায্য কৰতে চান আমার কোন আপত্তি নেই। আমি বলব আপনারা বিভিন্ন অন্যান্য ধরনের সাবসিডি দিয়ে বা অন্যান্য সুযোগ দিয়ে টি ইণ্ডাস্ট্রিকে সাহায্য করেন। It is a labour base industry। লক্ষ লক্ষ মানুষ এবং কোটি কোটি এই টি ইণ্ডাস্ট্রির উপর ডিপেনডেন্ট আছেন। আপনারা অন্য সুযোগে ওদেরকে সাহায্য করেন, কোনও আপত্তি নেই। কোনও শ্রমিককে বঞ্চিত করে আপনারা মেনেজমেন্টকে সাহায্য করবেন না। এই অনুরোধটি আপনাদের কাছে রাখছি এবং শেযে আমি এটাই বলব কবে থেকে লাঘু হবে এই ডেটটা যদি আমরা জানি এবং এরিয়ার ডিউস কবে পাবে এটা যদি আপনারা বলে দেন আমার মনে হয় খুব ভালো হবে।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী পল্লৱলোচন দাস (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নিয়ম অনুসৰি সন্মানীয় সদস্য শ্ৰী ৰাজদ্বীপ গোৱালা ডাঙৰীয়াই তেখেতে বৰাকত চাহ-শ্ৰমিকৰ যিটো মজুৰি সেইটো একে সমান কেনেকৈ কৰিব পৰা যায় মজুৰি সম্পৰ্কীয় বিষয়খিনি উত্থাপন কৰিলে আৰু মই মাননীয় উপাধ্যক্ষ মহোদয়, নিশ্চিত ভাৱে এইটো সদনৰ বাবে খুৱ ভাল কথা। যে চাহ বাগিচাৰ শ্ৰমিকৰ মজুৰি সম্পৰ্কে আমাৰ এই বিধান সভাত ইমান বিসদভাৱে আলোচনা হৈছে আৰু শ্ৰী ৰাজদ্বীপ গোৱালা ডাঙৰীয়াইও কথাখিনি খুব ভালকৈ কৈছে। মই এই বিষয়খিনি আজি যিটো বিধান সভাৰ পৰম্পৰা আৰম্ভ হৈছে, এই পৰম্পৰা যদি ২০/২৫ বা ৫০ বছৰ আগতে আৰম্ভ হ'লহেতেন আজি অন্ততো এই ব্যৱস্থা বিলাক এনেকুৱা নাথাকিলে হেতেন। ইয়াৰ ইতিহাসটো চাব লাগিব, এই যে বৰাক, ব্ৰহ্মপুত্ৰৰ মজুৰি দুটা যে বেলেগ বেলেগ হ'ল কি Basis ত । ইয়াৰ কাৰণ কি ? ইয়াৰ Basis হ'ল যে ইয়াৰ wage agreement টো হৈছিলে wage agreement কি Basis ত হ'ল চাৰ। wage agreement এই কাৰণে হ'ল যে Productivity ৰ ওপৰত wage agreement হ'ল। এজন শ্ৰমিক তেওঁ Profit আৰু Loss ৰ Share holder নহয়। তেওঁটো কোনো Production ৰ লগত জড়িত নহয়। তেওঁ Minimum wage পাব লাগে এইটো Simple কথা কিন্তু আজি যদি আমাৰ চৰকাৰ অহাৰ পিছত মই গোটেই Labour Deptt. ৰ Documents ত চালো। কোনো এখন চৰকাৰে চাহ বাগিচাৰ শ্ৰমিকৰ Wage টো কেতিয়াও চৰকাৰী আওঁতাত নাহিলে। অসম চাহ মজদুৰ সংঘক জাপি দিয়া গ'ল আৰু বৰাকত বৰাক চাহ শ্ৰমিক union ক জাপি দিয়া হ'ল। তেওঁলোকক Free

hand দিয়া গ'ল যে যি ইচ্ছা আপোনালোকে শ্রমিকক কৰিব পাৰে আপোনালোকে কৰক। তেওঁলোকে Productivity ৰ ভিতৰত বেলেগ বৰাকত এটা Rate fix কৰি দিলে। ব্রহ্মপুত্রত এটা বেলেগ Rate fix কৰি দিলে Basis কি আছিলে যে Production কম হয়, সেই কাৰণে Wage টো বেলেগ বেলেগ হব। আৰু সকলো Difference কৰি দিলে, আৰু Difference কৰি কৰি আজিলৈকে Labour Deptt. ৰ হাততো তথ্য নাই যে এই Wage টো কি Basis ত কৰিলে What is the Basis কি Basis ত এই Negotiation হ'ল। এই Negotiation ৰ Copy টো Labour Deptt. ত ইমান দিনে কোনো union য়ে জমা কৰাৰো তেওঁলোকে আগ্রহ নকৰিলে। এই নিগোচিশ্যনৰ প্রতিলিপিটোও আজিলৈ কোনো ইউনিয়নে জমা কৰাৰ আগ্রহ নকৰিলে আৰু বিভাগেও কোনোদিন এই ইউনিয়ন কেইটাক নুশুধিলে যে আপোনালোকে যি মজুৰি নিৰ্দ্ধাৰণ কৰিলে, সেইটো কি ভিত্তিত কৰিলে? আইন মতে কৰিলেনে নাই? নূন্যতম মজুৰি মতে কৰিলেনে নাই? এতিয়া বৰাক চাহ শ্রমিক ইউনিয়নৰ লগত ৰাজদ্বীপ ডাওৰীয়াই চাগে পৰোক্ষভাবে জড়িত, প্রত্যক্ষ ভাবে জড়িত হয়নে নহয় মই নাজানো। চাৰ, এই মজুৰিৰ আন্তঃগাথনিটো আজি ইমান দিনৰ পৰা দুটা ভাগত ভাগ হৈ আছে। আমি প্রথম বাৰৰ বাবে পোন্ধৰ ডিচেম্বৰত নূন্যতম মজুৰিৰ সভা আহ্বান কৰিলো। অধ্যক্ষ মহোদয় যোৱা চৰকাৰৰ দিনত যদি নূন্যতম মজুৰি নিৰ্দ্ধাৰণ কৰিছিল সেইটো ন্যায়ালত বিচাৰাধীন হৈ আছে, সেইটোৰ কোনো এটা অৰ্ডাৰ কাৰ্য্যকৰি নহ'ল। সেই কাৰণে মই কৈছো বিধান সভাই কিয় এই বিষয়টো ইমান দিনে আলোচনা নকৰিলে - এই কথাটো কোনোৱেই নানিলে। মাননীয় অধ্যক্ষ মহোদয়, আমি প্রথম বাৰৰ বাবে সভা পাতি তেওঁলোকক ক'লো যে নূন্যতম মজুৰি সম্পৰ্কত যি নিয়ম আছে সেই মতে মজুৰি নিৰ্দ্ধাৰণ কৰিব লাগিব। প্রথম সভা হৈ গ'ল কিন্তু কোনো সিদ্ধান্ত ন'হল। আমি ক'লো যে মিলামিচা কৰি কওঁক কিমান হ'ব লাগে, তাত কিন্তু এইটো নহ'ল। আইন মতে, যিদিনা নূন্যতম মজুলি নিৰ্দ্ধাৰণ কৰা হ'ব সেইদিনাৰ পৰা কাৰ্য্যকৰি কৰা হ'ব, আগৰ পৰা বকেয়া দিয়া নিয়ম নাই। আমি কেউটা সংগঠনকে ক'লো যে আপোনালোকে মিলামিচা কৰি মজুৰিটো নিৰ্দ্ধাৰণ কৰি চৰকাৰক জনাই দিয়ক যদি নূন্যতম মজুৰিৰ নিয়ম মতে যদি হয় চৰকাৰে সংশোধন কৰি দিম। তেওঁলোকে নকৰিলে, দুটা সংস্থাই নকৰিলে। যেতিয়া আমি মাৰ্চ মাহত সভা পাতিলো তেতিয়া চৰকাৰে নূন্যতম মজুৰিৰ নিয়ম মতে ড° একউয়েৰ্থৰ যিটো ফৰমূলা আছে সেই মতে ফিক্স কৰি দিলো। তেতিয়া আমি ক'লো যে ৩৫১.৩৩ টকা নূন্যতম মজুৰি হ'ব লাগে তাত কেছ আৰু কাইণ্ড থাকে। তেতিয়া তাত শ্রমিক সংগঠনে আপত্তি কৰিলে আৰু আমি ক'লো আমি যিটো দিছো তাত যদি আপোনালোকৰ কিবা আপত্তি আছে আপোনালোকে আপত্তি দাখিল কৰক। যেতিয়া আমি আপত্তিৰ কথাটো ক'লো তেওঁলোকে এটা আইনগত আপত্তি দাখিল কৰিলে কিয় তেওঁলোকে ৩৫১.৩৩ টকা নামানে, কেছ আৰু কাইণ্ডকলৈ তেওঁলোকৰ বিভিন্ন অভিযোগ দেখালে। তাৰ পিছত আমি আকৌ সংগঠনৰ লগতে সকলো পক্ষৰ লগত মিটিং কৰিলো তাতো সকলোৱে আলোচনা কৰি কোনো সিদ্ধান্ত কৰিব পৰা নগ'ল। সিদ্ধান্ত যেতিয়া নাহিল, তেতিয়া সিদ্ধান্ত কৰা হ'ল যে নূন্যতম মজুৰি নিৰ্দ্ধাৰণৰ বাবে আৰু আমাক অলপ সময় লাগিব তেওঁলোকে আৰু টাইম বিচাৰিলে। অধ্যক্ষ মহোদয়, যদি চৰকাৰে যোৰ কৰি মজুৰিটো নিৰ্দ্ধাৰণ কৰি দিও তেতিয়া আকৌ বিষয়টো ন্যায়ালয়লৈ গুছি যাব। সেই মিটিং সকলোৱেই ক'লে যে যেতিয়ালৈকে নূন্যতম মজুৰিটো নিৰ্দ্ধাৰণ নহয় তেতিয়ালৈকে interim ৰিলিভ দিব লাগে। তেওঁলোকে কলে যে চৰকাৰে যিমান পাৰে এটা নূন্যতম নিৰিখ কৰি দিব লাগে। তেতিয়া আমি ত্রিশ টকা interim দিয়াৰ কথা ক'লো তেতিয়া তেওঁলোকে ক'লে যে এই টকাটো

জানুৱাৰীৰ পৰা দিব লাগে। যিহেতু এইটো নূন্যতম  মজুৰি নহয় interim হে। যেতিয়া বকেয়াৰ কথাটো আহিল তেতিয়া চাহবাগান পৰিচালনা সংস্থাই  ক'লে যে আমি বেলেনচিট ইতিমধ্যে দি দিছো গতিকে এপ্ৰিলৰ পৰা হ'ব লাগে। সেইটো যুক্তি তৰ্ক হ'ল তেতিয়া শ্ৰমিক ইউনিয়নে সহমত প্ৰকাশ কৰি ক'লে যে আমি কিছু এৰিছো আৰু মালিকসকলেও কিছু এৰক  এইটো মাৰ্চ মাহৰ এক তাৰিখৰ  পৰা  ধৰিব লাগে। তেওঁলোকে ক'লে যে দুমাহ আমি এৰি দিব পাৰো আৰু নোৱাৰো - এইটো সকলোৱে মিলি সিদ্ধান্ত লৈছিল। কিন্তু পিছত বাতৰি কাকত আহিল যে মন্ত্ৰীয়ে এইটো কৰিলে। এইটো মন্ত্ৰীৰ সিদ্ধান্ত নাছিল। মাননীয় অধ্যক্ষ মহোদয় বৰাকৰ যিটো কথা কৈছে - বৰাকৰ বাবে ত্ৰিশ টকা ইন্টিৰিম কৰিছো, ৩৫১.৩৩ টকা নূন্যতম মজুৰি কৰিছো। যিয়ে এই নিয়ম নামানিব তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এতিয়া কৈছে যে বৰাকত এইটো দিয়া নাই। অধ্যক্ষ মহোদয় বিগত পঞ্চাশ বছৰ ধৰি এটা মানসিকতা আছে যে  ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিচিনা আমি মজুনি নিদিও। সেইকাৰেণ তেওঁলোকে সেইটো মজুৰি দিব বিচৰা নাই। আমি চৰকাৰৰ পৰা ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে চৈধ্যখন বাগিছাৰ বিৰুদ্ধে আমি আইনী ব্যৱস্থা গ্ৰহণ কথা ভাবিছো। যদি কোনোবাই আইন মতে নূন্যতম মজুৰি প্ৰয়োগ নকৰে তেতিয়া হ'লে আমি ব্যৱস্থা ল'ম। অসম টি ক'পৰেশন সম্পৰ্কত যিটো কথা কৈছে - সেইটো মাননীয় উচ্চতম ন্যায়ালয়ে বিষয়টো চাই আছে। তেখেতসকলকো আমি নূন্যতম মজুৰি দিবলৈ কৈছো। এই ক্ষেত্ৰত মই উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ লগতো কথা পাতিছো তেওঁলোকে দিব। গোটেই বিষয়টোৰ ক্ষেত্ৰত যিসকলে দিছে তেওঁলোকক আমি আদৰণি জনাইছো আৰু যিসকলে দিয়া তেওঁলোকৰ ওপৰত আমি ব্যৱস্থা গ্ৰহণ কৰিম। শ্ৰমিক সংগঠনে আমাক সহায়  কৰিব লাগে, আমাক জনাব লাগে কোন কোন চাহ বাগিছাই দিয়া নাই। তেতিয়া আমি বিভাগৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিম। আমাৰ চৰকাৰে প্ৰথমবাৰ এটা সদিচ্ছা দেখুৱাইছে বৰাক আৰু ব্ৰহ্মপুত্ৰৰ শ্ৰমিকসকলৰ মজুৰি একে কৰাৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰাজদ্বীপ গোৱালা ঃ** Sir I wanted to know only two things. Interim relief কবে লাগবে বৰাকে ? 2nd is the arrear Amount which is amounting to almost one thousand corer. When will the labours get that amount? Is its' possible?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া এইটো আপুনি চাব।

**শ্ৰীপল্লৱ লোচন দাস (মন্ত্ৰী) ঃ** আমি কৈছো যে যিটো নূন্যতম মজুৰিটো যিয়ে নিদিয়ে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সেইটো জুলাইৰ পৰা নূন্যতম মজুৰি দিব লাগিব। যিখিনি বকেয়া টকা আছে সেইখিনিৰ ক্ষেত্ৰত সেই সভাতে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে আমি শ্ৰমিক সংগঠনৰ লগত বহি ঠিক কৰি ল'ম। আমি অতিৰিক্ত মুখ্য সচিব সঞ্জয় কৃষ্ণ ডাঙৰীয়াকলৈ এখন এজনীয়া সমিতি গঠন কৰি দিছো তেখেতে সকলো পক্ষৰ লগত কথা পাতিছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আপোনালোকে বিষয়টো চৰকাৰ দৃষ্টিগোচৰ কৰিলে আৰু এই বিষয়টোৰ ক্ষেত্ৰত চৰকাৰ যথেষ্ট সক্ৰিয়। চৰকাৰে বিষয়টোৰ ক্ষেত্ৰত কিবা এটা  ব্যৱস্থা গ্ৰহণ কৰিব। এতিয়া I will like to request, Shri Rajdeep Goala, Chariman of Committee on Public Accounts to present the 150th , 151st and 152nd Reports of the Committee on Public Accounts.

**শ্ৰীৰাজদ্বীপ গোৱালা ঃ** Hon'bel Sperkar Sir, I, bag to present the 150th , 151st and 152nd Reports of the Committee on Public Accounts.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Now Shri Binanda Kumar Saikia, Chariman, Committee on Local Fund Account, Assam Legislative Assembly to present the First and Second Report of the Committee.

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ Hon'bel Sperkar Sir, I, bag to present the First and Second Report of the Committee on Local Fund Account, Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Now Smti Roselina Tirkey, Chairperson, Committee on Welfare of Women and Children to present the Fifth Report of the Committee on Welfare of Women and Children, Assam LegislativeAssembly.

**শ্ৰীমতী ৰোজলিনা তিৰ্কি ঃ** Hon'bel Sperkar Sir, I, bag to present the Fifth Report of the Committee on Welfare of Women and Children, Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Now "The Assam Taxation (on Specified Lands) (Amendment) Bill, 2018" খন বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ ৰাজ ভৱনৰ পৰা ৰাজ্যপাল মহোদয়ে ২০১৮ চনৰ ২৫ চেপ্টেম্বৰ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো - "Under the provision of Article 207 sub-clause 3 of the Constitution of India, I, Professor Jagadish Mukhi, Governor of Assam, recommend that 'The Assam Taxation (on Specified Lands) (Amendment) Bill, 2018' be taken into consideration by the Assam Legislative Assembly.'' মই মাননীয় বিত্ত মন্ত্ৰীক বিলখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্ত মন্ত্ৰী) ঃ** Hon'ble Speaker Sir, 'The Assam Taxation (on Specified Lands) (Amendment) Bill, 2018' বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিব বিছাৰিছো- 'The Assam Taxation (on Specified Lands) (Amendment) Bill, 2018'' be taken into consideration. যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হৈছে।

এতিয়া বিধেয়ক খনৰ ২ নম্বৰ দফাটোত সংশোধনী কোনো প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২ নম্বৰ দফাটো সদনৰ মজিয়াত উৎথাপন কৰিলো। এতিয়া ২ নম্বৰ দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক **'হয়'** আৰু যি সকলে বিপক্ষে আছে কওঁক **'নহয়'**।

মই ভাৱো **'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,** ২ নম্বৰ দফাটো বিধেয়ক খনৰ অংশ হৈছে। বিধেয়ক খনৰ ৩ নং দফাত মাননীয় সদস্য হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সদস্য সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছে, মই আহমেদ ডাঙৰীয়াক তেখেত সকলৰ **'সংশোধনী প্ৰস্তাৱ'** টো উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** Hon'ble Speaker Sir, I beg to move that the Clause - III আৰু Clause - IV of the proposed Bill shall be deleted and original provisions shall be ratained. ইয়াত যিটো amendment অনা হৈছে, আমি তাত দেখিবলৈ পাইছো original Principle Act ৰ 6 A আৰু 6 B ৰ যিটো delete কৰিব বিচৰা হৈছে আৰু ইয়াত যিটো কাৰণ ৰাজ্য চৰকাৰে দেখুৱাইছে 40 হেক্টৰতকৈ কম Tea Garden ৰ মাটিৰ যি সকল মালিক তেখেত সকলে 10 paise per Kg. কৈ only for Green Tea Leaves ৰ বাবদ Tax pay কৰিব লাগে। আচলতে all kinds of Tea Leaves বোৰো ইয়াৰ ভিতৰত সামৰি লব লাগে আৰু এনেদৰে amendment টো আনিলে ভাল হব যাতে 40 হেক্টৰৰ তলৰ খিনিয়েওঁ সকাহ লাভ কৰে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই কব।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, গডকাপ্তানী, বিত্ত ইত্যাদি ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াত আগৰ যিখন **"The Assam Taxation (on Specified Land) (Amendment) Bill"** আছে, সেইখনৰ সম্পৰ্কত কৈছিলো যে যিসকল ক্ষুদ্ৰ চাহ খেতিয়কে Green Tea Leaves ৰ ওপৰত কৰ পৰিশোধ কৰি আছে, সেইটো আমি তিনি বছৰৰ ভিতৰত নোহোৱা কৰিম অৰ্থাৎ তিনি বছৰৰ ভিতৰত কৰৰ পৰিমাণ শূন্যলৈকে আনিম। গতিকে প্ৰথম বছৰ যিটো চল্লিশ পইছা আছিল তাত আমি পোন্ধৰ পইছা কমালো, তাৰ পিছৰ বছৰ অৰ্থাৎ যোৱা বছৰ সদনৰ অনুমতি লৈ পুনৰ পোন্ধৰ পইছা কমালো আৰু আজি আমি অৱশিষ্ট যি দহ পইছা আছিল সেইটোও কমাই শূন্য কৰিব বিচাৰিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ** "Point of Order" .

**মাননীয় অধ্যক্ষ ঃ আপুনি যেতিয়াই তেতিয়াই** "Point of Order" আনি নাথাকিব। মন্ত্ৰীৰ বক্তব্যৰ পিছত আপোনাৰ বক্তব্য ৰাখিব। এতিয়া আপুনি বহক। মন্ত্ৰী ডাঙৰীয়া আপুনি Continue কৰক।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, গডকাপ্তানী, বিত্ত ইত্যাদি ঃ** আগতে আমি চল্লিশ পইছা Green Tea Leave ৰ বাবদ Tax pay কৰিব লাগিছিল আৰু irrespective of the holdings (চল্লিশ একৰৰ কম হওঁক বা বেছি হওঁক)। ইয়াৰ পাছত আমি প্ৰথম বছৰতেই amendment আনি পোন্ধৰ পইছা সদনৰ অনুমতি সপক্ষে কমোৱা হল। এতিয়া তিনি বছৰীয়া ব্যৱস্থাৰ শেষ বছৰটোত সদনৰ অনুমতি সপেক্ষে বাকী থকা দহ পইছাটোও নোহোৱা হৈ যাব। তাৰ ফলত ক্ষুদ্ৰ খেতিয়ক যাৰ চল্লিশ হেক্টৰকৈ কম মাটি আছে তেখেত সকলে চৰকাৰক আৰু এক পইছাওঁ কৰৰ বাবদ দিব নালাগিব আৰু এই amendment টোৰ ফলত Specified Land যিটো আমি Tea Sage বুলি কওঁ সেইটো আজিৰ পৰা ক্ষুদ্ৰ খেতিয়কৰ বাবে শূন্য হব, যেতিয়া শূন্য হব তেতিয়া শূন্যৰ ওপৰতটো T.D.S. ধাৰ্য্য কৰিব নোৱাৰিব। সেই কাৰণে 6 A আৰু 6 B টো আমি নোহোৱা কৰিব কৈছো, যিহেতুকে শূন্য কৰ হলে তাৰ ওপৰত কোনো কৰ প্ৰযোজ্য নহব। তেতিয়া Tax decuction at source ৰ প্ৰয়োজন নাই। সেই কাৰণে সদনে যদি 2 টো Pass কৰে 6

A আৰু 6 B Clause টো automatically Pass হব। যদি 2 টো ৰাখি Pass নকৰে, তেতিয়াহলে 6 A আৰু 6 B টো লাগিব। যদি 2 টো Pass কৰে, তেতিয়া 6 A আৰু 6 B has to go. গতিকে এইটোৰেই গোটেই সংশোধনী।

সদনে জানি ভাল পাব যে - ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ এটা বহুদিনীয়া অভিযোগ আছিল যে - আমি মাত্ৰ চল্লিশ একৰৰ তলৰ ঘৰত শিল্পকৰ্মটো কৰো আৰু এই উদ্যোগৰ জড়িয়তে আমি কৰ্মসংস্থাপন দিওঁ, তেনেস্থলত চৰকাৰে আমাৰ সামান্য অংশ চাহপাতৰ ওপৰতো কৰ প্ৰযোজ্য কৰিছে। তেতিয়া আমি যি ধৰণে আমি তেখেত সকলক প্ৰতিশ্ৰুতি দিছিলো সেই মৰ্মে আজিৰ এই সংশোধনীটো আনিব বিচাৰিছো। বহু বছৰৰ পৰা এইব্যৱস্থাটো চলি আছিল আৰু আজিৰ পৰা এইটো শূন্যলৈকে ৰূপান্তৰিত হব। মই ভাৰো যে সদনে ইয়াত অনুমোদন জনাব।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা অলপ বুজিবলৈ অসুবিধা পাইছো যে - Clause - III আৰু Clause - IV (AIUDF) দুয়োটাতে আপোনালোকৰ সংশোধনী আছিলে, আনহাতে Clause - IV ত (Congress) আপোনালোকৰো সংশোধনী আছে। গতিকে Clause - IV ত থকা সংশোধনী দুয়োটা একে লগে উত্থাপন কৰক। তেতিয়া উত্তৰ দিবলৈ সুবিধা হব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ** Hon'ble Speaker Sir, I moved that in Clause-IV of the proposed Bill the words "not withstanding" occuring in the first line word "may" occuring in the 9th line shall be substituted by the words "in view of "and "shall not" respectively and the word not occuring in the 10th line shall be deleted and in between the words deleted and in occuring in the lines 10th and 11th the words before this Act coming into force shall be inserted.

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান ডাঙৰীয়া "Point of Order" সম্পৰ্কে মই কথাটো Clear কৰি দিব বিচাৰিছো যে - "Point of Order" টো সাধাৰণতে Question Hour যেতিয়া চলি থাকে in between the two question ৰ মাজত হব লাগে। Now I have allowed you to discuss. ইয়াত "Point of Order" ৰ কথাটো নাহে। কিন্তু discussion ৰ পাছত প্ৰশ্ন কৰিলেও আপুনি উত্তৰটো পাব, "Point of Order" হিচাপে নহয়। আপোনাক মই এনেয়ে allow কৰি দিছো প্ৰশ্নটো কৰিবলৈ, যিহেতু আপোনাৰ প্ৰশ্ন আছে আৰু আপুনি প্ৰশ্নটো উত্থাপন কৰিবলৈ বিচাৰিছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনীৰ দ্বাৰা আচলতে চৰকাৰে আমাৰ স্মল টি গ্ৰ'ৱাৰ খিনিক উৎসাহিত কৰাৰ কাৰণে যোৱা তিনি বছৰত ক্ৰমাগত ভাৱে যি প্ৰচেষ্টা লৈ আছে তাৰে এটা অংশ। গতিকে এই সংশোধনী প্ৰস্তাৱটো আমি ভাল পাইছো আমি এইটো চাপৰ্ট কৰিছো যে আমাৰ স্মল টি গ্ৰ'ৱাৰখিনিয়ে যাতে কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ , কোনোধৰণৰ বিত্তীয় অসুবিধা নোহোৱাকৈ তেওঁলোকে যাতে চাহ খেতি কৰিব পাৰে তাৰ কাৰণে এই সংশোধনী তেওঁলোকে আগতে যিটো দহ পইচা দিয়াৰ নিয়ম আছিলে সেইটো যে এতিয়া Nil কৰিছে সেইটো আমি ভাল পাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া পইণ্ট অব অৰ্ডাৰৰ কথাখিনি ক'ব বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰথম বছৰ ৪০ পইচাৰ পৰা ২৫ পইচা, তাৰ পিছৰ বছৰ ২৫ পইচাৰ পৰা ১০ পইচা এই কথাটো শুদ্ধ নহয়। আচঁলতে ২০১৬-১৭ চনত

২৫ পইচাৰ পৰা ১৫ পইচা আৰু ২০১৭-১৮ ত ১৫ পইচাৰ পৰা ১০ পইচা আৰু এইবাৰ বাকী ১০ পইচাটো Nil কৰি দিয়ে। এইখিনি মই শুদ্ধ কৰি দিলো। এতিয়া আমাৰ সংশোধনীটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, যিহেতু চৰকাৰৰ মটিভটো হ'ল আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক খিনিক সহায় কৰা। সেইকাৰণে চৰকাৰৰ যিটো এটিটিউদ তাতে আমি আৰু অলপমান ইনচিষ্ট কৰিব বিচাৰিছো। ক্লজ ৪ ত যিটো কথা আছিল যে আগত আজিৰ পৰা টেক্সটো বিলুপ্ত হ'ব কিন্তু আগত যদি কোনোবাই দিব লগীয়া আছে সেইখিনি কিন্তু আইনখন পাছ হ'লেও দিব লাগিব। আমি সংশোধনী আনিছো এইকাৰণে যে, যিহেতু চৰকাৰৰ এটা পদক্ষেপ যে ক্ষূদ্ৰ চাহখেতিয়ক খিনিক সহায় কৰিব তাৰ কাৰণে ক্ৰমাগতভাৱে টেক্সখিনি বিলুপ্ত কৰিব। আমিও সেইটোকে বিচাৰিছো যে ইয়াৰ আগত যদি কাৰোবাৰ কিবা লাইয়েবিলিটি থাকে সেইখিনিও মাফ কৰি দিয়া হওঁক। যিখিনিয়ে অলৰেডী দিলে চৰকাৰৰ ইনটেশ্যনৰ ওপৰত ভিত্তি কৰি সেইখিনি লাগিলে ৰিটাৰ্ণ কৰা হওঁক। যিহেতু চৰকাৰৰ উদ্দেশ্যই হ'ল ক্ষূদ্ৰ চাহখেতিয়ক খিনিক সহায় কৰা। এইখিনি মোৰ সংশোধনী। আশা কৰো যিহেতু আমাৰ ইনটেনশ্যন একেই মন্ত্ৰী মহোদয়ে নিশ্চয় এইটো গ্ৰহণ কৰিব।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলত এনেকুৱা এমেণ্ডমেণ্ট অহা মই আজিলৈকে শুনা নাই যে যোৱা ১৫-২০ বছৰে আপোনালোকৰ চৰকাৰৰ দিনত আপোনালোকে যিখিনি টেক্স ললে আৰু খৰছ কৰিলে সেইখিনি এতিয়া আমি ঘুৰাই দিব লাগিব। এনেকুৱা এমেণ্ডমেণ্ট যিহেতু মই আজিলৈকে শুনা নাই গতিকে ইয়াৰ ওপৰত মোৰ কমেণ্টো নাই।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো ইমপ্ৰেশ্যন দিব বিচাৰিছে যে যোৱা বছৰ আপোনালোকে ১০ পইচা ল'লে এতিয়া ১০ পইচা মাফ কৰি আছে। গতিকে যোৱা বছৰৰটো মাফ কৰি দিয়ক। যিখিনি পেনডিং আছে।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ যেতিয়া এই এমেণ্ডমেণ্টটো আহিছিলে সেই বছৰতে সেই কথাটো ক'ব লাগিছিল। মোৰ মতে এইটো ভাল হ'ব যে যিবিলাকে টেক্স লগাইছিলে তেওঁলোকে যদি নিজকে নিজে সমালোচনাও কৰে যে এই টেক্স লগোৱাটো ভুল হৈছিলে সিমানখিনি কৰিলেই যথেষ্ট হ'ব বুলি মই ভাৱো।

Hon'ble Speaker : Thank you. This is a good discussion. Next Shri Aminul Islam. আপুনি উইদ্ৰ কৰিব নে?

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা কথা ভাল পাইছো যে ৪০ হেক্টৰতকৈ কম ভূমিৰ যিবিলাক স্মল টি গ্ৰৱাৰচ্ আছে, তেওঁলোকৰ আমি টেক্সটো ফ্ৰি কৰি দিছো। ১০ শতাংশ যিখিনি আছিল সেইখিনি উঠাই লৈছো। যিহেতু ইতিমধ্যে আমাৰ ক্লজ ২ টো পাছ হৈ গ'ল প্ৰপ'জদ বিলৰ আৰু ক্লজ ২ ত ইতিমধ্যে আমি ১০ পইচাটো নীল কৰি দিলো। গতিকে চৰকাৰৰ সদিচ্ছাৰ প্ৰতি সন্মান জনাই আমি এই এমেণ্ডমেণ্টটো উইদ্ৰ কৰি ললো।

**Hon'ble Speaker :** মই প্ৰথমতে ৩ নম্বৰটো উইদ্ৰ কৰি লৈছো। ৪ নম্বৰটো টো আপোনালোকে উইদ্ৰ কৰিবনে?

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিচাৰিছিলো যে যোৱা বছৰ যিখিনি টেক্স ললে সেইখিনি মাফ কৰি দিয়া হওঁক। কিন্তু মন্ত্ৰী মহোদয়ে যিহেতু বিচৰা নাই গতিকে এইটো লৈ আমি আৰু ইনচিষ্ট কৰিব বিচৰা নাই। এইটো কংগ্ৰেছ দলৰ ইনটেনশ্যন যে যোৱা বছৰ যিখিনি টেক্স লোৱা হ'ল সেইখিনি মাফ কৰি দিয়ক।

**Hon'ble Speaker :** ঠিক আছে মই সদনৰ সন্মতি সাপেক্ষে দুয়োটা সংশোধনী প্ৰত্যাহাৰ

কৰিছে বুলি ঘোষণা কৰিছো। সেইকাৰণে মই ক'ব বিচাৰিছো দফা নং ৩ আৰু ৪ বিধেয়ক খনৰ অংশ হ'ব।

যিসকল ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে

৩ আৰু ৪ নং দফাটো বিধেয়ক খনৰ অংশ হ'ল

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই সেয়ে মই প্ৰস্তাৱটো উত্থাপন কৰিছো

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব

যিসকল সন্মানীয় সদস্য ইয়াৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল সন্মানীয় সদস্য ইয়াৰ বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয়' সপক্ষে 'হয়' সপক্ষে 'হয়' সপক্ষে

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰৰ আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল

মই এতিয়া বিত্তমন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন সদনত পাৰিত কৰিবৰ কাৰণে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ কৰিলো।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সাধাৰণতে বিতৰ্কত নাযাওঁ। মই ইয়াৰ আগৰ বিত্তমন্ত্ৰীৰ চহী থকা কাগজ এখন হঠাতে পাই গলো। মই সংখ্যাটো শুধৰাবৰ কাৰণে কৈছো ৪০ পইচা বুলি ক'ব নালাগিছিল, ভুল হৈছিল। অধ্যক্ষ মহোদয়, ২০০৮ ত এই টেক্সটো আছিল ২০ পইচা। সেই সময়ত এইটো ২০ ৰ পৰা ৩০ পইচা কৰা হৈছিল। আপুনি এতিয়া কমোৱাৰ প্ৰস্তাৱ দিছে কিন্তু ২০০৮ ত ১০ পইচা বঢ়োৱাহে আছিল।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই সদনত যিখন দিলে কিন্তু সেইদিনা সদনত এই বিষয়ে কোনে ব্যাখ্যা দিছিল ?

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা বৰ অদ্ভুত প্ৰশ্ন সোধা হৈছে যে, সেইদিনা কোন আছিল ? সেইদিনা শ্ৰী নীলমণি সেন ডেকাই ব্যাখ্যা দিছিল। ইয়াত কি ক'ব লগীয়া আছে? অধ্যক্ষ মহোদয়, সদনৰ বিতৰ্ক বিলাকৰ যিটো মান Cabinet is collectively re sponsible. মোক মুখ্যমন্ত্ৰীয়ে যি ধৰণে কৰিবলৈ দিছিল মই কৰি দিছিলো।

........................... সদনত হুলস্থুল ......................................................

**মাননীয় অধ্যক্ষ ঃ** বিলৰ কথা আলোচনা কৰি আছো। বিলখন পাছ কৰিব লাগে। তাৰপিছত লাগিলে মই সময় দিম।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত যেতিয়া এজন বিধায়কে বক্তব্য ৰাখিব যে - কংগ্ৰেছ দলে দহ পইছা কমাই দিব, মাফ কৰি দিব লাগে। তেতিয়া যদি আমি ৰেৰ্কডত পাওঁ যে দহ পাইছা সেই সময়ত বঢ়াইছিল। সদনত তথ্য দিলে কিয় বেয়া পাব লাগে দ্বিতীয়তে অধ্যক্ষ মহোদয়, কোনোবাই ভাৰতীয় সংস্কৃতি জানেনে নাই, মই নাজানো। .............

........................... সদনত হুলস্থুল ......................................................

মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম টেক্সেশ্যন (অন স্পেচিফাইদ লেগুচ) (এমেগুণ্টে) বিল, ২০১৮" বিল বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** 'দি আসাম টেক্সেশ্যন (অন স্পেচিফাইদ লেগুচ) (এমেগুমেণ্ট) বিল, ২০১৮"

বিল বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো। যিসকল সপক্ষে আছে, তেখেতসকলে কওঁক হয়। যিসকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হৈছে। এইটো এতিয়া পাৰিত কৰা হ'ল।

**শ্ৰী অশোক সিংহাল, বিধায়ক (ঢেকীয়াজুলি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ দৃষ্টিগোচৰ কৰিব খুজিছো যে এই চৰকাৰ হোৱা আঢ়ৈ বছৰ হ'ল আৰু ১৫ বছৰ কংগ্ৰেছ চৰকাৰ হৈ আছিল।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত আপুনি এইবোৰ নক'ব। বিল বা পইণ্ট অফ অৰ্ডাৰৰ বাহিৰে অন্য কথা ক'বলৈ মই অনুমতি নিদিওঁ। এতিয়া কাৰ্য্যসূচী নং ৮। 'দি আসাম গুডচ এণ্ড চাৰ্ভিচ টেক্সে (এমেণ্ডমেণ্ট) বিল, ২০১৮" খন বিৱেচনা কৰাৰ বাবে আমাৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই ৰাজভৱনৰ পৰা এটা বাণী পঠিয়াইছে। মই এইটো প্ৰথমতে পঢ়ি দিছো। Under the provision of Article of 207(3), of the Constitution of India, I Shri Jagdish Mukhi, Governor of Assam, recommend that The Assam Goods and Service Tax (Amendment) Bill, 2018 be taken in to consideration by Assam Legislative Assembly. মই বিত্ত মন্ত্ৰীক 'The Assam Electricity Duty (Amendment) Bill, 2018. উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদি ঃ** 'দি আসাম গুডচ এণ্ড চাৰ্ভিচ টেক্সে (এমেণ্ডমেণ্ট) বিল, ২০১৮" খন বিৱেচনা কৰাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** The Assam Goods and Service Tax (Amendment) Bill, 2018 খন বিবেচনা কৰাৰ বাবে লোৱা হ'ল। যিসকল সদস্য সপক্ষে আছে, তেখেতসকলে কওঁক হয়। যিসকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৱো যে "হয়ৰ" সপক্ষে, "হয়ৰ" সপক্ষে, "হয়ৰ" সপক্ষে, এই প্ৰস্তাৱটো বিৱেচনাৰ বাবে লোৱা হৈছে। মই বিধেয়কখনৰ ২, ৩ আৰু ৪ দফাকেইটাত সংশোধনী প্ৰস্তাৱ নাই, ২, ৩ আৰু ৪ দফাকেইটা মই বিবেচনাৰ বাবে সদনত উত্থাপন কৰিছো যে ২, ৩ আৰু ৪ দফাকেইটা বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য সপক্ষে আছে, তেখেতসকলে কওঁক হয়। যিসকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৱো যে "হয়ৰ" সপক্ষে, "হয়ৰ" সপক্ষে, "হয়ৰ" সপক্ষে, ২, ৩ আৰু ৪ দফাকেইটা বিধেয়কখনৰ অংশ হৈছে। বিধেয়কখনৰ ৫ নং দফাত হাফিজ বচিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগীসকলৰ এটা সংশোধনী প্ৰস্তাৱ আছে। মই প্ৰস্তাৱটো উত্থাপন কৰি তাৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

I on behalf of all the signetories beg to move that In Sub-clause 1 (B) of Clause 5 of the proposed Bill shall be deleted and original provision shall be retained. মাননীয় অধ্যক্ষ মহোদয়, এই ৩ নং সংশোধনীটো অনাৰ কাৰণ হিচাপে চৰকাৰে ইয়াত দিছে যে 5 Clause ত GST 2017 অনুযায়ী চিলিং যিখিনি Composition Scheme ত আছে, তেওঁলোকে Existing চিলিংখিনি এক কোটিৰ পৰা ডেৰ কোটি কৰিব বিচাৰিছে। গতিকে ইয়াৰ দ্বাৰা যদি জনসাধাৰণ লাভান্বিতই নহয়, তেনে ক্ষেত্ৰত এই এমেণ্ডমেণ্টটো কোনো লাভ নহ'ব। গতিকে আমি ভাৱো আগৰ খিনি থকাই ভাল। গতিকে মন্ত্ৰী মহোদয়ে এই এমেণ্ডমেণ্ট কিয় আনিছে আৰু ইয়াৰ দ্বাৰা জনসাধাৰণ কেনেকৈ লাভান্বিত হ'ব

সেইটো বুজাই দিলে আমাৰ সুবিধা হ'ব।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া গুডচ এণ্ড চাৰ্ভিচ টেক্স আমি প্ৰৱৰ্ত্তন কৰিছিলো সেই সময়ত যদি আমাৰ সদনৰ মনত আছে, সদনৰ সদস্য সকলৰ পৰা দুটা দাবী উত্থাপন হৈছিল যে ভাৰতবৰ্ষৰ যদি অন্য ৰাজ্যবোৰত বিশ লাখ টকা দিছো। কিন্তু আমি উত্তৰ-পূৰৰ Treader সকলক বছৰি দহ লাখ টকালৈকে GST Exemption দিছো। দ্বিতীয়তে সেইসময়ত এটা কথা উত্থাপন হৈছিল যে ভাৰতবৰ্ষৰ বাকী ৰাজ্যবোৰত Composition Scheme ৰ Benifit এক কোটি টকালৈকে পায়। অসমত আমি ৭৫ লাখ টকা কৰিছো। এতিয়া দুয়োটা Scheme ৰ দুয়োটা Section, Amendment of Section, 10 আৰু Amendment of Section এই দুটাৰ আজি আমি Amendment আনিছো যে GST Council য়ে দেশতে Composition ৰ Limitটো এক কোটিৰ ঠাইত ডেৰ কোটি কৰিলে। তেতিয়া উত্তৰ-পূৰতো ৭৫ ঠাইত ১ লাখ কৰাৰ সিদ্ধান্ত হ'ল। কিন্তু অসমত আমি ক্ষুদ্ৰ ব্যৱসায়ীসকলক সকাহ দিয়াৰ বাবে ৭৫ লাখ টকাটো আমি পোনে পোনে ডেৰ কোটি টকালৈকে লৈ গ'লো। ডেৰ কোটিলৈ লৈ যোৱাৰ ফলত যিসকল ব্যৱসায়ী তেওঁলোকে কোনো ৰিটাৰ্ণ আদিত নপৰাকৈ মাত্ৰ এক শতাংশ হিচাপ কৰি দি দিলেই হ'ল। তেওঁলোকে কোনোবাই ক'ৰপৰা কিমান GST লৈছে, যেনেকৈ কোনোবাই টুথপেষ্টত ৭শতাংশ, মিঠাতেলত ১২ শতাংশ আদি বিভিন্ন টেক্স সংগ্ৰহ কৰে বিভিন্ন বস্তুৰ পৰা, সেয়েহে তেওঁলোকে ফৰ্ম এখন ফিলাপ কৰিব লাগে। একাউণ্টটো কৰোতে লগত এজন চাৰ্টাৰ কোউণ্টটেণ্ট ল'ব লাগে আৰু তেওঁলোকে বিভিন্ন কামত সোমাই যাব লাগে। আজিৰ এমেণ্ডমেণ্টটোৰ মতে যিজনে ডেৰ কোটি টকালৈকে ব্যৱসায় কৰিব তেওঁলোকে পোনপটীয়াভাৱে এক শতাংশ টেক্স দিলেই হ'ল আৰু একো হিচাপ কৰিব নালাগে আৰু তিনি মাহৰ মূৰত এবাৰ মাত্ৰ ৰিটাৰ্ণ এখন দি জনাই দিলে হ'ল যে মই এক শতাংশকৈ টকা দিছো ডেৰ কোটি। তেওঁ যদি ক্ষুদ্ৰ উদ্যোগী হয়, তেন্তে ডেৰ কোটি টকালৈকে যিমানে বস্তু উৎপাদন নকৰে কিয় তেওঁ মাত্ৰ দুই শতাংশ Composition Tax দিলেই হ'ল। ধৰক আমাৰ ক্ষুদ্ৰ ব্যৱসায়ী এজনে ডেৰ কোটি টকা ঢেলা চাবোন ঘৰত উৎপাদন কৰে। ডেৰ কোটি টকাৰ ওপৰত মাত্ৰ দুই শতাংশ টেক্স দিব। কিন্তু সেই চাবোনটো যদি হিন্দুস্থান লিভাৰে বনায় তেতিয়া বাৰ শতাংশ টেক্স দিব। ফলত বৃহৎ উদ্যোগীৰ দামতকৈ দামটো কম হ'ব। যাৰ ফলত গ্ৰাহক সকলে কম দামত ক্ষুদ্ৰ উদ্যোগটোৰ পৰা বস্তু ল'ব পাৰিব আৰু ক্ষুদ্ৰ উদ্যোগটো চলিব। ঠিক তেনেদৰে আমি আৰু এটা সংশোধনীও আনিছো চেকশ্যন-২২ সেইটো হ'ল আগতে ১০ লাখ টকাতকৈ বেছি হ'লে আপুনি GST registration কৰিব লাগিব। GST ত registration কৰিলেই নৰ্মেল বা Composition Tax দিব লাগিব। আজি আমি সিদ্ধান্ত ল'লো যে ভাৰতবৰ্ষৰ বাকী ৰাজ্যৰ দৰে বিশ লাখ টকালৈকে GST registration কৰিব নালাগে। এতিয়া যদি আমাৰ বিধায়ক সকলে বিধায়ক ফাণ্ড কৰে বিশ লাখ টকা স্কীমলৈকে আমাৰ কমিটীসমূহে GST registration কৰিব নালাগে, GST দিব নালাগে। ক্ষুদ্ৰ ব্যৱসায়ী এজনৰ যদি বিশ লাখ টকালৈকে তেওঁৰ বছৰি টাৰ্ণ অভাৰ তেওঁ GST ৰ ওচৰলৈ যাবই নালাগে। অৰ্থাৎ দহ লাখৰ লিমিটটো বিশ লাখ কৰিলো আৰু থুলমূলকৈ এক শতাংশ দুই শতাংশকৈ দিলে ৭৫ লাখলৈ হৈছিল সেইটো আমি ডেৰ কোটিলৈ কৰিলো। গতিকে অসমত ক্ষুদ্ৰ ব্যৱসায়ী আৰু ক্ষুদ্ৰ উদ্যোগীসকলে আজিৰ পৰা এটা বৃহৎ সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। উত্তৰ-পূৰৰ মিজোৰাম, মণিপুৰ, সৰু ৰাজ্যবোৰে GST Council ৰ এই amendment টো মানি লোৱা নাছিল আৰু আজিও তেওঁলোকে মানি লোৱা নাই। এই ক্ষেত্ৰত উত্তৰ-পূৰৰ পৰা অসম

আঁতৰি আহিছে। আমি উত্তৰ-পূৰৰ সৰু ৰাজ্য সমূহৰ লগত নাথাকো, ভাৰতবৰ্ষৰ mainstream ৰাজ্যবোৰৰ লগত থাকিম যাতে আমি মানুহক বেছি সকাহ দিব পাৰো। ইয়াৰ ফলত পোনে পোনে আমাৰ ৰাজহৰো ক্ষতি হ'ব আৰু GST return ৰ সংখ্যা কমি যাব। তৎসত্বেও আমি এই risk টো লৈছো। আপোনালোকৰ যদি মনত আছে, প্ৰথম GST আইনখন আনোতে সদনতো এই দুটা দাবী উত্থাপন কৰা হৈছিল আৰু সেই সময়ত মই কথা দিছিলো যে সময় পাৰ হোৱাৰ লগে লগে GST ৰ revenue যদি ভাল হয়, তেতিয়া আমি এই কথা দুটা মানি ল'ম। আপোনালোকে সেই সময়ত উত্থাপন কৰা দুয়োটা দাবী আমি মানি লৈছো আৰু তেনে spirit তে আজিৰ এই bill খন অনা হৈছে।

**মাননীয় শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Section 22 ত ১০ লাখৰ পৰা ২০ লাখ কৰা হৈছে, তাৰ বাবে আমি ভাল পাইছো কাৰণ সেই সময়ত আমি ২০ লাখলৈ rebate পোৱাৰ বাবে দাবী কৰিছিলো। ১ কোটি ৫০ লাখৰ বাবে ইয়াত যিটো amendment অনা হৈছে, তাত Also to allow composition tax payers to supply services for a value not exceeding 10% of turn over or 5 lakh rupees, whichever is higher বুলি কোৱা হৈছে। সেয়েহে আমি এইটোৱে বিচাৰো ব্যৱসায়ী সকলে যাতে সহজতে ব্যৱসায় কৰিব পাৰে। গতিকে মন্ত্ৰী মহোদয়ে কোৱাৰ নিচিনা হ'লে ভাল হয়।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত, ইত্যাদিঃ** আপুনি যদি Section 10 টো পঢ়ি চায়, তাত দেখিবলৈ পাব যে, Not withstanding anything to the contrary contained in this Act but subject to the provision of Sub-Section 3 and 4 of Section 9, a registered person whose aggregate turn over in the preceeding financial year did not exceed Rs. 50 lakh may opt in lieu of the tax payable by him under Sub-Section 9, an amount of tax calculation at such rate may be prescribed but not exceed the 1%. এই যিটো ৫০ লাখ শব্দটো আছিল, ইয়াক in lieu of the tax payable by him কৰা হ'ল। 1% for in case of manufacturer, 2.5% in the state in case of person engaging এই গোটেইখিনি কথা ইয়াত আছে। গতিকে থূলমূলকৈ কথা এইটোৱেই যে, ১.৫০ কোটি টকালৈ যাৰ ব্যৱসায় হ'ব তেওঁ ১%, ১.৫০ কোটি টকালৈ যি উদ্যোগী হ'ব তেওঁ ২% কৈ দিব লাগিব আৰু এইটোৱেই আজিৰ amendment ৰ মূল লক্ষ্য।

**মাননীয় শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ব্যৱসায়ী সকলৰ যাতে ভাল হয়, তাৰ বাবে চৰকাৰে যাতে দৃঢ় পদক্ষেপ গ্ৰহণ কৰে সেইটো আশা ৰাখিছো আৰু আমাৰ যিটো amendment আছিল সেইটো আমি withdraw কৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

এতিয়া দফা নং৫ বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৫ নং দফাটো বিধেয়কৰ অংশ

হৈছে। বিধেয়কখনৰ ৬, ৭ , ৮ , ৯, ১০ নং দফাত কোনো সংশোধনী নাই। গতিকে, মই পুনৰ প্ৰশ্নটো উত্থাপন কৰিছো যে ৬, ৭ , ৮ , ৯, ১০ নং দফা কেইটা বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়ক খনৰ ৬, ৭ , ৮ , ৯, ১০ নং দফা কেইটা বিধেয়কৰ অংশ হৈছে।

এতিয়া বিধেয়ক খনৰ ১ নং দফাত মাননীয় সদস্য ৰকিবুল হুছেইন আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছে। গতিকে প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** Hon'ble Speaker Sir, I move that in Sub Clause 1 (a) of Clause 11 of the proposed Bill, the word 'twenty' shall be substituted by the word 'Thirty'.

মাননীয় অধ্যক্ষ মহোদয়, অন্য এটা Clause ত মাননীয় মন্ত্ৰী মহোদয়ে এই কথাখিনি ইতিমধ্যে উপস্থাপন কৰিছে। আজি আমি যেতিয়া এই বিধেয়কখন আনিছিলো আৰু ইয়াৰ বিষয়ে যেতিয়া জানিবলৈ চেষ্টা কৰিছিলো তেতিয়া দেখিবলৈ পাইছিলো যে আমাৰ ইয়াৰে Hotel Radisson Blue ত GST Councilৰ এখন সভা হৈছিল আৰু তাত আমি ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ ক্ষুদ্ৰ-মজলীয়া যি সকল ব্যৱসায়ী আছে, সেই ব্যৱসায়ী সকলে বছৰেকত যদি ২০ লাখ টকা উপাৰ্জন কৰে, তেনেহ'লে GSTত তেওঁলোকৰ নাম অন্তৰ্ভূক্ত কৰিব নালাগে বুলি দাবী উত্থাপন কৰিছিলো। অসম উত্তৰ-পূৰ্বাঞ্চল আৰু পাহাৰীয়া ৰাজ্যত এইটো বঞ্চিত কৰা হৈছে আৰু সেই দাবীৰ পৰিপ্ৰেক্ষিতত Council ত অহা লোকসকলক Memorandum দিবৰ বাবে আমাৰ কংগ্ৰেছ দলৰ সদস্য সকল তথা প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াও গৈছিল। কিন্তু আমাক তেওঁলোকৰ ওচৰ চাপিব নিদিলে আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ বয়সৰ প্ৰতি লক্ষ্য নাৰাখি আমাৰ লগতে তেখেতকো বাছত উঠাই জেললৈ পঠিয়াই দিয়ে। কিন্তু তাৰ পিছতে আমি Pratidin Time, a leading News Channel of Assam ৰ Breaking News ত এটা ভাল বাতৰি পালো যে- on 10-01-2018, Rupees 20 lakh GST exemption for Assam traders. Finally, good news for small and medium traders of Assam. As Assam Govt. has accepted the Rs.20 lakh GST exemption . ইয়াত লিখিছে, The Goods & Services Tax (GST) Council has decided that businessmen in the North-eastern and hill states with annual turn over below Rs.10 lakh would be out of GST need, therewhile, for the exemption in the rest of India would be an annual turn over of Rs.20 lakh . আমি যি সকলে এই finance ৰ অৰ্থটো বুজি নাপাওঁ, সেই সকলে প্ৰথমে ভাৱিছিলো কিজানি আমাক এটা সুবিধা কৰি দিছে যে আমাৰ ব্যৱসায়ী সকলক ১০ লাখ টকালৈ আৰু বাহিৰৰ ব্যৱসায়ী সকলক ২০ লাখ টকালৈ ৰেহাই দিয়া হৈছে। কিন্তু পিছত আমি গম পালো যে, যি সকল ক্ষুদ্ৰ ব্যৱসায়ী যেনে পান দোকানী আদি, তেওঁলোকে বছৰেকত ১০ লাখ টকাৰ বিক্ৰী কৰিলে GST Council ত আহিব লাগে আৰু যিবোৰ বাহিৰা ৰাজ্য, যাৰ ৰাজহ বিভিন্ন ক্ষেত্ৰত বেছি, সেই ঠাইৰ ক্ষুদ্ৰ আৰু বৃহৎ ব্যৱসায়ী সকলে ২০ লাখ টকালৈ যদি উপাৰ্জন কৰে তেতিয়াহে

তেওঁলোকৰ registration কৰিব লাগে। তাৰ ফল স্বৰূপে, আমাৰ মাটিৰ বহু ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়ী বিপাঙত পৰিছে। ক্ষুদ্ৰ ব্যৱসায়ী সকলে GST Council বুজি নাপায়, Registration ৰ কথা বুজি নাপায়। তাৰোপৰি বছৰি ২০ লাখ টকা উপাৰ্জন কৰিলেই GST Councilত সোমাব , গতিকে ইমান দীঘলীয়া, কঠিন procedure ৰ আওতাত অহাৰ বাবে বহুত ব্যৱসায়ীয়ে নকৰা হৈ গ'ল। সেয়েহে, অধ্যক্ষ মহোদয়, আমি আজি মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে আমাৰ special category নাইকিয়া হ'ল, পেট্ৰ'ল -ডিজেলৰ দাম বাঢ়িছে, ৰন্ধন গেছৰ দাম বাঢ়িছে আৰু বহু ক্ষেত্ৰত মূল্য বৃদ্ধি হৈছে। সেই সময়ত যিহেতু ভাৰতবৰ্ষৰ অন্য ৰাজ্যবোৰে ১০ লাখ টকা আৰু আমাৰ ২০ লাখ টকা দিছিল গতিকে ব্যৱসায়ী সকলক সকাহ দিবৰ বাবে ৩০ লাখ কৰি দিব পৰা যায় নেকি ? আন এটা কথা যে, এই period টোত ভাৰতবৰ্ষৰ বেলেগ বেলেগ ৰাজ্যই আমাক ১০ লাখ আৰু ২০ লাখ কৰিলে, মাননীয় মন্ত্ৰী ডাঙৰীয়াই সেই সময়ত এনেধৰণে যুক্তি দিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত উপাৰ্জন কম, এই ধৰণৰ কথাবোৰ কৈছিল। এই ১০ লাখ টকালৈকে যি সকলে নিদিলে বা যি সকলে বন্ধ কৰি দিয়াৰ উপক্ৰম হৈছে, সেই সকলক সকাহ দিবৰ বাবে এই period টোত কিবা এটা percentage ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিব পাৰি নেকি ?..
গতিকে এই কথাখিনি অলপ সকাহ দিব পাৰে নেকি ? আৰু সেই সময়তে ১০-০১-২০১৮ ত যে News টো ওলাল, সেই সময়ৰ পৰা নহ'ল নেকি ? যদি Council য়ে সিদ্ধান্ত ললে য'ত আমাৰ বিত্তমন্ত্ৰী গৰাকীও তাৰ এগৰাকী সদস্য, এটা Sub-Committee ৰ তেওঁ Chairman. গতিকে অধ্যক্ষ মহোদয়, সেই কথাখিনি মই আপোনাৰ জৰিয়তে জনাব বিচাৰিছো। মই আৰু ৫ মিনিট সময় ল'ব বিচাৰিছো।

ভাৰতীয় সংস্কৃতিয়ে এই কৰৰ বিষয়ে কি কয় ?

**মাননীয় অধ্যক্ষ ঃ** আপুনি বাকীবিলাক কথা নকব। কৰৰ লগত যদি related হয়, তেতিয়াহলে কওক।

**শ্ৰী ৰকিবুল হুছেইন ঃ** ভাৰতীয় সংস্কৃতিয়ে অতিৰিক্ত কৰ দিলে কি হয়, এই বিষয়ৰ কথাখিনিহে ক'ব বিচাৰিছো। ২৩০০ বছৰ আগতে Takshashilla University ত বিষ্ণুগুপ্ত, চাণক্য আৰু কৌটিল্য এই তিনিজন তাত গুৰু আছিল। যেতিয়া আলেকজেণ্ডাৰে ভাৰত আক্ৰমন কৰি বিভিন্ন সৰু সৰু দেশ বিলাক জয় কৰি আহিছিল তেতিয়া Takshashilla ৰ আচাৰ্য্য গুৰু বিষ্ণুগুপ্ত, চাণক্য আৰু কৌটিল্যই দেখিলে যে যদি ভাৰতবৰ্ষত এনেদৰে বাহিৰা মানুহে আহি আক্ৰমণ কৰে তেতিয়াহ'লে ভাৰতবৰ্ষ এক কৰাত আমাৰ অসুবিধা হ'ব। তেতিয়া তেওঁলোকে ভাৰতবৰ্ষৰ যিবিলাক সৰু সৰু দেশ আছিল, সেইবিলাক একত্ৰিত কৰাৰ কাৰণে ওলাই আহিল। আহি তেওঁলোকে দেখিলে যে, ভাৰতবৰ্ষৰ সকলোতকৈ ডাঙৰ ৰাজ্য আছিলে মগধ। আজিৰ আমাৰ যিখন পাটনা, গয়া এই গোটেইবিলাক লৈ মগধ ৰাজ্যখন আছিলে আৰু সেই মগধ ৰাজ্যৰ ৰজা আছিল নন্দ বংশৰ ধনানন্দ। ধনানন্দৰ ৰাজ্যত যেতিয়া চাণক্য সোমালে আৰু বিভিন্ন আচাৰ্যই যেতিয়া তেওঁক আদৰি আনি আছিলে তেওঁ তেতিয়া দেখিলে যে কিছুমান মানুহে কান্দি কান্দি বাহিৰলৈ ওলাই আহিছে। তেতিয়া চাণক্যই জানিব বিচাৰিলে যে এই কথাবিলাক কিয় হৈছে? তেতিয়া তেওঁৰ ওচৰত থকা গুৰু এজনে কলে যে চৰকাৰে কৰ দিয়াৰ উপৰিও মানুহবিলাকৰ পৰা অতিৰিক্ত কৰ বিচাৰিছে আৰু এই মানুহখিনিয়ে সেইটো দিব নোৱাৰৰ কাৰণে আজি এনেধৰণৰ পৰিস্থিতি হৈছে।

পৰৱৰ্তী সময়ত ৰজা ধনানন্দই কিছুমান আচাৰ্য্যক ৰাজসভালৈ মাতি নিলে আৰু তেওঁলোকক ধনৰ টোপোলা দিলে। তেতিয়া চাণক্যই কৌটিল্যক কলে যে ৰজাই আপোনাক ধনৰ টোপোলা দিব। যেতিয়া ৰজাই ধনৰ টোপোলা দিবলৈ ললে তেতিয়া তেওঁ কলে যে, মহাৰাজ মই আপোনাৰ পৰা ধন ল'ব নোৱাৰো। ৰজাই শুধিলে কিয় নোৱাৰে? তেতিয়া চাণক্যই কলে যে আপুনি শুনিব নোৱাৰিব। এই কঠোৰ সত্যটো যদি মই আপোনাক কওঁ আপুনি মোক বেয়া পাব। তেতিয়া ধনানন্দই কলে যে আপুনি যি ক'ব বিচাৰিছে কওঁক কাৰণ মই মোৰ দেশখন ভালদৰে চলাব লাগে। তেতিয়া কৌটিল্যই কলে, ধনানন্দ, এতিয়া আপুনি এতিয়া দেশৰ ৰজা। ৰজাই ৰাজ্যখন ভালদৰে চলাব লাগে। যদি প্ৰজাৰ পৰা অতিৰিক্ত কৰ ল'বলৈ আপোনালোকে হেঁচা দিয়ে আৰু সেই টকাৰেই এটা সৰু অংশ আমাক দিয়ে,তেতিয়াহলে এইটো প্ৰজাৰ স্বাৰ্থৰ বিপৰীতে যাব। গতিকে আপুনি এইটো কাম নকৰিব। তেতিয়া ৰজাৰ অহংকাৰ হ'ল আৰু তেওঁ সেই কথাটো নামানিলে। তেতিয়া চাণক্যই ক'লে যে নন্দ বংশৰ অহংকাৰ যেতিয়ালৈকে শেষ কৰিব নোৱাৰো তেতিয়ালৈকে মই চুলি নাবান্ধো এইবুলি কৈ তেওঁ ওলাই আহিছিল। পৰবৰ্তী সময়ত ধনানন্দ ৰজাৰ পতন হৈছিল আৰ চন্দ্ৰগুপ্ত ৰজা হৈছিল। আজি অসমতো সেই ধৰণৰ এটা পৰিস্থিতিৰ সৃষ্টি হৈছিল। এইখিনিকে কৈ সদনৰ ৰুল মানি মই বহিছো।

**ড° হিমন্ত বিশ্বশৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো দিছো। ৰকিবুল হুছেইন ডাঙৰীয়াই যিটো সংস্কৃতিৰ কথা ক'লে, সেই অনুসৰিয়েই আজি আমি চাণক্যৰ সংস্কৃতিৰ অনুৰূপ কাম কৰিবলৈ ইয়াত উপস্থিত হৈছো। প্ৰতিকূল নহ'য়। আজি দুয়োটা Ammendment ৰ জৰিয়তে আমি Tax কমাবলৈ বিচাৰিছো। Tax বঢ়াবলৈ অহা নাই। আজি চাণক্য ধনানন্দ সকলোৰে আমাক আশীৰ্বাদ দিব।

দ্বিতীয়তে গোটেই কথাটো হ'ল যে আমি background টো check কৰিব লাগিব। আবেগিকভাৱে আৰু ৰাজনৈতিকভাৱে নৰ্থ ইষ্ট কাউন্সিলত আমি গোটেই কেইখন ৰাজ্যই একেলগে থাকো। আজি সমস্যাটো হৈছে যে যদি এই Tax টো আনি ২০ লাখ কৰো তেতিয়াহলে মিজোৰামত ২০ লাখ টকাৰ ওপৰত Tax দিয়া কোনো ব্যৱসায়ীয়েই নাই। তাৰমানে The entire Tax Department will not have any revenue. যেতিয়া এই বিষয়টো আহিল, কেনেকৈ পৰিৱৰ্তন আহিলে, ১০-০১-২০১৮ ত সিদ্ধান্ত হোৱা নাই। এই সিদ্ধান্তটো যোৱা ২ মাহ আগত হৈছে। প্ৰতিদিন টাইমত কি ওলাইছিলে সেইটোৰ বিষয়ে মই নাজানো। GST Council ৰ minutes টো আছে, সেইটো আপোনালোকে পাব।

অধ্যক্ষ মহোদয়, যেতিয়া এই বিষয়টো অসমৰ পৰা কোৱা হৈছিল যে এইটো আমি ২০ লাখ টকালৈকে বঢ়াব লাগে, তেতিয়া সেই সেময়ত মেঘালয় আৰু মিজোৰামৰ বিত্ত মন্ত্ৰীয়ে কলে যে, আপুনি এইটো praise নকৰিব। কাৰণ আপুনি যদি এইটো praise কৰে, মিজোৰাম আৰু মেঘালয়ত Tax নোহোৱা হৈ যাব আৰু উত্তৰ পূৱত নৰ্থ ইষ্ট কাউন্সিল বা বিভিন্ন ক্ষেত্ৰত আমি যিহেতু এটা Emotional Economic গোট হৈ থাকো, সেইকাৰণে কেতিয়াবা আমি এই ছয়খন ৰাজ্যৰ interest ৰ বিপক্ষে কাম কৰিব নোৱাৰো। তাৰ পিছত নিৰ্বাচন হ'ল। নিৰ্বাচন হোৱাৰ পিছত মেঘালয়ৰ মুখ্যমন্ত্ৰী শ্ৰী কনৰাড চাংমাই GST Council ক ক'লে যে এতিয়া আমাৰ অৱস্থা অলপ মান ভাল হৈছে। গতিকে এই লেভেল টো ১০ লাখৰ পৰা ২০ লাখ কৰিব লাগে। নাগালেণ্ডতো ৰিঅ' চৰকাৰে ক'লে যে এইটো ১০ লাখৰ পৰা ২০ লাখ কৰিব লাগে। মিজোৰামে ক'লে যে আমাৰ ১০ লাখততে থাকিব দিয়ক। তেতিয়া আমাৰ উত্তৰ পূৱৰ বিত্তীয় মন্ত্ৰী

সকলৰ মাজত এখন মিটিং হ'ল informally. আমি ক'লো যে আমি GST Council ক কম যে কোনোবা ৰাজ্যই যদি ২০ লাখত যাব বিচাৰে তেনেহলে ২০ লাখত যাওঁক বা কোনোবা ৰাজ্যই যদি ১০ লাখত থাকিব বিচাৰে তেনেহলে ১০ লাখততে থাকক। এইটো ক্ষেত্ৰত আমাৰ একতাটো বেয়া হলেও হ'ব।

সেইকাৰণে অধ্যক্ষ মহোদয়, উত্তৰ-পূৰৱ বাকী ৰাজ্য সমূহৰ সন্মতি লোৱাৰ পিছত যোৱা আগষ্ট বা চেপ্তেম্বৰ মাহত GST Council এ অসমকে ধৰি আৰু উত্তৰ পূৰৱ আৰু দুখন ৰাজ্যক ১০ লাখৰ পৰা ২০ লাখলৈ যাবলৈ অনুমতি দিলে। তাৰমানে যেতিয়ালৈকে Council এ অনুমতি নিদিয়ে তেতিয়ালৈকে আমি GST ত একো কৰিব নোৱাৰো। এতিয়া কথাটো হ'ল যিসকলে ধনানন্দৰ কথাটো কয়, তেওঁলোকে এটা কথা পাহৰিলে নহ'ব যে GST ৰ আগতে অসমত যেতিয়া VAT আছিলে সেই সময়ত তদানীন্তন চৰকাৰে Exemption Limit মাত্ৰ ৬ লাখত ৰাখিছিলে। আমি ৬ লাখ ৰ পৰা **১০** লাখ কৰিলো, তাৰ মানে চাণক্যৰ মতে গলো। আজি আমি **১০** লাখৰ পৰা **২০** লাখ কৰিলো। গতিকে আগৰ চৰকাৰৰ দিনত **৬** লাখ আছিলে, এতিয়া **২০** লাখলৈ গলো। গতিকে চাণক্য আৰু ধনানন্দৰ কথাত আমি **১৪** লাখ আগুৱাইলো। আৰু অনাগত দিনত যদি ৰাজ্যৰ বিত্তীয় পৰিৱেশ ভাল হয় তেতিয়া GST Council ত আমি আকৌ কম যে এইটো **৩০** লাখ বা **৪০** লাখ কৰি দিয়ক। কিন্তু আজিৰ দুয়োটা সংশোধনী অধ্যক্ষ মহোদয়, মই জনা নাছিলো যে এনেকুৱা পৰিৱেশ হব, মই সাজু হৈ অহা নাছিলো। মই ভাবিলো সদনে কব যে আপুনি অন্তত আমাৰ কথাখিনি শুনি ভাল কাম কৰিছে, ধন্যবাদ দিব। ক্ষুদ্ৰ চাহ খেতিয়কৰ কৰ শূণ্য কৰি দিলো। শূণ্যটো ধনানন্দ ফৰমুলাটো নাহে। শূণ্যতকৈ আৰু আমি কমাব নোৱাৰো। এইটোতো শূণ্য কৰি দিলো, গতিকে সেইটো এটা ভাৰতীয় সংস্কৃতি অনুৰোধ কৰিলো। দ্বিতীয়তে আজি আমাৰ যিটো **৬** লাখ আছিলে আগৰ চৰকাৰৰ দিনত সেইটো আমি **১০** লাখ কৰিলো। আজি **১০** লাখৰ পৰা **২০** লাখ কৰিলো। মাননীয় সদস্যগৰাকীৰ যিটো পৰামৰ্শ যে **২০** লাখৰ পৰা **৩০** লাখ কৰিব লাগে। সেইটো মই GST Council ত উত্থাপন কৰিম। সদনত কথা দিছো যে সদনৰ অনুভুতি যে **২০** লাখৰ পৰা **৩০** লাখ কৰিব লাগে, সেইটো নিশ্চয় মই GST Council ত সেই অনুভুতিটো জনাই দিম।

**শ্ৰী ৰাজদীপ গোৱালা, লক্ষীপুৰঃ** Regarding this people who have already registered whose turnover is over 10 lakh. Now, since they will get a relaxation. What will happen to them, will they have to file return or what will they do?

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী ঃ** Hon'ble Speaker Sir, this is a very good question. Now, whose turn over will be upto 20 lakh from once Governor signed this ascent he has ascented this Act and we notified it, they can withdraw themselves from the GST Act. So, they can withdraw their registration. But many will not withdraw from registration because if they remain in GST they get input tax credit. So, it is now voluntarily but we can now cancel their registration if they submit an online application.

**শ্ৰী ৰাজদীপ গোৱালা, লক্ষীপুৰঃ** That means they can file an online appli-

cation without any tax liability.

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী** ঃ Yes, they can file an online application without tax liability or they can withdraw altogether from GST also. It is upto them now.

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী অশোক সিংঘল, ঢেকীয়াজুলী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়ৰ পৰা GST ৰ বিষয়ে এটা কথা জানিব বিচাৰিছো। Hindustan Liver ৰ যিটো Washing powder বা চাবোন যিটো আছে, তাৰ ওপৰত 12% GST আছে। কিন্তু অসমত যদি কোনোৰা থলুৱা উদ্যোগে 1.5 crore ৰ ব্যৱসায় কৰে, ধেলা চাৰোনৰ ওপৰত 2% GST দিলে চলিব। কিন্তু ধেলা চাৰোন বুলি কোনো শ্ৰেণী নাই। বিত্তমন্ত্ৰী যদি কয় ধেলা চাৰোন যোনে বনাই বা 1.5 crore টকালৈ যিসকলে উৎপাদন কৰে, তেখেত সকল কোনটো শ্ৰেণীত পৰিব। GST ৰ 5%, 12%,18% irrespective of any category তেখেতসকলে 2% তে দিব লাগিব। সেইটো বুজাইছে নে বেলেগ কিবা বুজাইছে।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী** ঃ Hon'ble Speaker Sir, exectly I have mean that they may have category. Somebody may be in category of soap, somebody may be in category of other goods. irrespective of their any category. If their annual turnover is 1.5 crores from now onwards they will pay only 2% GST. So, this is a huge releaf. From today upto 1.5 Crore কোনোৰাই বাঁহৰ কিবা বনাইছে, কোনোবাই চাহপাত বনাইছে, কোনোবাই চাবোন বনাইছে, কাৰোবাৰ কল-কাৰখানা,কোনাবাই মেকানিকেল বস্তু বনাই, কোনোবাই printing press চলাইছে। যদি কিবা বস্তু produce কৰে if their turnover is annualy 1.5 crore irrespective of any category they will pay just composition of 2% আৰু যিমান ব্যৱসায় আছে, তেওঁলোকৰ যদি 1.5 crore টকা annual turnover then they have to pay just 1%. So, two categories is their. For Manufacturer 2% composition for traders it is 1%

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী অশোক সিংঘল, ঢেকীয়াজুলী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত সৰু এটা কথা কম যে অসমৰ কাৰণে ভাল হৈছে এইটো যদি হৈছে, মই আপোনাৰ জৰিয়তে মাননীয় বিত্ত মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো। যিসকলে তেখেতসকলৰ পৰা কিনি লব বস্তুটো তেখেতসকলে আকৌ reverse GST ত চৰকাৰক পইচা দিব লাগিব নেকি? তেনেকুৱা হয় যে সৰু সৰু উৎপাদনকাৰীৰ পৰা যিবিলাকে reverse GST ত চৰকাৰক দিব লাগিব, তেওঁলোকে কিন্তু বস্তু নিকিনিব।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, reverse GST ৰ ক্ষেত্ৰত ইয়াত আৰু এটা সংশোধনী আছে যে Reverse Charge is withdrawn. So, there is another withdrawal. Now, under GST reverse charge mechanism has been withdrawn. That is not been applicable now you dont have to pay reverse charges. This is the amendment today we are moving. But just to clarify, Hon'ble MLA may have confused reverse

charge with ITC. So, composition dealers will not get ITC. So, if they supply to bigger manufacturer then bigger manufacturer may not purchase that commodity from the small-scale industry becasue then bigger manufactureres will not get ITC. So, that is why many of the manufacturer still prefer to pay tax so that his supply may continues. But for independent manufacturere who is actually not selling to a bigger manufacturer but selling directly to the consumer suppose খেলা চাৰোন he is not supplying this as a raw material to any bigger industry but he is supplying this to the market. So, they will take this benefit but those who will supply for maruti he will supply small products. So, he will not come into the composition because Maruti will not purchase from him because they will not get the ITC. But for independent manufacturer who does not sell anything as a raw material to the bigger industry but he supply his manufactured product directly to the market they will be very happy with this. In Assam our small-scale industry do not supply any raw material to the bigger manufacturer, they directly supply their product to the market. So, they will have to pay only 2% of the composition charge. So far as just to put this on record, under this amendment we are making very clear that for composition dealer no reverse charge is applicable. Secondly, reverse charge is being delayed to September 2019 by decision of GST Council. Even for bigger manufacturer also now reverse charge mechanism is not applicable till September 2019 and for composition dealer it is not applicable at all.

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সংশোধনী প্ৰস্তাৱটো withdraw কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন, চামুগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়,আমি এটা acadamic discussion ত এই কথাবিলাক উত্থাপন কৰিছো। আমি কৈছো যে যিহেতু অন্যান্য ৰাজ্যতকৈ আমি **১০** লাখ টকাৰ ঠাইত **২০** লাখ টকা দিব লগীয়া হৈছিলে। এতিয়া আমাৰ **৩০** লাখ টকা কৰিব পাৰে নেকি? আমি কৈছো যে আগতে যেতিয়া কৰিছে সদনতো আজি কৰি দিলে সংশোধনী এটা কৰি আনিছোয়ে। যিহেতু **১০** লাখ টকাত আগত বহুত deprive হল, মাননীয় মন্ত্ৰী মহোদয়ে যিহেতু council ৰ এজন সদস্য **৩০** লাখ টকাতো কৰিব পাৰে নেকি? আমি অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া মন্ত্ৰী ডাঙীয়াই তেখেতে ইতিমধ্যে কৈছে যে এই পৰামৰ্শটো welcome কৰিছো । কিন্তু আজি নহব ভৱিষ্যতত চাব। ঠিক আছে, তেখেতে উত্তৰ দিব।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, GST Act ত এইটো কথা লিখা আছে বা আমি যিকোনো ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰ দুয়োটাই GST Council ৰ অনুমতি

অবিহনে একো কৰিব নোৱাৰো। গতিকে সদনৰ মনোভাৱতো মই GST Council ক জনাম বুলি আশ্বাস দিছো। যদি GST Council য়ে অনুমতি দিয়ে তেতিয়া হ'লে আমি নিশ্চয় এই সদনত বিষয়টো ঘুৰাই আনিব পাৰিম। কিন্তু আজি মই কিবা প্ৰতিশ্ৰুতি দিলেও সেইটো applicable নহব কাৰণ সংবিধানে কৈছে যে without recommendation of GST Council, GST Act ৰ একো পৰিবৰ্তন নহয়। আৰু দ্বিতীয়তে অধ্যক্ষ মহোদয়, চন্দ্ৰমোহন পাটোৱাৰী আপোনাৰ দৰে নেতা ১৫ বছৰে সদনত আছিলে। অহংকাৰে আপোনালোকক কিমান আমনি কৰিছিল সেই বিষয়ে মাননীয় অধ্যক্ষ মহোদয়ে আৰু চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই নিজে জানে। অধ্যক্ষ মহোদয়, এই Act ত যিহেতু অহংকাৰৰ কোনো amendment অনা নাই, কাৰণে অহংকাৰৰ defination ৰ ওপৰত মই একো নকওঁ। মাননীয় অধ্যক্ষ মহোদয়, পাটোৱাৰী ডাঙৰীয়া আপোনালোকে নিজেই জানে অহংকাৰৰ meaning কি?

মাননীয় অধ্যক্ষ ঃ- দুয়োজনেই আহিবচোন মোৰ অফিচতে বহি চাহ একাপ খাবহি, হ'ব। গতিকে এতিয়া এইটো withdraw কৰি লওঁক।

( সদনত হুলস্থুল হয় )

**মাননীয় অধ্যক্ষ ঃ**-Please, please.

**শ্ৰী ৰকিবুল হুছেইন, সদস্য ঃ**- ঠিক আছে তেখেতে এটা যুক্তিপূৰ্ণ কথা কৈছে। মই আমাৰ সদস্য সকলৰো ৰায় লৈছো, যিহেতু তেওঁ কৈছে যে যিহেতু ১০ লাখ টকাৰ ঠাইত ২০ লাখ টকা আমাৰ দিয়া নাছিলে, ১০ লাখ দিয়াৰ কাৰণে আমাৰ বহুত ক্ষুদ্ৰ ব্যৱসায়ীৰ অনিষ্ট হৈছিল। এতিয়া কৈছে যে সদনৰ মনোভাব, যিহেতু তেওঁ বাবটো কাউঞ্চিলৰ সদস্য, তেওঁ ক'ব। আৰু অতি সোনকালে আমাৰ ক্ষুদ্ৰ ব্যৱসায়ী সকলক ৩০ লাখ টকা কৰাৰ কথাটো কাউঞ্চিলক ক'ব। সেই ব্যৱস্থাৰ যোগেদি তেওঁ ক' ব যেতিয়া কৈছে, আমি এটা Constructive opposition হিচাপে এই কথাটো মানি লৈছো। সেই কাৰণে আমি এইটো withdraw কৰিছো।

মাননীয় অধ্যক্ষ ঃ- Thank you. এতিয়া মই প্ৰস্তাৱ কৰিব বিছাৰিছো যে দফা নং ১১ বিধেয়কৰ অংশ হ'ব। যি সকল সদস্য সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ১১নং দফাটো বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ১২,১৩,১৪,১৫,১৬,১৭,১৮,১৯,২০,২১,২২,২৩, আৰু ২৪ নং দফাত কোনো সংশোধনী প্ৰস্তাব নাই। সেয়ে মই প্ৰশ্নটো আপোনালোকৰ মাজত উত্থাপন কৰিছো, যে ১২ ৰ পৰা ২৪ নং লৈ দফাকেইটা বিধেয়কৰ অংশ হ'ব, যি সকল সদস্য- সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ১২ৰ পৰা ২৪ নং দফা কেইটা বিধেয়কৰ অংশ হৈছে। এতিয়া বিধেয়কৰ২৫ আৰু ২৬ দুয়োটা দফাতে হাফিজ বছিৰ আহমেদ আৰু আপোনাৰ সহযোগী সকলৰ দুটা সংশোধনী আছে। যিহেতু ২৫-২৬ Continuous দুয়োটা একেলগে কৈ উত্তৰ দি আগবাঢ়িব বিছাৰিছো।

**শ্ৰী আমিনুল ইছলাম,সদস্য ঃ**-মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত সংশোধনী প্ৰস্তাব বিলাক আনিছিলো অসমৰ ৩ কোটি ৩০ লাখ জনসাধাৰণৰ, কেনেকৈ ভাল হয়? তেখেত সকলৰ কল্যাণৰ কথা চিন্তা কৰিয়েই আনিছো। আৰু আমি ভাবো যে এই বিভাগটোত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল কি নীতি কৰিলে জনসাধাৰণ উপকৃত হ'ব? গতিকে এই বিভাগটো কোনো ৰাজনৈতিক আক্ৰমণ প্ৰত্যাক্ৰমণ বা আগন্তুক নিৰ্বাচন কেন্দ্ৰীক এটা ডিভাইচ নহয় গতিকে আমি এতিয়া ইয়াত Participate কৰা মানে, এনেকুৱা হৈ যাব যেন আমিও যেন আমিও নে এটা ৰাজনৈতিক-----

মাননীয় অধ্যক্ষ Please, Please, Come to the main point.

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** যিহেতু আমি কেৱল অসমবাসীৰ পক্ষত আছো, অসমবাসীৰ সামগ্ৰীক স্বাৰ্থৰ বাহিৰে এই বিলাক বিভাগ অন্য উদ্দেশ্যত ব্যৱহাৰ কৰাত আমি পক্ষপাতি নহয়।

**মাননীয় অধ্যক্ষঃ—** Please, Please,kindly

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-**গতিকে আমি সংশোধনী প্ৰস্তাৱটো আমি উত্থাপন নকৰিলো যিহেতু আমি এইটো ৰাজনৈতিক উদ্দেশ্যত এই ডিভাইচটোৰ ব্যৱহাৰ নাই।

**মাননীয় অধ্যক্ষ ঃ-** ৰাজনৈতিক উদ্দেশ্য অনা বুলি কোনেও কোৱা নাই। মই এটা এটা Clause কলৈ আলোচনা কৰিবলৈ দিছো কেলেই, ? I want detail discussion of everything because we are legislative Assembly, we have to legislate laws মইটো গোটেই কেইটা আপোনালোকক একেলগেও কব পাৰিলো হয়, গতিকে এই দুটা যদি withdraw কৰিছে ভাল কথা কিন্তু যদি কিবা point আছে, you can raise ইয়াত কোনো ৰাজনৈতিক ডিবেট হোৱা নাই। এইটো তেনেকুৱা একো হোৱা নাই। House ত অলপ এই বিলাক থাকে। এইবোৰ নাথাকিলে House নিৰস হ'ব।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-**এইটো হয় ছাৰ, এইবাৰ হ'বও লাগে।

**মাননীয় অধ্যক্ষ ঃ-** আপোনালোকে যদি point টো withdraw কৰে, মই সুখী হম। কাৰণ আৰু দুখন bill আছে।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-**withdraw কৰিলো বুলি declear কৰিলো।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। Thank you.

এতিয়া ২৪-২৫ withdraw হৈছে। গতিকে এই দুয়োটা দফা বিধেয়কৰ অংশ হ'ব। যি সকল সদস্য- সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, গতিকে মই ভাবো ২৪-২৫ নং দুয়োটা দফা বিধেয়কৰ অংশ হ'ব। এতিয়া ২৭,২৮,২৯,৩০,৩১, এই দফাকেইটাৰ কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। গতিকে প্ৰশ্নটো হৈছে ২৭ ৰ পৰা ৩১ নং দফাকেইটা বিধেয়কৰ অংশ হ'ব। যি সকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ২৭ ৰ পৰা ৩১ নং দফা কেইটা বিধেয়কৰ অংশ হৈছে বুলি মই ঘোষণা কৰিলো। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভনত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়ে বিধেয়কৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন সদনত উত্থাপন কৰিলো। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কৰ অংশ হ'ব। যি সকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, গতিকে বিধেয়কৰ ১নং দফা যিহেতু হয় সাপেক্ষে আছে সেয়ে ১নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভন বিধেয়কৰ অংশ হৈছে। এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ- মাননীয় অধ্যক্ষ মহোদয়, "The Assam Goods and Services Tax ( Amendment) Bill, 2018 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ-** So, now I let to move that "The Assam Goods and Services Tax ( Amendment) Bill, 2018 be passed. Those who are in favour say ayes , those who are against, say noes, I think ayes have

it, ayes have it, ayes have it গতিকে প্ৰস্তাৱটো পাৰিত কৰা হৈছে। বিধেয়কখনো পাৰিত কৰা হৈছে বুলি মই ঘোষণা কৰিলো। ইয়াৰ পিছত "The Assam Sri Sri Anirudhadeva Sports University Bill, 2018. এই বিলখন মই উত্থাপন কৰিবলৈ বিচাৰিছো সদনত। ৰাজভৱনৰ পৰা বিধেয়কখনৰ বিবেচনাৰ বাবে এটা প্ৰস্তাৱ পঠিয়াইছে, Under the Provision of Article 207(3) of the Constitution of India, I prof. Jagdish Mukhi, Governor of Assam, recommend "The Assam Sri Sri Anirudhadeva Sports University Bill, 2018 be taken in to Consideration by the Assam Legislative Assembly মই Parliamentary Affairs Minister বা মুখ্যমন্ত্ৰী ৰ হৈ এই বিল খনৰ বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্য মন্ত্ৰীৰ হৈ "The Assam Sri Sri Anirudhadeva Sports University Bill, 2018 বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো। প্ৰস্তাৱটো হৈছে "The Assam Sri Sri Anirudhadeva Sports University Bill, 2018 be taken in to Consideration those who are in favour say ayes , those who are against, say no, I think ayes have it, ayes have it, ayes have it গতিকে মই প্ৰস্তাৱটো গৃহীত কৰা বুলি কৈছো। এতিয়া বিধেয়কৰ ২ নং দফাত মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ সংশোধনী আছে। মই সংশোধনীটো উত্থাপন কৰিম। মই তাৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্য** ঃ- ছাৰ এইটো only clause 2 নেকি ? এইটো বাকীখিনি পিছত পৰ্য্যায়ক্ৰমে-

**মাননীয় অধ্যক্ষ** ঃ- আমি একেলগেও লব পাৰো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী**ঃ- অধ্যক্ষ মহোদয়, বিল আৰু দুখন আছে। এখেত সকলে যিটো এমেণ্ডমেন্ট আনিছে, এমেণ্ডমেন্টটো মানি লৈছো আৰু ম'ভ কৰিব নালাগে।

মাননীয় অধ্যক্ষ ঃ- এমেণ্ডমেন্টটো চৰকাৰে গ্ৰহণ কৰিছে আৰু এইটো পৰিপ্ৰেক্ষিতত আপোনালোকে প্ৰত্যাহাৰ কৰিলে সেইটো। মই বিলখন একেলগে ল'ব খুজিছো। সদনৰ সন্মতি আছে নে ? বাকী কেইটা ম'ভ কৰা বুলি মই ধৰি লব পাৰোনে ? গতিকে আপোনালোকে এমেণ্ডমেন্ট কেইটাৰ ওপৰত কওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্য** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে Clause 2 accept কৰিলে। গতিকে Next Clause, clause 5. So, Speaker Sir, I will look all the Clauses together, except one.

Hon'ble Speaker:- I have allowed you, except বুলি নহয়, সেইটো আপোনালোকৰ মানি লৈছে বুলি বেলেগ এজন Member য়ে কৰিব।

Hon'ble Speaker:- Which number?

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্য** ঃ-That is Preamble.Hon'ble Speaker Sir,

I moved that in Sub clause 36.

Hon'ble Speaker ঃ- I think this has been taken as moved .

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্য ঃ**-অধ্যক্ষ মহোদয়, যিটো মূল সংশোধনীটো অনা হৈছিল, ইয়াত এই সংশোধনীটো অনাৰ উদ্দেশ্য হ'ল, Clause টোত আছে Provided that no college or Institution shall be so admitted except with the prior approval of the State Government অৰ্থাৎ এই University ৰ অধীনত যিবোৰ কলেজ থাকিব সেইখিনি Government ৰ Permission নোহোৱাকৈ affiliation নহব। মানে Universityয়ে লব নোৱাৰিব। মাননীয় অধ্যক্ষ মহোদয়, গোটেই বিলখন যদি আপুনি চাই দেখা পোৱা যায় যে এই University খনৰ ওপৰত চৰকাৰৰ যথেষ্টখিনি কণ্ট্ৰোল আছে বিভিন্ন Clause ত unlike other Universities. কিন্তু আমি বাকী কণ্ট্ৰোলৰ ওপৰত চৰকাৰৰ যি কণ্ট্ৰোল, সেইখিনিৰ আমি সংশোধনী বিচৰা নাই। একমাত্ৰ এটা Clause ত চৰকাৰৰ যিটো নিয়ন্ত্ৰন যে, বিশ্ববিদ্যালয়ে কোনখন কলেজ ল'ব, নল'ব, আমি চৰকাৰে যাতে তাত হস্তক্ষেপ নকৰো। অন্তত এটা বিষয় যে, বিশ্ববিদ্যালয়ৰ ওপৰত এৰি দিও যাতে তেওঁলোকে Sports Development ৰ ক্ষেত্ৰত Sports Science Development ৰ ক্ষেত্ৰত Physical Education Development ৰ ক্ষেত্ৰত কোনখন কলেজ লব লাগে, যাতে তেওঁলোকে চৰকাৰৰ পৰা অনুমতি নোলোৱাকৈ লব পাৰে। বাকী যিখিনি চৰকাৰৰ নিয়ন্ত্ৰন আছে, এটাটো আমি হস্তক্ষেপ কৰা নাই। মই আকৌ এবাৰ কৈছো যে, unlike other University আমাৰ এইখন University ত যথেষ্ট খিনি চৰকাৰৰ বহুকেইটা Clause ত নিয়ন্ত্ৰনৰ ব্যৱস্থা আছে। সেইবোৰ আমি হস্তক্ষেপ কৰা নাই। মাত্ৰ তাতে কোন কলেজ লয়, ল'ব নল'ব সেইটো যাতে চৰকাৰে নিজৰ মতে কৰিব পাৰে। ইয়াৰ পিছত যিটো Clause 3, Sub-Clause 6.

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ ৫,৬, আৰু ৩২ আছে সংশোধনী।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটোত Literally ৰ অলপ সমস্যা ।ইয়াত আছে Active participation, it will ensure active partcipation of students shall be ensure all academic activities of the University. Upto this point is ok. Including evaluation of teachers giving an impression as if the evalution of the teacher will be done by the students. আচলতে হ'ব লাগে Including evaluation by the teaches. There should be active participation of the students গতিকে 'of' দিয়াৰ লগে লগে যিহেতু wrong meaning হৈ যায়। Instead of evalution by teacher হৈছে evalution of the teacher. গতিকে এইটো মাননীয় মন্ত্ৰী মহোদয়ে গ্ৰহণ কৰিব বুলি আশা কৰিলো। Clause 6. ইয়াত আছে, The University shall be open to person of any whatever caste, creed, race or class. মই যিমানখিনি বুজি পাইছো, এইকেইটা শব্দই religion শব্দটো সাঙুৰি নলয়। সেই কাৰণে মই religion শব্দটো Include কৰিব দিছো, যাতে বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম সকলোকে যাতে সাঙুৰি লোৱা হয়, সেই কাৰণে মই religion শব্দটোৰ সংশোধন বিচাৰিছো। ইয়াৰ পিছত Clause 32. This is important compare to others. Clause 32 ত this is regarding conditions of service of employees. ইয়াত এটা condition দিয়া হ'ল যে, Tribunal য়ে যেতিয়া

University আৰু employee ৰ মাজত service condition লৈ কিবা মতবিৰোধ হ'ব। তেতিয়া তেওঁ Tribunal ত যাব পাৰিব আৰু Tribunal ৰ judgement ৰ পাছত আৰু তেওঁ ক'তো appeal কৰিব নোৱাৰিব। Which is perhaps against the basic tanet of our students. সেই কাৰণে আমি কৈছো, যিখিনি available option থাকিব judicial remady ৰ কাৰণে তেঁওলোকে High Court যদি Tribunal ৰ judgement ৰ ওপৰত তেওঁৰ অসন্তুষ্টি থাকে তেওঁ High Court ত যাব পাৰিব, Supreme Court ত যাব পাৰিব আমি ভাৱো নাগৰিকৰ এইঅধিকাৰটো, employees. ৰ এই অধিকাৰ ৰোধ কৰাতো ঠিক নহব। Out of all the amendments this is most important. গতিকে মই আশা কৰিম যে মাননীয় মন্ত্ৰী মহোদয়ে এই কেইটা সংশোধনী গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী হাফিজ বচিৰ আহমেদ আপোনালোকৰ আছে ৯,১০,১৭ আৰু ২০. চাৰিটা সংশোধনী। It has been treated as moved all the amendments. এতিয়া আপোনালাকে ক'ব পাৰে।

**শ্ৰী আমিনুল ইছ্‌লাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, Clause 9 ত amendment আনিছো। ইয়াত University ত যিটো officer যি সকলৰ যিখন লিষ্ট দিয়া হৈছে, ইয়াত 'D' নম্বৰত আছে The Finance Officer and like other Universities আমি বিচাৰো যে, Finance Officer should be empowered as Finance and Account Officer এইটো সংশোধনী কৰি Finance and Account Officer কৰিব লাগে with power of account. Clause 10 ত আমি যিটো amendment আনিছো। Clause 4 ত দিয়া আছে যে Vice Cencellor য়ে অন্য যিসকল authority আছে officer সকল তেওঁলোকে যিখিনি কাম কৰিব বা যিখিনি ordinance মতে কাম নকৰে বা তেওঁলোকে যিটো prepare কৰে Vice Cencellor ৰে দেখে যে, এইটো ঠিক হোৱা নাই Vice Cencellor ৰে এইটো ৰিটাৰ্ণ কৰি দিব 60 days তেওঁলোকক reconsider কৰিব দিব। আমি বিচাৰিছো যে, reconsider কৰিবলৈ আচলতে ইমান দিন সময় নালাগে। কিছুমান গুৰুত্বপূৰ্ণ কথা থাকিব যে, হয়তো এসপ্তাহতে তেওঁলোকে কৰিব । গতিকে আমি ভাৱো 60 days টো 30 days কৰিব লাগে। Within 30 days যাতে তেওঁলোকে এইটো reconsider কৰে। Clause 17 ত The following shall be the authorities of the University. ইয়াত যিকেইটা authority The Court,The Executive Council, Academic and Activity Council, The Finance Committee, Board of Sports Studies তাৰ লগতে আৰু এটা আমি সংযোজন কৰিব দিছো (f). (f) ত দিছো Distinguish Sportsmen Welfare Board. বৰ্তমানৰ যিটো (f ) সেইটো (g) হৈ যাব। যিসকল প্ৰভাৱশালী খেলুৱৈ আছে, অসমত তেওঁলোকৰ welfare ৰ কাৰণে Separate Board তেওঁলোকক কেনেকৈ pickup কৰিব National Level ত আগুৱাই দিব। এইটোৰ পৰা এখন Separate Board কৰাৰ কাৰণে যাতে তেওঁলোকৰ প্ৰতি নজৰ ৰাখে। এইটো আমি সংযোজন কৰিব দিছো। Clause 20 ত after sub-clause (2) ত আমি আৰু এটা sub-clause সংযোজন কৰিব দিছো The academic and Activity Council ৰ যিটো Duty আছে, তেওঁলোকক আৰু এটা Duty দিয়া হ'ল যে, to prepare course and curriculam and modernise time to time. Clause 2 ত আছিল Academic and Activity

Council ত Duty কি হ'ব ? তাত দুটা আছে, আমি মানি লৈছো আৰু এই Duty টো দিব লাগে যে, course and curriculam টো Addition কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়া, এই গোটেইকেইটা একেলগে ক'ব চৰকাৰৰ view টো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো Clause 2 সেই সংশোধনীটো আমি মানি লৈছোৱেই, তাত অসুবিধা নাই কিন্তু Clause 5 ত যিটো সংশোধনী আনিছে, সেই সংশোধনীটো Prior Permission of the Government. কলেজবিলাক যি বিশ্ববিদ্যালয়ে লব, গতিকে চৰকাৰৰ তাত এটা নিয়ন্ত্ৰন থাকিব লাগিব। কাৰণ বিশ্ববিদ্যালয় এখন যেতিয়া কৰা যায়, কেতিয়াবা কেতিয়াবা দেখা যায় যে, curriculam ৰ বাহিৰতো কিছুমান লব চায় বিশ্ববিদ্যালয়ে। যিটো উদ্দেশ্য ৰাখি আইনখন অনা হৈছে, এই আইনখনত গোটেই বিলখন অনা হৈছে। এই বিলখনৰ উদ্দেশ্য হ'ল যে ক্ৰীড়াজগতখন এখন ভাল হওঁক। তাৰে উদ্দেশ্যৰে অনা হৈছে। গতিকে এই বিশ্ববিদ্যালয়ৰ এটা নিৰ্দিষ্ট লক্ষ্য আছে, সেই কাৰণে চৰকাৰৰ Prior Permission নোলোৱাকৈ কলেজ ললে অসুবিধা আছে। গতিকে এই সংশোধনীটো আনি লোৱাত অলপ অসুবিধা আছে। কাৰণ চৰকাৰৰ অনুমতি এইক্ষেত্ৰত লাগিব। বিশ্ববিদ্যালয় বিলাক যদিও Automous. তাত চৰকাৰৰ তৰফৰ পৰা বিত্তীয় কথা জড়িত থাকে বা অন্যান্য ক্ষেত্ৰত জড়িত থাকে। গতিকে এই কথাখিনিত চৰকাৰৰ এটা নিয়ন্ত্ৰণ নাথাকিলে আচলতে বিশ্ববিদ্যালয় খন ভালকৈ চলিবলৈ অসুবিধা হব। গতিকে এই সংশোধনী মানি লোৱাত অলপ অসুবিধা আছে। গতিকে নতুন বিষয় কিছুমান লয় বিশ্ববিদ্যালয়ে। বিশ্ববিদ্যালয়ে নতুন বিষয় বিলাক ললে সদায় চৰকাৰৰ পৰা অনুমতি লয়। শিক্ষামন্ত্ৰী ডাঙৰীয়া ইয়াত আছেই, তেখেতে জানে, ধৰি লোৱা হ'ল যে বড়োলেণ্ড বিশ্ববিদ্যালয় অসমীয়া বিষয়, বিজ্ঞানৰ কিছুমান বিষয় লৈছে। গতিকে সেইটো চৰকাৰৰ অনুমতি নহ'লে উচ্চ শিক্ষা বিভাগে সেইটো ল'ব নোৱাৰে, এইখিনিত অসুবিধা আছে। ইয়াত বিত্তীয় ব্যৱস্থাৰ কথা জড়িত গৈ আছে। গতিকে সেই কাৰণে এইটো সংশোধন আনিবলৈ অলপ আমাৰ অসুবিধা হ'ব। দ্বিতীয় কথা হ'ল যিটো Clause 5 (3) যিটো আছে যে ইয়াত 'of ' আৰু 'by' শব্দ দুটাৰ মাজত পাৰ্থক্য আছে। আপোনালোকে by বুলি কৈছে, বিলখনত of আছে। আজিকালি এটা কথা হৈছে, Modern Institute ত Students feedback আচলতে important matter. কাৰণ teacher, guest teacher যিসকল আহে, তেওঁলোকক evaluate কৰাৰ কাৰণে Students ৰ feedback খিনি Modern Institute বিলাকত আজিকালি লয়। গতিকে এইটো 'of ' আৰু 'by' শব্দ দুটাৰ মাজত কোনো grammatical কথা নাই। কাৰণ কোনো Students feedback in the modern institution is equally important. Whether one guest teacher or one teacher is eligible for teaching in the University. So, this is equally important.

সেই কাৰণে ইয়াত of the Teachers । evaluation of Teachers is not an error। গতিকে এই ক্ষেত্ৰত এই amendmend টো মই ভাৱো মাননীয় সদস্যগৰাকীয়ে বুজি পাব । তাৰ পিছত ৬ নং টো আছে - আগৰটো ক'ব লাগিলে আমাৰ এ ই ইউ ডি আই এফৰ পৰা amendmend যিটো আনিছে, clause - 6 ত যিটো কথা কোৱা হৈছে, যিটো ৰিলিজিয়নৰ কথা কোৱা হৈছে। গতিকে 'religion' শব্দটো থাকিলে তাত কোনো অসুবিধা নাই। সেইটো মানি ল'ব পৰা যাব।

তাৰ পিছত ৯ নং টো কৈছো। - অধ্যক্ষ ডাঙৰীয়া আমাৰ ক্লজ যিটো ৫ তাত দুটা আছে। গতিকে সেইটো দুটাৰ উত্তৰ দিলো। মই ভাৱো যে, মাননীয় সদস্যগৰাকীয়ে সন্তুষ্ট হ'ব।

এতিয়া ৯ নংটো হ'ল- ইয়াত হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ দলৰ সন্মানীয় বিধায়কসকলৰ আছিল যে- clause and Sub Clause - D of the Clause-9 . D shall be substitute by the work finance and accounts officer সেইটো কোনো objection নাই সেইটো মানি ল'ব পৰা যাব। গতিকে এমেণ্ডমেন্টটো আমি মানি লৈছো।

ক্ল'জ -১০ টো হ'ল- হাফিজ বছিৰ আহমেদ ডাঙৰীয়া তেখেতৰ সহকর্মীসকলে আনিছে, ইয়াত কৈছে in sub clause -4, of the clause 10 of the proposed Bill. " the word Sixty offering in 9-8 shall be 11. shall be substituted by the word 30 গতিকে চিক্সটিৰ ঠাইত থাৰ্টিটো মানি ল'ব পৰা যাব। গতিকে এই এমেণ্ডমেন্টটো আমি মানি লৈছো।

তাৰ পিছত আৰু এটা amendmend আছে sub clause E , amendmend clause no-17 , after sub clause B of the clause-17 of the proposed Bill a new sub clause shall be inserted as distinguish - Sports men - sports welfare and existing clause- clause- F shall be re-numbered S - G . after sub clause অধ্যক্ষ ডাঙৰীয়া এইটো অসুবিধা হৈছে কি যে Sports welfare Board ৰ সদস্যও ল'ব লাগে। Sports welfare Board বুলি কোনো বস্তু নাই। badminton Federation , Foot Ball Federation আছে, বা Kabadi association আছে। গতিকে এনেধৰণৰ বহু organisation আছে। এই organisation বিলাকৰ parents organisation হ'ল Assam olympic Association । অসম ক্ৰিকেট সন্থাও আছে গতিকে এই যিটো কথা কৈছে ইয়াত, welfare Board ৰ পৰা সদস্য লোৱা কথাটো কৈছে, গতিকে সেইটো ল'লে ঠিক নহ'ব। গতিকে মাননীয় সদস্যগৰাকীয়ে নিশ্চয় এইটো বুজি পাব। বহু অৰ্গেনাইজেশ্যন আছে সকলোৱে সদস্যভৰ্তিৰ বাবে বিচাৰিব। গতিকে এইটো মানি লোৱাত আমাৰ অসুবিধা আছে।

২০ নং যিটো কথা হৈছে - sub clause-2 of the proposal Bill- three academic and activity council shall be prepared course and curriculam and modernised time to time . এইটোত অসুবিধা নাই। ভালে হৈছে এইটো এমেণ্ডমেণ্ড অনা বাবে ।

এতিয়া ৩২ নং টো হ'ল - এইটো শ্বেৰমান আলি ডাঙৰীয়াই যিটো কথা কৈছে- আচলতে কি হয়, যে আমাৰ tribunal য়ে যিটো finally এজন দোষী বিষয়া বা কাৰোবাৰ ওপৰত ব্যৱস্থা ল'ব- ট্ৰিবুনেলৰ ৰায়টোৱে ইয়াত ফাইনেল বুলি কোৱা হৈছে । কিন্তু তেখেতে কৈছে এইটো অলপ বেছি strong হৈছে। কিন্তু অধ্যক্ষ ডাঙৰীয়া তাৰ পিচত কিন্তু এই ব্যৱস্থা আইনখনত আছে । ৩২ ত আছে । 3 (B) ৰ পি চত তেখেতে যদিও এমেণ্ডমেন্ট আনিছে । থ্ৰি ৰ পিচতে আমাৰ আছে- চেকেণ্ড পেৰাত। ইয়াত first para টোত আছে decision of the tribunal shall be final। and no suit shall be lay in any civil court in any respect of the matters decided by the Tribunal . তাৰ পিছত লেখা আছে provided by

nothing in the sub- section-2 shall prelude the employees from Revenue - the Judicial remedies available under Article -32 and 226 of the Constitution . গতিকে আইনবিলাক তেনেকৈ কৰা হয়। ভাৰতীয় সংবিধানৰ আধাৰত যিটো মৌলিক অধিকাৰৰ কথাটো আছে, সেই কথাটো আপুনি যিহেতু amendmend দিছে - পিছৰ লাইনটোতে এইটো আছে। গতিকে মই ভাৰো এইখিনিৰ ক্ষেত্ৰত এমেণ্ডমেণ্ডৰ প্ৰয়োজন নাথাকে ।

মাননীয় অধ্যক্ষ মহোদয়ঃ ৩২,২২, ২৭ everything is covered এতিয়া preamble টো আপোনালোকে কৰি ল'ব। ইয়াত মুঠতে ৮ amendmend আছিল আপুনি ৮ টাৰ উত্তৰ দিলে। তেখেতসকলে কৈছে যে preamble ত এটা এমেণ্ডমেণ্ড আছে।

শ্ৰীআমিনুল ইছলাম ঃ অধ্যক্ষ মহোদয়, নিয়মমতে সকলোখিনি পাছ হোৱাৰ পিচত preamble খিনি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই কেৱল সুধিছিলো যে আগতে কৰি ল'ব নেকি ? আপোনাৰ কথাটো মই মানি লৈছো ।এতিয়া এই যে আলোচনাৰ উত্তৰ দিলে- মই দেখিলো ইয়াত আপোনালোকৰ ৮ টা এমেণ্ডমেন্টৰ ৫ টাই চৰকাৰে মানি লৈছে । দুই এটা কথা আপোনালোকে point out কৰিছে। Government য়ে এইটো accept কৰিছে। সেই কাৰণে বিলবিলাক এনেকৈ clause by clause গ'লে সাধাৰণতে immediate amendmend নগ'লেও হয়। ৫টা amendmend Government accept কৰিছে। ২, ৬, ৯, ১০, ২০ এই কেইটা হৈ গৈছে । আৰু ৫ টো - passed to , for of - এই শব্দকেইটাৰ কাৰণে কৈছে । সেইটো Student ৰ will কৰিবলৈ দিয়াৰ কথাটো মইও ভাৰো এইটো correct - আজিকালি ল'ৰা ছোৱালীবিলাককো Teacher evaluation কৰিবলৈ দিয়াটো দৰকাৰ। তাৰ পিছতে ১৭ নং টো sports organisation ৰ কথাটো কৈছে- তেখেতে কৈছিলে যে - one Body নাই । গতিকে সেইটো মই ভাৰো government এ একো ভুল কৰা নাই। Last যিটো আছে ৩২ - no body can stop - any body now a days - Government servent কি কয় যে - তেওঁলোকে গ'লে যাব নোৱাৰিব। কিন্তু Government Servent ৰ ক্ষেত্ৰত লেখা থাকে কিন্তু সকলো ৩২ আৰু ২৬ ত vast scope দি থৈছে। any grievance can move । direct look the supreme court and High Court under 32-27 দিছে। গতিকে সকলোৱে যাব পাৰিব গতিকে মই ভাৰো তিনিটাও একেবাৰে legaly - মই একেবাৰে reject কৰিব নোৱাৰো কথা কেইটা ।

শ্ৰীআমিনুল ইছলাম ঃ আমি ছাৰ ৪ টা amendmend দিছিলো তাৰ ভিতৰত ৩ টা government accept কৰি লৈছে আৰু বাকী যিটো আছে আমি withdraw কৰি ললো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ - এতিয়া শ্বেৰমান আলি ডাঙৰীয়া আপোনালোকৰ । ৪ টা আছে।

শ্ৰীশ্বেৰমান আলি আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয় প্ৰথম আমাৰ সংশোধনী- clause -5 ৰ To admit to privilege and colleges and institute of Assam subject to such condition as may be laid down by Statute provided that no college or institution shall be so admitted accept to the prior approval approval of the State Government. এডমিট টু মই সংশোধনি অনাৰ উদ্দেশ্য হ'ল যে academic Line যাতে university টোৰ autonomy থাকে । আৰু

Statute control কৰিব । Statute বনোৱাৰ ক্ষেত্ৰত আমাৰ Government participation থাকিব কাৰণ চাব hon'ble MLA will be nominated to court, -council so they have , government will have participation . second কথাটো হ'ল -

**মাননীয় অধ্যক্ষ ঃ** সেই point টো মই জানিব বিচাৰিছো , মই আপোনাৰ পৰা শিকিব বিচাৰিছো । ইয়াত কৈছে যদি মোৰ ভুল হোৱা নাই । college বিলাকৰ affiliation শব্দটো Government ৰ এটা prior permision বিচাৰিছে। মোৰ যদি ভুল হোৱা নাই। university বিলাকৰ আচলতে ultimately finance কৰিব লাগে Governmentয়ে। যধে মধে শব্দটো আচলতে ক'ব নাপায় কিন্তু আজিকালি হৈছেতো । college বহু লৈ লয় university বিলাকে। আজি বড়োলেণ্ডত কি চলি আছে। আমি হাউচত বহিব লগা হৈছে, নিয়ম মতে আমি বহিবই নাপায়। গতিকে আপোনাৰ মতে কি হৈছে যে কলেজ বিলাক যদি নতুনকৈ ল'ব খোজে তেতিয়া চৰকাৰৰ এটা অনুমতি ল'বহে কৈছে। যদি চৰকাৰে কয় যে আমাৰ অৰ্থনীতিটো সিমান ভাল নহয় তোমালোকে আৰু এখন নলবা, অসুবিধাত পৰিব পাৰে, কিবা কিবি থাকিব পাৰে এই কথাবিলাকত। তেওঁলোকৰ পোষ্ট ওলাব দিব লাগিব, সেই কথাটো মই ভাৰিছো সেইটো totally মই নাভাৱো autonomy কিবা হস্তক্ষেপ। আপুনি কথাটো ভাৰি চাই কওঁক উত্তৰটো।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** চাৰ, which will already interference, I will leave it the wisdom of Government. মই এটা কথা কব খুজিছো চাৰ, মই যিমানখিনি জানো এই sports University টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এটা সপোন আছিল, সপোন বাস্তৱত ৰূপায়িত কৰিব। গতিকে এই যে ইউনিভাৰচিটি খিনিৰ ওপৰত, বাকী চাৰ আপুনি যদি চাই Guwahati University, Dibrugarh University চৰকাৰৰ ইমান control নাই, ইয়াত যথেষ্ট control আছে। আপুনি যদি বিল খন চাই সেইবোৰত আমি একেবাৰে হস্তক্ষেপ কাৰা নাই execpt academy lineটো। যিহেতু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সপোন এইটো বাস্তবায়িত।

**মাননীয় অধ্যক্ষ ঃ** academy lineত হ'ব নাপায়।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মই ভাৱো যে মুখ্যমন্ত্ৰী মহোদয়ে যিটো Vice Chancellor বা যিবোৰ দিব তেওঁলোকক ভাল মানুহে দিব, per excellent দিব আৰু তেওঁলোকক এইটো লাইনত।

**মাননীয় অধ্যক্ষ ঃ** I think, further discussion is others. আপুনি এইটো কৈছে চৰকাৰে চাব।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** I will complect the wisdom. Next টো, যিহেতু মাননীয় মন্ত্ৰী মহোদয়ে কৈছে, It regards to evaluation of teacher, so, I have no objection. I will withdraw it. Religionটো মানি লৈছে third, 32 মাননীয় অধ্যক্ষ মহোদয়, constitution ৰ Article 32 speech ত আপুনি ভালকৈ জানিব তথাপি মোৰ অনুভৱখিনি কৈছো, it is releated to the fundamental right, part 3 of the constitution does not related to service condition. There may be some anomolish, pay structure.

**মাননীয় অধ্যক্ষ ঃ** I think as a lawer, I can't agree with you. মানে ঘটনাটো কি

হৈছে it is wide. মোৰ যদি ভুল হোৱা নাই আপুনি আজি চৰকাৰৰ wisedom লৈ এৰি দিয়ক, মইও চাম। এই যিবিলাক লেখনি, ইয়াত যিবিলাক লিখিছে এইবোৰ নতুন নহয়, বাকী বিলাকটো এনেকৈ আছে। থাকিব লাগে মোৰ হিচাপত। মই lawer হিচাপে থাকোতে মই ভাৱিছিলো এইটো কিয় কৰে, সবতে এনেকৈ লিখে। আচলতে এইটো এটা লিখাৰ style আৰু তেওঁলোকে Provision টো নিদিলে হেতেন তেতিয়াও এনেই কিবা যদি grievance হয় তেওঁলোকে Supreme Court, High Court যাব পাৰে। আপুনি যদি Provision ইয়াত নিদিয়ে, কাৰণ আমাৰ ভাৰতত গণতন্ত্ৰটো কিমান ষ্ট্ৰং জানেই because of three Judiciary. সেইটো Judiciary য়ে সাধৰণতে welcome কৰে। তেওঁলোকে এইবিলাক, তেওঁলোকে এইটো কাটি দিব। এইটোৰ কাৰণে মই ভাৱো যে এইটোত আপুনি I think you will also leave it to the wisdom of the Government. পিছত মই নিজেও চাম দৰকাৰ হলে।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মোৰ মনৰ কথাখিনি ক'ব খুজিছো চাৰ, Article 32ত clearly লিখা আছে Remedies for enforcement of right comfort by this part that means part 3 the Right to move the Supreme Court by appropriate proceedings for enforcement of the right comfort by this part, by this part means part 3 fundamenntala right. এতিয়া চাৰ, মোৰ মনত থকা সুধোয়নিখিনি কৈছো pay structure ত খেলিমেলি থাকিব পাৰে anomolish হ'ব পাৰে, promotion ৰ ক্ষেত্ৰত খেলিমেলি থাকিব পাৰে। ইয়াৰে বহু কথা part 3 য়ে cover নকৰিব পাৰে constituationত এক নম্বৰত আৰু নাম মাত্ৰে যিটো ২২৬ ৰ কথা কৈছে, সেইটো।

**মাননীয় অধ্যক্ষ ঃ** I think, we should not debate much, we have just 5/6 minutes, এইটো academy we can debate later on. Today, time is running out. Now, we have another thing.

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** চাৰ, মোৰ মনৰ কথাখিনি কলো, এতিয়া মোৰ ২২৬ ৰ, 226 is nothing, it also related to enforcement of the right guarenteed under part 3 of our constitution, only thing is that the jurisdiction of High Court has been extended here. গতিকে চাৰ, এই কথাখিনি যদি service condition, pay structure, এইবোৰ fundamental right ৰ আওতাত আহিবনে নাহিব, এই কথাখিনি চালিজাৰি চাই I also leave it the wisdom of the Government and I also leave it to the wisdom of you the Chairman of this house to consider, of couse এইখিনি আমাৰ at firstly affect হ'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** Thank you, last, আমি এইটো পাছ কৰি লওঁ। যিহেতু সংশোধনীখিনিৰ ৫ টা সংশোধনী মানি লৈছে, ৩ টা আমি আলোচনাৰ মাজেদি withdraw কৰিছো। গতিকে মই গোটেইকেইটা সংশোধনী একেলগে দিব বিচাৰিছো, মানে গোটেইকেইটা দফা যে আমাৰ Clause no ২ ৰ পৰা ৪৭ নম্বৰ দফা কেইটা, এই দফা কেইটা যিহেতু সংশোধনী প্ৰস্তাৱ যিখিনি আছিল কিছু withdraw হ'ল, কিছু চৰকাৰে মানি ললে। গতিকে এই গোটেইকেইটা দফা বিধেয়ক খনৰ অংশ হ'ব বুলি মই ক'ব বিচাৰিছো। যি সকল ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে গতিকে বিধেয়ক খনৰ ২ নম্বৰ পৰা ৪৭ নম্বৰলৈ দফা কেইটা বিধেয়কৰ অংশ হৈছে। এতিয়া বিধেয়কৰ আৰম্ভণিত এটা

Preamble amendment আছে দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলে কৰিছে। মই সেইটো উত্থাপন কৰি ক'বৰ কাৰণে অনুৰোধ কৰিছো।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, Preambleত আমি যিটো সংশোধনী দিছো, সেইটো আপুনি move হোৱা বুলি বাকীখিনিত ধৰি লৈছে। সেইটো বাৰু move নকৰো কথাখিনিহে কওঁ। ক্ৰীড়া বিশ্ববিদ্যালয়ৰ এটা ভাল পদক্ষেপ, আমি কেৱল বিচাৰিছো অধ্যক্ষ মহোদয়, এই বিশ্ববিদ্যালয়ত কেইবাটাও কেম্পাচ হ'ব লাগে, চৌহদ হ'ব লাগে, BTAD এৰিয়া, নামনি অসম, উজনি অসম, বিশেষকৈ নাজিৰা, বৰাক উপত্যকা এনেকৈ কেইবাটাও কেমপাচ হ'ব লাগে আৰ বিভিন্ন কৰবাত আৰ্চাৰী শিকিব, কৰবাত ফুটবল শিকিব, কৰবাত Cricket ৰ Coursing হ'ব, এনেকৈ আমি কেইবাটাও কেম্পাচ হোৱাটো বিচাৰিছো, আমি আশা কৰিছো চৰকাৰে আমাৰ প্ৰস্তাৱটো মানি ল'ব।

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister please.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইউনিভাৰচিটিৰ যিহেতুকে Out Line Campus ৰ ব্যৱস্থা আছে, গতিকে মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, already ইয়াতে Preamble ৰ details ত যদি আমি যাওঁ, details ত গলে গোটেইখিনি তেখেতে জানিব পাৰিব। যে ইয়াত Campus, বিভিন্ন Campus ৰ বিভিন্ন ইউনিভাৰচিটিৰ Out Line Campus ৰ ব্যৱস্থা আছেই, আনকি distance educationৰো ইয়াত provision আছে। গতিকে এইটোত আচলতে Preamble ৰ কোনো বিশেষকৈ amendment আনিবলগীয়া নাই, আপোনালোকে যিখিনি কৈছে সেইখিনি already there are in the preamble.

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। আমি ভাৱো যে এইটোৰ আৰম্ভ হওঁক আৰু আপোনালোকে আজি কালি গোটেই কথাবিলাক সকলো open হৈ থাকে, ইমান কোনো Rigid হ'বই নোৱাৰে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** কিবা আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কেম্পাচ এটা যাতে কৰিমগঞ্জত হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, কৰিমগঞ্জত প্ৰথমে দিব লাগিব। এতিয়া মই এইটো withdraw কৰা বুলি ধৰি লৈছো। এতিয়া মই শেষলৈ আহিছো। বিধেয়ক খনৰ যিটো এক নম্বৰ দফা সেইটোৰ সংশিপ্ত নাম আৰু পৰিষৰ ইয়াত এইকেইটাৰ যি সংশোধনী আছিল Preamble কে ধৰি, সেই সংশোধনী প্ৰত্যাহাৰ কৰাৰ কাৰণে মই কব বিচাৰিছো যে বিধেয়ক খনৰ ১ নং দফা সংশিপ্ত নাম, পৰিষৰ আৰু লগতে আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব। যি সকল ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকল ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১ নং দফা সংশিপ্ত নাম, পৰিষৰ, আৰম্ভণ বিধেয়ক খনৰ অংশ হৈছে। মই এতিয়া মাননীয় মন্ত্ৰীক বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Sri Sri Ariruddhadeva Sports University Bill, 2018" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো এতিয়া সদনত উত্থাপন কৰিছো "The Assam Sri Sri Ariruddhadeva Sports University Bill, 2018" be passed. Those who

avour say, in favour say, yes, those who against say no, I think, Ayes have it, Ayes have it, Ayes have it, গতিকে প্ৰস্তাৱটো পাৰিত হৈছে, বিধেয়ক খনো মই পাৰিত কৰা হ'ল বুলি ঘোষণা কৰিছো। এতিয়া আৰু এখন বিল আছে। ২ টা বাজিবলৈ ২, ৩ মিনিট আছে, সেইবাবে অকমান সময় বঢ়াই লম। মই এতিয়া ৰাজভৱনৰ পৰা অহা "The Assam Inland Water Transport Regulatory Authority Bill, 2018" ৰ ওপৰত এটা বানী আহিছে, মই সেই বানীটো পঢ়ি শুনাইছো "Under the provision of Article 207 Sub-Clause 3 of the Constitution of India, I, Pro. Jagdish Mukhi, Governor of Assam, recommend for consideration of "The Assam Inland Water Transport Regulatory Authority Bill, 2018" in the House of the Assam Legislative Assembly". মই মাননীয় মন্ত্ৰীক সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Inland Water Transport Regulatory Authority Bill,2018" বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো "The Assam Inland Water Transport Regulatory Authority Bill,2018" be taken into consideration. যি সকলে ইয়াৰ সপক্ষে আছে কওঁক হয় আৰু যি সকলে ইয়াৰ বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়কৰ ২ নম্বৰ দফাৰ পৰা কেইবাটাও দফাত সংশোধনী আছে, যে প্ৰথমতে শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়াৰ নামত এটা আছে, লগতে বাকী কেইটা সংশোধনী কংগ্ৰেছ বিধায়িনী দলে যিখিনি আনিছে মই উত্থাপন কৰা বুলি ধৰি মই কবৰ কাৰণে তেখেত সকলক কবলৈ অনুৰোধ কৰিছো। ইয়াৰ উপৰি নিশ্চিত ভাৱে শ্ৰী হাফিজ বছিৰ আহমেদ ডাঙৰীয়া সকলোৰো কেইটামান সংশোধনী আছে মই সেই কেইটাও উত্থাপন কৰি লোৱা বুলি ধৰি এখেতৰ পিছত আপোনালোকক বিধি কেইটাৰ ওপৰত কবলৈ অনুৰোধ কৰিলো। অলপ চমুকৈ কব।

**শ্ৰী শ্বেৰমান আলী আহমেদ(মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই Bill টো খুৱ গুৰুত্বপূৰ্ণ। মই প্ৰথমে গোটেই কেইটা যদিও সংশোধনী আপুনি উত্থাপন কৰা বুলি ধৰি লৈছে ছাৰ প্ৰথমতে Clause 2 ত হে মই অলপ Specially আলোচনা কৰিব খুজিছো। যি Bill অনা হৈছে, Bill খনৰ উদ্দেশ্য খুৱ ভাল আৰু ইয়াৰ প্ৰতি আমাৰ ১০০ শতাংশ Support আছে কবলগীয়া একো নাই। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, বোধহয় এই বিলখনে আমাৰ আৰু এক শ্ৰেণীৰ নাওঁ চৰকাৰৰ উদ্দেশ্য যে নদী বা বিলত যিবোৰ নাওঁ Commercial Basis ত চলে সেইবোৰক সাঙোৰি পেলাই খুৱ সম্ভৱ বিলখন আনিছিলে। কিন্তু এই বিলখনে আমাৰ অসমত আমি সকলোৱে জ্ঞাত প্ৰায় ৬ মাহ আমাৰ অসমৰ প্ৰায় ৫০ শতাংশ মানুহ পানীৰ তলত থাকে আৰু তেওঁলোকে তোওঁলোকৰ নিত্ত প্ৰয়োজনীয় বিভিন্ন কাম কৰিবলৈ বা লৰা-ছোৱালী বিদ্যালয়ত যাবলৈ ডাক্তৰ মাতিবলৈ এই ধৰণৰ নিত্ত প্ৰয়োজনীয় কাম কৰিবলৈ আমাৰ আৰু এক ধৰণৰ নাওঁ চলে যিটো একমাত্ৰ পৰিয়ালটোৰ কাৰণে ব্যৱহাৰ হয় বা Household Activities এতিয়া এই বিলখনে কিন্তু সেই Distinction টো ৰখা নাই। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, যদি আমি গোটেই নাওঁখিনি সামৰি লওঁ এই যে গাওঁত Day to day activities ৰ কাৰণে যেতিয়া বাৰিষা আহিলে

ডাক্তৰটো মাতিবলৈ গলে নাওঁ লব লাগিব। খেতিৰ শস্য কাটিবলৈ নাওঁ লব লাগিব, খেতিৰ শস্যখিনি বিক্ৰী কৰিবলৈ নাওঁ লাগিব। এই যে পৰিয়ালৰ Day to day activities কৰাৰ কাৰণে যিখিনি নাওঁ ব্যৱহাৰ হয় যিবোৰ কেতিয়াও Commercial use ত ব্যৱহাৰ নহয়, যদি এইখিনি নাওঁক আমি exclude কৰি নাৰাখো The boats, the country boats which are not used for commercially, which are used for performance for day to day household activities. যদি আমি বাহিৰত নাৰাখো ডাঙৰ অসুবিধা হব কাৰণ এই নাওঁটোৰ অত্যন্ত কম খৰচত বনোৱা হয় ৫হাজাৰ ৩ হাজাৰ ৭ হাজাৰ ১০ হাজাৰ কাৰণ অন্ন বস্ত্ৰ বাসস্থান যেনেকৈ প্ৰয়োজনীয় অসমৰ প্ৰায় ৫০ শতাংশ মানুহৰ ৬ মাহৰ কাৰণে নাওঁতো তেনেকুৱা প্ৰয়োজনীয়। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, গোটেই নাওঁখিনি সামৰি লোৱা হয়, তেতিয়া হলে ইয়াত যি বিলাক Condition ৰখা হৈছে এই সৰু নাওঁৰ কথা কৈছো, Commercial নাওঁৰ কথা কোৱা নাই। সৰু নাওঁ বিলাকত ইয়াৰ প্ৰায় আপোনাৰ ২৪টা মান Condition full fill কৰিব লাগিব বা Additional বস্তু তাত Fitting কৰিব লাগিব। তাৰ ভিতৰতে কেইটামান হে কৈ দিছো, যেনে এই নাওঁবোৰত Safety Briefing Audio System থাকিব লাগিব। সেই country boats খনত safety briefing Audio system all most meaning-less. তাৰ পিছত Life Saving Jacket, Life Saving Equipments থাকিব লাগিব। First Aid Box থাকিব লাগিব with all emergency equipments and medica-tion, portable fire extinguisher, Smoking zone পৃথকে থাকিব লাগিব। Physi-cally disabled ৰ কাৰণে পৃথকে ব্যৱস্থা থাকিব লাগিব আৰু এই নাওঁবোৰত Vessel op-erator, Pilot আৰু Ferry service provider ৰ কাৰণে Professional training লব লাগিব আৰু training লৈ পেলাই তেওঁলোকে Certificate লব লাগিব। সেই Cer-tificate নাওঁখনত লৈ ফুৰিব লাগিব। এই চৰ্তবোৰ আৰু আছে অধ্যক্ষ মহোদয়, Navigation Light থাকিব লাগিব, সেই নাওঁবোৰত Sound, Signalling Equipments থাকিব লাগিব। Actually, these are not possible in country boats. Emergency Com-munication Equipments থাকিব লাগিব। Sir, these are the conditions. Flame gauge থাকিব লাগিব, Emergency Power থাকিব লাগিব, Charging of Battery ব্যৱস্থা থাকিব লাগিব। Maritime Radio System থাকিব লাগিব প্ৰতিটো নাওঁত। তাৰোপৰি Pollutant ৰ কাৰণে বিশেষ ব্যৱস্থা থাকিব লাগিব যাতে Pollution নহয়, এই ধৰণৰ প্ৰায় ২৪ টা Third Party Liability Insurance থাকিব লাগিব। এই ব্যৱস্থাবোৰৰ পৰা যদি এই ঘৰুৱা কামত ব্যৱহাৰ কৰা পৰিয়ালটোৱে নিজৰ দৈনন্দিন কামত ব্যৱহাৰ কৰা সৰু সৰু নাওঁ ৫/১০ টকা যাৰ খৰচ যদি এই নাওঁবোৰ আমি Bill খনৰ পৰা আতৰত নাৰাখো তেতিয়া হলে মাননীয় অধ্যক্ষ মহোদয়, এই অহা বানপানীৰ পৰা সাংঘাতিক ধৰণৰ বেমাজালিৰ অসমত সৃষ্টি হব। কাৰণ কোনোবা মানুহ নিজৰ ল'ৰা-ছোৱালী থবলৈ সৰু এটা নাওঁ লৈ ওলাব তেতিয়া পুলিচে আহি ধৰিব। আপোনাৰ নাওঁত এই ব্যৱস্থা নাই, কনোৱাই নিজৰ ঘৰৰ ধানখিনি, চাউলখিনি, মৰাপাটখিনি বিক্ৰী কৰিবলৈ বজাৰত লৈ যাব বাৰিষা during that 6 months of time, পুলিচে ধৰিব এই ধৰণৰ অসুবিধাৰ সন্মুখীন হব সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰীক অনুৰোধ কৰিম Bill খনৰ প্ৰতি আমাৰ ১০০ শতাংশ Support আছে, একমাত্ৰ ঘৰুৱা কামত ব্যৱহাৰ কৰা নিজৰ পৰিয়ালটোৰ কাৰণে Commercial use ত নহয়, যিবোৰ Commercial use হয় তাৰ

কাৰণে এই আইনবোৰ বলবৎ কৰক কিন্তু এই ঘৰুৱা নাওঁবোৰৰ ক্ষেত্ৰত যাতে এই আইনটো বলবৎ নহয় যাতে সেই ঘৰুৱা নাওঁখিনি এই আইনৰ পৰা বাহিৰত ৰাখে সেই কাৰণে আমি এই ২ নম্বৰ Caluse ত গোটেইখিনি সংশোধন আনিছো। ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ঠিক আমি যেতিয়া এখন আইন সদনত আনো সেই আইনখন আমি আনো এই উদ্দেশ্যে যাতে সৰ্বসাধৰণ ৰাইজৰ কল্যাণ হয়। আমাৰ মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই কৈছে যিখিনি কথা কৈছে মই কথাখিনি ভালকৈ শুনিছো। আমি আইনখন অনা উদ্দেশ্য কি যে আমাৰ Safety measures লগা হৈছে। কিয় Inland Water Transport যিটো Depertment এই Depertment টো হোৱাৰ পৰা ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কোনো তেনেকুৱা Enforcement বা কোনো Regulation কৰা কোনো Provision নাই আৰু নথকাৰ ফলত জধে-মধে চলাইছে, কোনো নীতি নিয়ম নাই যাৰ ফলত মেডাৰটাৰীত এখন নাওঁডুবী মানুহ মৰিছিল ২০১৩ চনত। ২০১৩ চনতে খোচলা আয়োগে এটা Report দিছিল, আৰু সেই খোচলা আয়োগে যিটো Report দিছিল। সেই Report টো ওপৰত ভিত্তি কৰি আচলতে এই আইনখনত বহুত Clause ইয়াত সোমোৱা হৈছে। আৰু খোচলা কমিটিৰ যিটো Report সেইটো ভাল Report আছিল আৰু Inland Water Transport বিভাগটোত এতিয়া কোনো Regulation নাই, সেইদিনা যেতিয়া নাওঁ এখন দুৰ্ঘটনা হৈছে, এই কাৰণে যে নাওঁখনৰ Single engine আছিল। engine টো বেয়া হৈ গল, তাত জাইকাৰ এটা Project আছিল সেই জাইকাৰ Project ত খুণ্ডা মাৰিলে আৰু নাওঁখন দুফাল গৈ ভাঙি গল। সেই নাওঁখন বা জাহাজখন আচলতে চলিবলৈ ঠিক নহয়। তাৰ Fitness certificate সেইখনত থাকিবই নোৱাৰে নিয়ম মতে তাত কোনো Regulation নাই কাৰণে সেই বিলাক কোনো নাচায়। গতিকে জাহাজখন ভাঙি যোৱাৰ ফলত তাত এজন সন্ধানহীন হ'ল আৰু ৩ জনৰ মৃত্যু হল। গতিকে সেইদিনা যেতিয়া টি.ভি বা বাতৰি কাকতে মোক সুধিছিল, সেইদিনাও আমি কৈছো এইবাৰ বিধান সভাত আমি এখন আইন আনিম, তাত এই যিটো বিভাগ তাত যেতিয়া খোচলা আয়োগে ২০১৩ চনত report দিছিল মেডাৰটৰিত দুৰ্ঘটনা হোৱাৰ ফলত আৰু তেতিয়া আমি সিদ্ধান্ত লৈছিলো এখন আইন আনিম বুলি আৰু যিখন আইনৰ জৰিয়তে কিছুমান নিয়ম আমি enforce কৰিম আৰু সেই enforce যদি আমি নকৰো তেতিয়া হলে দুৰ্ঘটনা আৰু বৃদ্ধি পাব। আমাৰ মাননীয় সদস্য গৰাকীয়ে কৈছে যে তাত Sound System থাকিব, fire extinguisher, No Smoking zone আৰু শাৰীৰিক ভাৱে বিশেষ সক্ষম লোকৰ বাবে বিশেষ ব্যৱস্থা থাকিব, এইবাৰ আমি কৰিছো আৰু যি সকলে এই নাওঁবোৰ চলাব তেওঁলোকক Training certificate দিয়া হব আৰু মই মাননীয় সদস্য গৰাকীক এটা কথা জনাব বিচাৰিছো যে Training ৰ ব্যৱস্থাটো চৰকাৰে কৰিব। আমি এটা Training Institute অলপতে স্থাপন কৰি Training ৰ ব্যৱস্থাটো আমি কৰিম। গতিকে আইনখন যিটো Mechanically propale vessel তাৰ কাৰণে এই আইনখন অনা হৈছে। মাননীয় সদস্য গৰাকীক আমি জনাও যে ট্ৰেইনিংৰ ব্যৱস্থাটো চৰকাৰে কৰিব। গতিকে এই আইনখন যন্ত্ৰচালিত নৌকাৰ কাৰণেহে। আমাৰ মাননীয় সদস্যসকল এটা কথাত এক মত হোৱাতো উচিৎ হ'ব। ট্ৰেইনিং থাকিব লাগিব, লাইফ জেকেট থাকিব লাগিব, চাউণ্ড চিষ্টেম থাকিব লাগিব। চাউণ্ড চিষ্টেমৰ কথা আমি কিয় কৈছো। আমি যেতিয়া উৰাজাহাজত উঠো তেতিয়া আমাক কয় প্ৰথমে চিট বেল্ট বান্ধক, নিজে নিজে অক্সিজেন নামি আহিব আদি কথা। এই কথা বিলাক বিমানখন উঠাৰ আগতে কয়। আমাৰ যিবিলাক জাহাজ বা নাওঁ থাকিব তাত কিয় এই কথা বিলাক ক'ব নোৱাৰে।

যে আমাৰ ইয়াত চল্লিশজন যাত্ৰী উঠিছে, আপোনালোক সকলোৱে লাইপ জেকেট পিন্ধি লওঁক, নাওঁখন এতিয়া যাব, আপোনালোকৰ যদি কিবা অসুবিধা হয়, আপোনালোকে এইটো কৰিব ইত্যাদি। গতিকে মানুহৰ জীৱনক লৈ কোনো নীতি নিয়ম নোহোৱাকৈ জাহাজ বা নাওঁ চলাতো কোনো যুক্তি সংগত নহয়। সেইকাৰণে আমি এটা কথা ক'ব বিচাৰিছো, আমি এই বিভাগটো সামগ্ৰীক ভাৱে ৰিফাইন হওঁক। তাৰ কাৰণে আমি যোৱা দুই বছৰ ধৰি লাগি বিশ্ববেঙ্কৰ পৰা এটা প্ৰজেক্ট আনিছো। এই প্ৰজেক্টটোৰ জৰিয়তে নাওঁত নেভিগেশন, লাইট আদি দিয়াৰ ব্যৱস্থা থাকিব। যিহেতু ৰাতিও আমাৰ নাও চলিব। এইটো প্ৰচেছত আছে। যদি নেভিগেশন নাথাকে, লাইট নাথাকে তেতিয়া হ'লে ৰাতি জাহাজ নাইবা নাও কেনেকৈ চলিব। ফ্ৰাষ্ট এইড এই কাৰণে লাগিব হঠাৎ ব্ৰহ্মপুত্ৰ মাজত যদি কোনোবাৰ বেমাৰ হৈ যায় তেতিয়া কি কৰিব। গতিকে এই নূন্যতম ব্যৱস্থাখিনি থাকিব লাগিব। আমি মানুহ জীৱনৰ কথা ভাৱিহে এই বিলখন আনিছো। গতিকে সকলোৱেই মানি লোৱাটো উচিৎ। সিদিনাখন ব্ৰহ্মপুত্ৰত নাওঁখন এটা ইঞ্জিন থকাৰ বাবে দূৰ্ঘটনাত পতিত হৈছে। মই সেইকাৰণে সকলো মাননীয় সদস্যক এইখিনি মানি ল'বলৈ অনুৰোধ জনাইছো। অধ্যক্ষ ডাঙৰীয়া ইতিমধ্যে ওৱাজেদ আলি চাহাবৰ সমষ্টিত আমি উন্নত মানৰ জাহাজ দিছো মাজুলিতো দিছো। এই জাহাজ সমূহত দুশজন যাত্ৰী একেলগে যাব পাৰে। এই মাহৰ শেষৰ ফালে গুৱাহাটীটো দিম। প্ৰথমখন আমি হাতশিঙিমাৰীত দিছো অহা আঠ তাৰিখে আমি মাজুলিত দিম সেইখন এতিয়া গৈ আছে। অধ্যক্ষ মহোদয় মই এটা কথা সদনত অৱগত কৰিব বিচাৰো যে এখন জাহাজ বনাবলৈ গুৱাহাটীত দহ মাহ সময় লাগে। বৰ্তমান আমি কিছু জাহাজ বনাইছো। আমি চাৰিখন জাহাজ বৰাকত দিছো, মাননীয় বৰাকৰ সদস্য সকলে জানে যে প্ৰথম বৰাকতে দিছো। এতিয়া তিনিখন গুৱাহাটীত দিম। আমি কথা পাতি আছো বিশ্ববেঙ্কৰ জৰিয়তে অত্যাধুনিক এনেকুৱা নিৰাপদ জাহাজ ইয়াত কেনেকৈ বনাব পাৰি। সেই কাৰণে জাৰ্মানীৰ কোম্পানী এটাক ব্ৰহ্মপুত্ৰৰ সোত সম্পৰ্কত অধ্যয়ন কৰি কেনেকুৱা জাহাজৰ প্ৰয়োজন সেইটো ঠিক কৰিব দিছো। তেওঁলোকে প্ৰতিবেদন দিব। ভাৰত চৰকাৰৰ অনুষ্ঠানটিৰ লগত কথা পাতিছো গতিকে আমি উন্নত মানৰ জাহাজ দিম। গতিকে আমি মানুহৰ জীৱনৰ কথাটো ভাৱি এই বিলখন আনিছো গতিকে মই মাননীয় সদস্য সকলক অনুৰোধ জনাইছো তেখেতসকলে যাতে সংশোধনী কেইটা উঠাই লয়। আমি সকলোৱেই বুজিব লাগে যে - যাত্ৰীৰ সুৰক্ষা আমাৰ প্ৰধান লক্ষ্য। আমি কোনোবা নাওঁৰ মালিক সপক্ষে কোৱাতকৈ ৰাইজৰ সপক্ষে কোৱাটো ভাল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰীহাফিজ বছিৰ আহমেদে তেখেতৰ সংশোধনী তিনিটা উত্থাপন কৰিবলৈ অনুৰোধ জনালে।

**শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি যিটো সংশোধনী আনিছো After sub-clause (vii) of Clause 16 of the proposed Bill, a new sub-clause shall be added as follows:

(viii) " to regulate the number of passengers to be carried by different types of vessel and cargo" যিবিলাক ব্যৱসায়ীক নাওঁ আছে, সেইটোৰ কাৰণে এইটো সংশোধন দিছো। অধ্যক্ষ মহোদয় এটা কথা ক'ব বিচাৰিছো যে আজি আমাৰ যিবিলাক চৰ অঞ্চল আছে তাত - ইয়াত এঘৰ - তাত এঘৰ মানুহ থাকে। এই বিষয়টোৰ ক্ষেত্ৰত আমাৰ শ্বেৰমান আলি চাহাবে যিটো সংশোধনী আনিছে সেইটোত মোৰ সন্মতি আছে। আমাৰ মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে - সেইখিনি মাত্ৰ ব্যৱসায়ীক নৌকাৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব। অধ্যক্ষ মহোদয়, দুজন-তিনিজন মানুহ লৈ ফুৰিব পৰা, বানপানীৰ সময়ত মানুহে অহা-যোৱা কৰা, খেতিবাতি কৰিবলৈ

যোৰা এই যে ঘৰুৱা সৰু-সুৰা নাওঁ আছে, সেইখিনি এই বিলৰ আওটাৰ বাহিৰলৈ নানিলে সাংঘাটিক কথা হ'ব। কাৰ্য্যক্ষেত্ৰত যদি সেই নাওসমূহ বন্ধ কৰি দিয়া হয় তেতিয়া বহু মানুহৰ জীৱন ধাৰা বন্ধ হৈ যাব। সেইকাৰণে মই এইটো সমৰ্থন কৰিছো। মন্ত্ৰীমহোদয়ে আৰু অলপ তথ্য সংগ্ৰহ কৰি এই স্থানীয় যিখিনি নৌকা আছে সেইখিনি এই বিলৰ আওটাৰ বাহিৰলৈ আনিব লাগিব। অধ্যক্ষ মহোদয় আপুনি যদি কিছুমান ঠাইলৈ যায় তেতিয়া আপুনি দেখিব এনেকুৱা সৰু নাওঁ প্ৰতি ঘৰতে একোখন আছে। কাৰণ তাত বানপানী হয় গতিকে ঘৰৰ মানুহখিনি অহা-যোৰা কৰিব লাগিব। সেইকাৰণে মই মোৰ সংশোধনীটো বিবেচনা কৰাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, আমি যাত্ৰীবাহি নাওঁৰ ক্ষেত্ৰত যিটো আনিছো - ৰেগুলেটৰি ফাণ্ডৰ ক্ষেত্ৰত সেই ইনচাৰ্ট কৰিব লাগে। দ্বিতীয় সংশোধনী আমাৰ এটা আছিল। ইয়াত চাৰ Regulatory authority বনোৱাৰ কাৰণে যি কেইটা source পৰা তেওঁলোকে আয় কৰিব বিচাৰিছে, তাৰ এটাত দিছে Loan obtain form Government. আমি ইয়াত অলপ কৰিব বিচাৰিছো Loan obtain form Government or any other Financial Institution. এইটো include কৰিলে তেওঁলোকৰ fund collection ৰ ক্ষেত্ৰত আৰু অলপ বহল পৰিসৰত কাম কৰিব পাৰিব।

আমাৰ Clause - 27 ত আৰু এটা amendment আছে in Clause - 27 of the proposed Bill in between the words Training and **. . . . .** hours on rescue operations shall be inserted.

ইয়াত মহাশয়, Vessal Operator ৰ কাৰণে Trainig for Pilot and Ferry service commercial have the appropriate ability of professional knowledge and skill for relevent operation to Inland Water environment be familier to procedure and **requirements** task responding Professional Training. Professional Training লগতে Professional Training on rescue operation. 'On rescue operation' টো ইয়াত আমি Add. কৰিব বিচাৰিছো আৰু এই তিনিটাই আমাৰ প্ৰধান সংশোধনী আছিল। মই মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী ডাঙৰীয়াই যিটো সংশোধনী প্ৰস্তাৱ আনিছে সেইটো পুনৰ বিবেচনা কৰি প্ৰস্তাৱটো মানি লোৱাৰ বাবে আহ্বান জনাইছো আৰু লগতে আমাৰো যিখিনি সংশোধনী প্ৰস্তাৱ আছে সেইখিনি মানি লব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিলো।

**মাননীয়অধ্যক্ষ ঃ** শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, আপুনি কিবা কব বিচাৰে নেকি? নহ'লে মন্ত্ৰী ডাঙৰীয়াই বক্তব্য ৰাখক। (এইখিনি সময়তে কেইবাজনো মাননীয় সদস্যই হাত ডাঙি বক্তব্য ৰাখিব বিচাৰে যদিও মাননীয় অধ্যক্ষই কেৱল ডাঃ মতিউৰ ৰহমান মণ্ডলক দুআষাৰ কবলৈ অনুমতি প্ৰদান কৰে।

**ডাঃ মতিউৰ ৰহমান মণ্ডল, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই এই বিলখনৰ সংশোধনীৰ বাবে যি প্ৰস্তাৱ আগবঢ়ালে তাক পূৰ্ণ সমৰ্থন কৰাৰ লগতে দুআষাৰমান কথা কবলৈ বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, গাওঁ অঞ্চল বিলাকত ১০ হাত, ১২ হাত,বা ২০ হাতৰ কিছুমান সৰু সৰু গাঁও থাকে। এই নাওঁ বিলাকত বাৰিষাকালত বানপানীৰ সময়ত মানুহে উঠি ইখন ঘৰৰ পৰা সিখন ঘৰলৈ যায়, বজাৰলৈ বা খেতি পথাৰলৈ যায়। এইবিলাক নাওঁত ইঞ্জিন নাথাকে। এইবিলাক নাওঁকো যদি সেইটো 'catagory'ত সোমোৱাই লোৱা হয়, তেতিয়াহ'লে কিন্তু বহুত বিপদ হ'ব।

এই নাওঁবিলাক Classify কৰি যিবিলাক নাওঁৰ Tendre বা Bid কৰা হয়, পঞ্চায়ত বা অন্যান্য চৰকাৰী কামত ব্যৱহাৰ কৰা হয়, সেই সকলোবোৰ Arrest কৰক। কিন্তু যিবিলাক ব্যক্তিগত ভাৱে ব্যৱহাৰ কৰা হয়, সেইবিলাকক যাতে ৰেহাই দিয়া হয়।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ পৰামৰ্শটো ঠিকেই আছে।

**ডাঃ মতিউৰ ৰহমান মণ্ডল, বিধায়ক** ঃ অধ্যক্ষ মহোদয়, মই আৰু এটা প্ৰস্তাব দিব বিচাৰিছো যে ঘাট সমূহত যিবিলাক নাওঁৰ Tender কৰা হয় বা Bid দিয়া হয়, সেই নাওঁবিলাকৰ ওপৰত যি Licence বা Certificate বা Permission দিয়া হয়, সেই বিলাককহে Specific time এটা বান্ধি দিব লাগে। কিয়নো এবাৰ Registration হোৱাৰ পিচত সেই নাওঁ সমূহে Licence Re-new কৰাৰ ক্ষেত্ৰত অনাহক পলম কৰি থাকে। সেইবাবে এই নাওঁসমূহক দুমাহ বা চাৰিমাহৰ মূৰে মূৰে Licence খন Re-new কৰাৰ বাবে নিৰ্দিষ্ট সময় এটা ধৰি দিব লাগে। এই সম্পৰ্কত আমি প্ৰায়ে অভিযোগ পাই থাকো। ইঞ্জিনবিহীন নাওঁ বিলাকক এই Catagory ৰ পৰা বাহিৰত ৰাখিব লাগে।

**শ্ৰীওয়াজেদ আলী চৌধুৰী, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদিও amendment কেইবাটাও অনা হৈছে, মূল কথা কিন্তু এটাই। আমাৰ Clause - 2 ত শ্বেৰমান আলী ডাঙৰীয়াই ইতিমধ্যে কিছু কথা কৈছে যদিও কিছু কথা ৰৈ গৈছে। সেইখিনি মই সংযোগ কৰিব বিচাৰিছো যে - বৰ্তমান যিবিলাক Shallow Boat আমাৰ অঞ্চলত চলি আছে, সেই বিলাকত দুটাকৈ ইঞ্জিন বহুৱাব নোৱাৰি। বিভাগে যিমান সহজভাৱে এই পৰামৰ্শটো আগবঢ়াইছে, Practically কিন্তু সেইটো সম্ভৱ নহয়। কাৰণ চৰ অঞ্চলৰ কথা আমি বেছি ভালকৈ জানো। কিয়নো শৈশৱৰে পৰা এই অঞ্চল বিলাকৰ লগত আমি ওতঃপ্ৰোতভাৱে জড়িত। যিবিলাক Registered Ferry ঘাট আছে, সেইবিলাকত আপোনালোকে এই System কৰক, পঞ্চায়তৰ ঘাট সমূহতো কৰক। কাৰণ Inland Water Transport Department এ বহুদিনৰপৰা Life Saving Jacket ৰ কথা কৈ আছে। কিন্তু কথাটো আগতে গুৰুত্বসহকাৰে লোৱা নাছিল। আমাৰ অঞ্চল বিলাকো মাজুলি সদৃশ টুকুৰা টুকুৰ। দেখা যায় যে এটা পঞ্চায়তৰ ভিতৰতে দুটা-চাৰিটা চৰ আছে। সেয়েহে এটা চৰৰ পৰা আন এটা চৰ অঞ্চললৈ যাবলৈ নাওঁৰ প্ৰয়োজন হয়। নাওঁৰ বাহিৰে গত্যান্তৰ নাই। গতিকে মন্ত্ৰী মহোদয়ে যি Non-machanized নাওঁৰ কথা কৈছে, তাত যদি ঘৰুৱা নাওঁবিলাককো এই আইনৰ আওতালৈ অনা হয় তেতিয়া বহুত অসুবিধা হ'ব। কাৰণ Life Jacket কিনোতেই প্ৰতিখন নাওৰে প্ৰায় ২ লাখকৈ টকা খৰচ হ'ব। গতিকে শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই যি সংশোধনী প্ৰস্তাৱ আনিছে আৰু AIUDF ৰ হাফিজ বছিৰ কাচিমি চাহাবেও তাত সমৰ্থন আগবঢ়াইছে। গতিকে এইটো মন্ত্ৰী মহোদয়ে Consider কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া -

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী,**

**সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য সকলে যিটো কথা কৈছে সেই সম্পৰ্কত মই ক্লিয়াৰ কৰি কৈয়ে আছো যে এই আইনখন Machanically Prople Vehicle ৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব। ইয়াত Commercial বা Non-commercial কথা নাহিব। Safety ৰ ক্ষেত্ৰত এই ব্যৱস্থাটো লোৱা হৈছে।

**শ্ৰীৱাজেদ আলী চৌধুৰী , বিধায়ক** ঃ Machanically Prople Vehicle বুলি আপুনি কোনখিনি নাওঁৰ কথা কব বিচাৰিছে?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** Machanically Prople Vehicle কথায়ে বুজাইছো। Machanically Prople Vehicle whether it is for Commercial or Non- Commercial.

**মাননীয় অধ্যক্ষ ঃ** হাতেৰে বোৱা নাওঁবিলাকৰ ক্ষেত্ৰত কোৱা নাই।

**শ্ৰীৰাজেদ আলী চৌধুৰী , বিধায়ক ঃ** আমি জনপ্ৰতিনিধি হিচাপে এই অঞ্চলবিলাকৰ ৰাইজৰ খবৰ লোৱাটো অতি প্ৰয়োজন। তাৰ মানুহবিলাকে উপযুক্ত যাতায়ত অবিহনে কেনেদৰে চলিব এই ক্ষেত্ৰত আপুনি গুৰুত্বই দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই কৈ লওক। মই আপোনাকো কবলৈ সুযোগ দিম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** ২নং কথাটো হ'ল যে তাতে license and registration লিখা থাকিব । আমাৰ শ্বেৰমান আলি ডাঙৰীয়াই কৈছে যে license ল'ব লাগিল, registration কৰিব লাগিল । অধ্যক্ষ ডাঙৰীয়া আজি যদি মই ব্যক্তিগত ভাৱে এখন গাড়ী লওঁ তেতিয়া মই গাড়ীখন registration কৰিবই লাগিব। MVI ৰ পৰা fitness certificate লবই লাগিব। যদি সেইখন commercial নহৈ ব্যক্তিগত গাড়ী হয় তাৰ কাৰণে বছৰি বছৰি registration কৰিব লাগে MVI ৰ ৰিপোৰ্ট যদি ল'ব লাগে নাওঁখনৰ ক্ষেত্ৰত এই চেকিং কিয় হ'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি তেখেতক কিবা ক'ব বিচাৰিছে নেকি যে মই এইখিনি পাৰিম বা এইখিনি কৰিব নোৱাৰিম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, মই এটা কথাত স্পষ্ট যে ছিকিউৰিটি অৱ্ দ্যা পেছেঞ্জাৰৰ ক্ষেত্ৰত কোনো কম্প্ৰমাইজ নহ'ব। লাইফ জেকেট লাগিব। যিখিনি ব্যৱস্থা কৰিব দিছো, সেইখিনি কৰিব লাগিব আৰু দ্বিতীয় কথাটো হ'ল, আজি Regulatory authority য়ে আইনখন বিধান সভাত পাচ কৰি দিয়াৰ পিছত এখন authority হ'ব। authority য়ে এই গোটেই বস্তুখিনি চাব আৰু এটা সিদ্ধান্ত ল'ব যে, এই নাওঁখিনিৰ ভৱিষ্যত কি হ'ব। মই এইখিনিকে কলো যে, Security is must।

**শ্ৰীভূবন পেগু ঃ** অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা clarification বিচাৰিছো মই সিদিনা এই ডিবেতটো আহিব বুলি এমেণ্ডমেণ্টটো অনা নাই। কথাটো হ'ল আমাৰ ব্ৰহ্মপুত্ৰত যিমান নাওঁ চলি আছে, এন ডি আৰ এফে যিখিনি নাওঁ ৰেচকিউ অপাৰেচনত ব্যৱহাৰ কৰে তাত চিংগল ইঞ্জিন, ডাবল ইঞ্জিনৰ কনচেপ্টটো নাইয়েই, যিখিনি ব্ৰহ্মপুত্ৰত ব্যৱহাৰ হয়। সেই কাৰণে এই চিংগল ইঞ্জিনটো চিংগল ইঞ্জিন হিচাপেই থাকিব। নহ'লে এন ডি আৰ এফেও কাইলৈ ৰেচকিউ অপাৰেচনত যাব নোৱাৰিব। কিয়নো এন ডি আৰ এফে ব্যৱহাৰ কৰা নাওঁতো চিংগল ইঞ্জিন থাকে। সেই কাৰণে মই ভাৱো যে মন্ত্ৰী মহোদয় বাকী সকলো বিলাক চেফটি মিজাৰছৰ ক্ষেত্ৰত আমি আছো। কিন্তু চিংগল ইঞ্জিনটো ডাবল ইঞ্জিন কৰাটো এটা অসম্ভৱ কথা। বিশেষকৈ আমি নৈ পৰীয়া মিচিং মানুহ। আমাৰ তাত চিংগল ইঞ্জিন এপ্লিকেবল। ডাবল ইঞ্জিন তাত বহুৱাবই নোৱাৰে। ব্ৰহ্মপুত্ৰৰ ওপৰত দুটা নাওঁ লগ লগালেহে ডাবল ইঞ্জিন হব। কিন্তু যিখিনি ডাঙৰ নাওঁত আমি মাজুলীলৈ পাৰ হওঁ, মোৰ বগীবিল ঘাটটো যিখিনি পাৰ হয়, চাৰি-পাঁচখন গাড়ী নিব পৰা নাওঁ হয় তাত ডাবল ইঞ্জিনৰ কনচেপ্টেই নাই। তাত পাচফালে যিটো চিষ্টেম আছে তাত বহুৱাবই নোৱাৰিব। মাজতে মই গৈ এই বিষয়ে আলোচনা কৰিছিলো। ......

**মাননীয় অধ্যক্ষ ঃ** কিন্তু পেগু ডাঙৰীয়া যোৱাবাৰ এক্সিডেণ্টটোত চিংগল ইঞ্জিনৰ কাৰণে নাওঁখনে ক্ৰেচ কৰিলে। সেইকাৰণে ডাবল ইঞ্জিনৰ কথাটো কৈছে।

**শ্ৰী ভূৱন পেগু ঃ** চেফটি মিজাৰচ্ খিনিৰ লগত মই আছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** চিংগল ইঞ্জিন যদি ব্ৰহ্মপুত্ৰৰ মাজত বিকল হৈ যায় তেতিয়া কি হ'ব মই সেইটোহে কৈছো।

**শ্ৰী ভূৱন পেগু ঃ** অধ্যক্ষ মহোদয়, সেইটো আমাৰো হৈছে। যিহেতু নদীৰ মাজতে চলো, সেয়ে মই কথাটো জনাই দিব বিচাৰিছো। ইঞ্জিনটো বিকল হৈ গ'লেও এইবোৰ নাওঁত ইমান অসুবিধা নাই, কিয়নো আমাৰ ষ্টিয়েৰিঙটো থাকে। সিদিনাখন জাইকাৰ প্ৰজেক্টত খুন্দা মৰাৰ কাৰণেহে দুৰ্ঘটনাতো হৈছে। যদিহে জাইকাৰ পোষ্টত খুন্দা নামাৰিলেহেতেন লাহে লাহে পাৰলৈ চপাব পাৰিলেহেতেন।

**শ্ৰী প্ৰশান্ত ফুকন ঃ** অধ্যক্ষ মহোদয়, আমাৰ ইঞ্জিন বিলাকৰ কুৱালিটিতো বেলেগ বেলেগ। আমি বহু ঠাইত দেখো যে, kirloskar ইঞ্জিন এটা লগাই নাওঁখন চলাই আছে আৰু সম্পূৰ্ণ ভাৱে নিজাকৈ তৈয়াৰ কৰি লোৱা ইঞ্জিন এটাৰে নাওঁখন চলাই থাকে। তেনেকুৱা ধৰণৰ নাওঁবিলাক বেয়া হয়। সেইকাৰণে আমি এটা স্পেচিফিক কৰো যে টাটা গাড়ীৰ ইঞ্জিন, পাৰ্কিং ইঞ্জিন এনেকুৱা ধৰণৰ ভাল ভাল ইঞ্জিন লগোৱাৰ যদি ব্যৱস্থা কৰা যায় তেতিয়াহ'লে আমাৰ এটা ইঞ্জিনতে হ'ব। কাৰণ আমাৰ যিবিলাক কষ্টম ইঞ্জিন ডাঙৰ ডাঙৰ চিংগল নাওঁত আছে, আঠ-ন খন গাড়ী লৈ যোৱা নাঁও আছে, কিন্তু ইঞ্জিনটো ভাল সেয়ে আমি সেই কথাটো এনচিওৰ কৰিব লাগে যাতে ইঞ্জিনটো যাতে ভাল হয়। কাৰণ দুটা ইঞ্জিন এখন চিংগল নাওঁত মই জনাত বহুৱাব নোৱাৰে। কাৰণ তাত কোনো চিষ্টেমেই নাথাকে। সেয়ে কৈছো যে, আমি ইঞ্জিনটো এনচিওৰ কৰিব লাগে আৰু টাটা ইঞ্জিন লগোৱাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী ৰকিবুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে অনা প্ৰায় গোটেইখিনি কথা আমি মানি লৈছো। চেফটি মিজাৰছটো আপুনি যেনেদৰে কৈছে, তেনেদৰে এশ ভাগেই আমি মানি লৈছো। কেৱল কৈছো যে যিটো ঘৰুৱা নাওঁ যাক কাণ্ট্ৰি বোট বুলি কয় আজি এক্সিডেণ্ট হৈছে, আপুনি বিভিন্ন ধৰণৰ বিল আনিছে। আমি বেছিভাগ মানিয়েই লৈছো। আজি আমাৰ ডাঙৰ ডাঙৰ মানুহৰ হেলিকপ্টাৰত মৃত্যু হৈছে, ক'ৰবাত মুখ্যমন্ত্ৰী ক'ৰবাত প্ৰধানমন্ত্ৰী দুৰ্ঘটনাগ্ৰস্ত হৈছে কিন্তু তথাপিও ডাবল ইঞ্জিন বাধ্যতামূলক কৰিব পৰা নাই। হেলিকপ্টাৰতো চিংগল ইঞ্জিন থাকে। কেতিয়াবা কেতিয়াবা ইলিকচনৰ সময়ত যেতিয়া আমাৰ বিভিন্ন নেতা আহে তেতিয়া কয় যে, চিংগল ইঞ্জিন থকা হেলিকপ্টাৰত মই নাযাওঁ। কিন্তু হেলিকপ্টাৰৰ চিংগল ইঞ্জিনটো বহুতো ঘুৰি ফুৰে, গতিকে ইমান এটা টাইট পজিচন আমাৰ গাঁৱৰ মানুহ বিলাকক কৰি দিয়াত এটা অসুবিধা হয়। গতিকে চৰকাৰে এই কথাবিলাক অলপমান ভাবি চাওক আৰু এন ডি আৰ এফ যিয়ে আমাক বচাব আহে সেইটোও হৈছে চিংগল ইঞ্জিন। সেইটো ক্ষেত্ৰত চৰকাৰে কি কৰিব, যিয়ে আমাক বচাব আহে। কিন্তু ইঞ্জিনটো বিকল হ'লে সেইখন কিছু সময় উপঙি থকা দেখিছো। গতিকে যিয়ে আমাক বচাব যায় তাতো চিংগল ইঞ্জিন ব্যৱহাৰ হৈ আছে। গতিকে আপোনালোকে অলপ বিবেচনা কৰক আমি সমৰ্থন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী প্ৰদীপ হাজৰিকা ।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়া ব্ৰহ্মপুত্ৰৰ জলপথৰ ওপৰতেই কথাটো পাতিছো।...

**মাননীয় অধ্যক্ষ ঃ** এইটো সকলো নৈতে প্ৰযোজ্য হ'ব । অকল ব্ৰহ্মপুত্ৰৰ ওপৰতেই নহয়।

**শ্ৰী প্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ দৃষ্টি ভংগীটো ডাঙি ধৰিব বিচাৰিছো। ধৰা হ'ল এখন সৰু নাওঁ ব্ৰহ্মপুত্ৰত ওলাই আহিল আৰু ব্ৰহ্মপুত্ৰত এই নাওঁখনৰ accident হ'ল।

এতিয়া সেই responsibility টো কাৰ ওপৰত আহিব। সিদিনাখন যিটো accident হৈ গ'ল সেইটো হয় জাইকা প্ৰজেক্তত খুন্দা মৰাৰ কাৰণে হৈছে আমি নাওঁখন দেখি আছো। কাৰেন্ট ইমান আছিলে যে কাৰেন্ট এ নাওঁখন আনি তাত সোমোৱাই দিছে। নাওঁখন কিন্তু তাৰ পৰা হাতেৰে বা বৈঠা মাৰি ওলাই আনিব নোৱাৰে। মই এটা নিজৰ অভিজ্ঞতাৰ কথা কৈছো যিহেতু আমিও নৈৰ পাৰৰ মানুহ। আমি যেতিয়া দক্ষিন শালমাৰাৰ সীমান্ত অঞ্চলত গৈছিলো, আমি যিখন BSF ৰ motor boat লৈ গৈছিলো সেইদিনাই accident হ'লহেঁতেন।ব্ৰহ্মপুত্ৰৰ যিটো কাৰেন্ট সেইটো ভাৰিব নোৱাৰা বা মানুহে ধৰিব নোৱাৰে। সেইকাৰনে এই safety ৰ কথাটো আমি সকলোৱে ভালদৰে চিন্তা কৰি চাব লাগে যে দুটা ইঞ্জিন হ'লে চেফ কৰিব পাৰিবনে এটা ইঞ্জিন হ'লে চেফ কৰিব পাৰিব। কিন্তু আমি সৰু নৈ খনৰ কথা ভাৰিলেও যে যেতিয়া বানপানী হয় তেতিয়া এখন সৰু ভুৰেৰেও তালৈ গুছি গৈছো। কল গছৰ ভুৰটো বস্তু বাহানি লৈ গুছি যাবলগীয়া হয়। কিন্তু সেই সময়ত দূৰ্ঘটনা হ'লেও গোটেই দোষটো চৰকাৰৰ ওপৰত আহিব। যিহেতু আইন বনাইছে কিয়নো কাইলৈ আকৌ আইন বনাব নোৱাৰিব। আমাৰ গোটেই ৰাস্তা বিলাকত আপোনালোকে দেখিব যে আমাৰ ভাল ৰেগুলেশ্যন নথকাৰ কাৰণে যাৰ যি মন গৈছে ৰাস্তা বিলাকত গৈ আছে আৰু দূৰ্ঘটনা বিলাক সংঘটিত হৈছে। গতিকে গোটেই সদনে চিন্তা কৰি পেলাই আগবাঢ়িলে ভাল হ'ব নহ'লে পিছত অসুবিধাৰ সৃষ্টি হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সংশোধনী সকলোৱে উঠালে বুলিয়েই যে সকলোৱে ক'ব লাগিব সেইটো কোনো কথা নাই। মূল আপোনালোকেৰ যিটো কনচাৰ্ণ যে যদি এইবিলাক হৈ যায় আমাৰ বহুতো নাওঁ বহি যাব। বহুতৰ অসুবিধা হ'ব নেকি? সেইকাৰণে চৰকাৰে এটা পিৰিঅ'ড কনচাৰ্ণ কৰিব পাৰে যে ইমান দিনলৈ আমি বস্তুটো চলাই থাকিম লগতে ৰিভিউ হ'ব পাৰে। আমি আকৌ ডিচেম্বৰত বহিলে এইটো ৰিভিউ ও হ'ব পাৰে। গতিকে যদি কনচাৰ্ণটো চৰকাৰে বুজে তেতিয়াহ'লে ভাল নহ'লে বিলত মই নৰমেল পজিশ্যনত যাব লাগিব কাৰণ বিলখন মই আলোচনা কৰিম। আজিয়েই সমস্যাটো সমাধান নহয়। মই চাইছিলো কিবা কৰিব পাৰি নেকি? ইয়াত চৰকাৰে কি কৰিব তাৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰিব। গতিকে আমি চৰকাৰৰ ভিউটো শুনো। নহ'লে এইদৰে কথা পাতি থাকিলে বহু দেৰি হৈ যাব। এতিয়া শ্ৰী শুকুৰ আলী।

**শ্ৰী শুকুৰ আলী, বিধায়ক (চেঙা) ঃ** যিখন বিল ইয়াত আনিছে তাৰ আমি সমৰ্থন কৰিছো। কিন্তু বিলৰ কিছুমান দফাত আমি একমত হ'ব পৰা নাই। আমি চৰত বসবাস কৰো। ব্ৰহ্মপুত্ৰ, বৰাকৰ বুকুত বসবাস কৰো। ব্ৰহ্মপুত্ৰ, বৰাকৰ বুকুত বহুত চৰ-চাপৰি আছে। সেই চৰৰ মানুহখিনিৰ জন-জীৱন সম্পৰ্কে আমি অভিজ্ঞ। আমি নিজে জড়িত। এই কথাটো আজিৰ এই সদনে অনুভৱ কৰিব লাগিব যে আইন এখন বনোৱা হয় জনসাধাৰণৰ মঙ্গলৰ কাৰণে। সেই আইনে যদি জনসাধাৰণক বিপদত পেলায়, সেই আইন নিশ্চয় মঙ্গল দায়ক নহয়। গতিকে চৰ চাপৰিৰ বিষয়ে মোৰ এক বাস্তৱ ধাৰণা আছে, সেই একে ধাৰণা শ্বেৰমান ডাঙৰীয়াৰো আছে। তেওঁ যি সংশোধনী আনিছে, প্ৰত্যেকটো সংশোধনীৰে যুক্তি আছে। আৰু সেই কথা মই সদনত ব্যক্ত কৰিছো। মন্ত্ৰী ডাঙৰীয়াই যি বিল আনিছে তাৰো দৰকাৰ আছে। আজি স্থল পথৰ যথেষ্ট উন্নতি হৈছে। কিন্তু সেই হিচাপে জল পথৰ উন্নতি হোৱা নাই। সেই জল পথৰ উন্নতিৰ কাৰণে আমি সেই বিলখন আনিছো। ইয়াক আমি সমৰ্থন কৰো। কিন্তু ইয়াত আমাৰ এটা পৰামৰ্শ বা দাবী আছে যে আমাৰ প্ৰায় ত্ৰিশ লাখ মানুহ চৰ-চাপৰিত বসবাস কৰে। তেওঁলোকৰ এক মাত্ৰ যাতায়তৰ ব্যৱস্থা হৈছে নাওঁ। তেওঁলোক নাওঁৰেই এখন গাওঁৰ পৰা আন এখন গাৱলৈ যায়। নাওঁৰেই স্কুল-কলেজ আদিলৈ যায়। সেয়েহে এইসকল মানুহৰ

জনজীৱনৰ লগত নাওঁৰ এক বিশেষ সম্পৰ্ক আছে। আমি বিৰোধী বুলি বিৰোধ কৰা নাই। আমি তেওঁলোকৰ কথা অনুভৱ কৰিছো। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে তেওৰঁ গাঁৱৰ নলবাৰীৰ দক্ষিণ দিশে চৰ আছে। তেওঁ তাত নিশ্চয় গৈছে। আপুনি তাত খবৰ ল'লে গম পাব যে এইখিনি কৰিলে সেই লোকসকলৰ বহুত উপকাৰ হ'ব।

**শ্ৰী গুৰু জ্যোতি দাস, বিধায়ক (মঙ্গলদৈ) ঃ** মাননীয় অ্ধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীত আৰু বাৰিষাৰ সময়ত সকলোতে এইটো কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি কওঁক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আইন খনৰ এখন Regulatory Authority হ'ব আৰু আজি সদনৰ Concern খিনি মই তেওঁলোকক কম। কিন্তু আজিৰ দিনটোত মই এটা কথাহে কম যে Security Measures ৰ লগত যাতে কোনো Compromise নহয়। আপোনাৰ সমষ্টি কাছমৰা অঞ্চলত মই গৈছিলো। মই নিজে তাত গৈ তাৰ অৱস্থা দেখি মোৰ সাহস নোহোৱা হৈ গৈছিল। এইটো মোৰ নিজৰ ব্যক্তিগত অভিজ্ঞতা আপোনাৰ সমষ্টিত। আমাৰ বিভিন্ন জিলাত এনেকুৱা কিছুমান ঠাই আছে, য'ত বাৰিষাত ৰাস্তা নোহোৱা হৈ যায়। তেওঁলোকৰ ঘৰৰ পৰা মূল গড়কাপ্তানী বিভাগৰ ৰাস্তালৈকে অহাৰ বাবে নাওঁৰ বাহিৰে একো ব্যৱস্থা নাথাকে। এইসকলোবোৰ কথা মই অনুভৱ কৰিছো। মই আপোনালোকৰ সকলোখিনি কথা Regulatory Authority ক কম। কিন্তু আজি এটা কথা সকলোৱে উপলব্ধি কৰা দৰকাৰ যে নাওঁ এখনৰ মূল্য বা নাওঁৰ মালিকতকৈ মানুহৰ জীৱনৰ মূল্য বেছি হয়। এই আইনখন আজি আনিব লগীয়া হৈছে এই কাৰণে। এইখন আইন সাত দিনতে অনা আইন নহয়। আজি আমি যিখন আইন আনিছো সেইখনৰ ওপৰত আমি বহু দিনৰ পৰাই চৰ্চ্চা কৰি আছিলো। ১৯১৭ চনৰ ভাৰত চৰকাৰৰ আইন আছিল। আমাৰ অসমত কোনো Regulation নাছিল, আমি আনিছো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই কথা দিছো যে আপোনালোকৰ কনচাৰ্ণখিনি মই Regulatory Authority ক জনাম আৰু তেওঁলোকে যি Rules বনাই তেওঁলোকে সেই হিচাপে বনাব।

**শ্ৰী ভূৰন পেগু, বিধায়ক (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Double Engine টো বাদ দি Single Engine কৰিব লাগে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** আমাৰ ভূৰন পেগু ডাঙৰীয়াই যিটো কথা কৈছে যে আজি Double Engine নাই। এই Double Engine নোহোৱাটো আমি কিয় Consider কৰিম। মোক বহুলোকে জনাইছে যে আমি Double Engine কৰি দিম। কিন্তু পানী কমিলেহে Double Engine কৰিব পৰা যাব। কাৰণ নাওঁখন ওপৰত উঠাব পৰা যাব। সেইটো বিষয়ে মোক বহুতে অনুৰোধ কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক সকলোৱে Argument কৰি থাকিলে নহ'ব। আমি এইটো সমাধান কৰিব লাগিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** আজিৰ দিনটোত বিলখন উত্থাপন কৰিবলৈ দিবলৈ অনুৰোধ কৰিলো। মাননীয় সদস্যসকলে একমত হোৱা ভাল যে আমি জনসাধাৰণৰ স্বাৰ্থৰ হকে আমি কথা কওঁ আৰু জনসাধাৰণৰ স্বাৰ্থৰ হকে এইবিলখন অনা হৈছে। যিকোনো বিল এখন অনাৰ আগত জনসাধাৰণৰ অগ্ৰাধিকাৰ আগতে হ'ব লাগিব।

**শ্ৰী ভূৰন পেগু, বিধায়ক (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন Pass হৈ গ'লে

আমাৰ যিখিনি হাজাৰ হাজাৰ নাৰৰীয়া আছে, তেওঁলোকক পুলিচে হাৰাশাস্তি কৰিব। কাৰণ আমাৰ অঞ্চলত নাওঁবোৰ বন্ধ নহ'ব। আমাৰ জনসাধাৰণৰ হাৰাশাস্তি হ'ব। মই সকলোখিনি কথা মানি লৈছো। কিন্তু Double Engine ৰ কথাটো আমাৰ ইয়াত প্ৰযোজ্য নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** এজন এজনকৈ আপোনালোকে কওঁক। মন্ত্ৰী ডাঙৰীয়া, মাননীয় সদস্য সকলে কি কয় অলপ শুনি লওঁক। মই সকলোকে ক'বলৈ দিম। এই বিষয়টোত যদি ইমান কনচাৰ্ণ আছিল, আপোনালোকে পৰামৰ্শ আগবঢ়াব লাগিছিল। আমি চিলেক্ট কমিটীলৈ পঠিয়ালোহেঁতেন। Select Committee লৈ বিলখন Introduce কৰিছিলো, সেইদিনাখনে ক'ব লাগিছিল। এতিয়া ক'ব নোৱাৰে। এনেকুৱা যদি কথা থাকে আমি Select Committee লৈ পঠিয়াই দি আকৌ কৰিব পাৰিলোহেঁতেন। চৰকাৰৰ হাতত বিভিন্ন ৰাস্তা আছে এই বিলখন অনাৰ। কিন্তু আমি বিচাৰিছো যে আপোনালোক আৰু চৰকাৰে মানুহৰ সুৰক্ষা আৰু সুবিধা দুয়োটা কথাই চাব লাগিব। সেইটো হ'লে কথাটো আগতে কৈছো পেগু ডাঙৰীয়া আৰু প্ৰদীপ হাজৰিকা ডাাঙৰীয়াকো কৈছো যে বিলখনতো একেদিনাই দিয়া নাই। আগতীয়াকৈ Circulate কৰে। আপোনালোকে আগতে গম পাই। গতিকে অলপ ভালকৈ আলোচনা কৰিলে হৈ যায়। আজি এই সুযোগটো নাই। চৰকাৰে যিহেতু কৈছে যে Regulatory Commission এটাহে কৰিছো আৰু তাত আমি যিখিনি কথা কৈছো সেই গোটেইখিনি কথা প্লেচ কৰি তেখেতে তেওঁলোকক ক'ব। কেৱল কৈছে যে Safety measures ত তেওঁলোকে আমাক Request কৰিছে যে কোনেও যাতে Compromise নকৰে। এ্তিয়া যদি সদনৰ সকলো সদস্যই Good change এটা দেখুৱাই যে ঠিক আছে বিলখন হ'লেও, মন্ত্ৰী ডাঙৰীয়া, মই ভাৱো যে এটা সৰু Committee এখন গঠন কৰি দিয়ক।

সদনৰ দুজন দুজন কৈ সদস্য লওঁক। এই গোটেই concern বোৰ যিহেতু এনেকৈ কৈ আছে, গতিকে এই concern খিনি জানিবৰ বাবে আমি যদি দুজনকৈ সদস্যই বহি আলোচনাৰ মাজেৰে unified concern যাতে আমাক দিব পাৰে। সকলোৱে যদি concern দিয়ে, তেতিয়া Regulatory Bill খন হোৱাৰ পিছত এই ক্ষেত্ৰত আমাৰ যিখিনি grievances/concern, সেইখিনি তাত meet কৰিব। তাৰ লগে লগে amendment আহিব। নহ'লে আজি voting ক ৰাৰ বাহিৰে অন্য উপায় নাই, কাৰণ এনেকৈ মই এইখন withdraw কৰিব নোৱাৰো। সেয়েহে মই কৈছো যে, আজি এইখন Bill pass হ'ব আৰু pass হোৱাৰ পিছত প্ৰত্যেকটো দলৰ এজন বা দুজনকৈ সদস্য দিলে তেওঁলোকৰ দৃষ্টি-ভংগী জানিব পৰা যাব। এইটো এটা মোৰ পৰামৰ্শহে। এনে হ'লে এটা ভাল message যাব যে সকলোৱে মিলি Bill খন pass কৰিছে আৰু যদি এনে ধৰণেৰে নহয়, তেন্তে সদনৰ যি নিয়ম আছে, সেই নিয়মৰ মাজেৰে যাব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, এটা কথা মই আপোনাক অনুৰোধ কৰিব বিচাৰিছো যে এই আইনখন যদি বিধান সভাই pass কৰি দিয়ে, pass কৰি দিয়াৰ পিছত Regulatory Authority যিটো হ'ব, সেই Authority য়ে কিছুমান Rules বনাব। গতিকে মই এটা কথা স্পষ্টভাৱে কৈছো যে, সদনত আপোনালোকৰ যি মত, এইখিনি মই Regulatory Authority ক যিকোনো প্ৰকাৰে reflect কৰাৰ কথা দিছো। তাৰ পিছত যদি আপোনালোকে বাৰে বাৰে insist কৰি থাকে তেন্তে নহ'ব। আজিৰ আইনখনত এটা Regulatory Authority হোৱাৰ কথাহে কোৱা হৈছে। ইয়াত কি লাগিব, কি নালাগে সেইটো নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আমি ভাৱো যে এইখন এখন দৰকাৰী Bill. পাটোৱাৰী ডাঙৰীয়াই যিখিনি কৈছে সেইখিনি তেওঁ কৰিব। মই অধ্যক্ষ হিচাপে প্ৰত্যেকটো দলৰ এজন এজনকৈ মানুহ লৈ সেইখিনি তেখেতৰ হাতত মই নিজেই সদনৰ পৰা place কৰিম। মই ভাৱো যে এই Bill খন আজি pass কৰিব পাৰিলে ভাল হয়।

**মাননীয় শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, এটা কথা যোগ কৰিব বিচাৰিছো যে এই আইনখনৰ আওতাত আমাক বচাবলৈ যোৱা NDRF আৰু SDRF বাহিনী পৰিব নে নপৰে? কাৰণ আজি যদি কৰবাত আমাৰ বিপদ হয় তেন্তে তেওঁলোকে আমাক বচাব যাব আৰু তেতিয়া পুলিচে তেওঁলোকক যাব নোৱাৰে বুলি বাধা দিব কাৰণ Bill pass হৈ গৈছে।

**মাননীয় শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** অধ্যক্ষ মহোদয়, মোৰ দুটা concern আছে। প্ৰথমটো হ'ল, double engine ৰ ক্ষেত্ৰত marine engine আনি double engine বহুৱাৰ ব্যৱস্থা কৰিব লাগে আৰু দ্বিতীয়টো হ'ল অসমৰ পৰ্যটন বিভাগৰ brand ambassador, প্ৰিয়ংকা চোপ্ৰা বাইদেউক টকা অলপ কমাই দি বিনামূলীয়াকৈ life jacket দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মই ভাৱো যে এই consensus ত আজি আমি এইটো শেষ কৰো। যদি এই consensus দিয়ে তেন্তে মই Bill খন pass কৰি এখন সমিতি গঠন কৰি আলোচনা কৰিম।

**মাননীয় শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** চাৰ, আপুনি যিটো কৈছে যে এখন সমিতিয়ে আলোচনা কৰি পৰামৰ্শ দিব গতিকে ইয়াত যিটো Vessel Ship ৰ সংজ্ঞা কৈছে সেইটোৰ এটা সংশোধন যাতে মন্ত্ৰী মহোদয়ে কৰি লয় যে কোনবোৰ Vessel Ship included হ'ব that will be decided by the Rules framed under this Act.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, Vessel Ship ৰ সংজ্ঞাটো ইয়াত স্পষ্টভাৱে দিয়া আছে। Indian Vessel Ship Act, 1917 আৰু আজিৰ আইন, এই দুইখনতে Vessel Ship কি হয়, এই কথাখিনি স্পষ্টভাৱে কোৱা আছে। গতিকে আজি মাননীয় সদনে Bill খন যাতে pass কৰি দিয়ে আৰু Regulatory Authority যিটো হ'ব, সেই Authority য়ে যি Rules বনাব, এই Rules বনাওতে মই সদনৰ যি খিনি সদস্যৰ concern আছে সেইখিনি তাত দি দিম। Regulatory Authority য়ে যদি এই ক্ষেত্ৰত concern খিনি প্ৰযোজ্য বুলি ভাৱে তেন্তে তেওঁলোকে concern খিনি গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। We will do it very quickly. I am giving you assurance. With this consensus, a Committee will be formed by the Speaker and a Report will be made on all the grievances raised today and that will be given to the Minister from my Office and he will take up the matter with the Regulatory Authority. এইখন Transport Regulatory Authority হৈছে। এইখিনি আমি চাম। ইয়াত assurance ৰ কোনো কথা আহি নপৰে। আপোনালোককো মই কৈছো যে, ভৱিষ্যতে এনে ধৰণৰ কথা থাকিলে you can refer the matter to the Selected Committee whether I accept it

or not that is a different issue but I always try to do that. এইখিনি কথাকে কৈ আজি যিখিনি amendment আছে সেই গোটেইখিনি withdraw কৰা হৈছে বুলি মই ধৰি লৈছো।

**মাননীয় শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** অধ্যক্ষ মহোদয়, যেতিয়ালৈকে আইনখন execute নহয়, তেতিয়ালৈকে নাওঁবোৰ চলি থাকিব দিব লাগে।

**মাননীয় অধ্যক্ষঃ** এইখন Regulatory Authority Bill. আৰু এইখন Regulatory Authority Act লৈ convert হ'ব। In the mean time, Authority টো বনাব লাগিব আৰু বনোৱাৰ পিছতহে execution ৰ কথা আহিব।

**মাননীয় শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** অধ্যক্ষ মহোদয়, এতিয়া নাওঁবোৰ বন্ধ কৰি থোৱা হৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, For the interest of the People, মই এটা কথা আপোনাক বাৰে বাৰে কৈছো যে safety measures ৰ ক্ষেত্ৰত আমি compromise কৰাটো উচিত নহয়।

**মাননীয় শ্ৰী ভূৱন পেগু, (জোনাই)ঃ** Sir, safety measures টো skip কৰি যদি engine টো single হয় তেন্তে ভাল engine টো চলিব দিয়ক।

**মাননীয় অধ্যক্ষঃ** আপোনালোকে confuse নকৰিব। মই কোৱা কথাখিনি আপোনালোকে confuse কৰি আছে। আমি কৈছো যে In future, Regulatory Authority will regulate. To form the Regulatory Authority, this bill has perhaps been introduced. গতিকে আমি ৩-৪ দিনৰ ভিতৰত আলোচনা কৰি আমাৰ concern খিনি মন্ত্ৰী ডাঙৰীয়াক দি দিম। তাৰ পিছত তেওঁ Regulatory Authority ক ক'ব যে এই concern খিনি কৰিলে ভাল হয় আৰু যদি কিবা কাৰণত কৰিব নোৱাৰে তেন্তে আমাৰ ওচৰলৈ নিশ্চয় ঘূৰি আহিব। তাৰ পিছত আমি আকৌ আলোচনা কৰিম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, Regulatory Authority নোহোৱালৈকে যিখিনি restriction আমি দিছো, সেইখিনি safety ৰ বাবে থাকিব।

**মাননীয় শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, তেনেহ'লে আপোনাৰ কথাটো নামানিলে। আপুনি যিটো ক'লে যে তেতিয়ালৈকে স্থগিত ৰাখিব বুলি।

**মাননীয় অধ্যক্ষ ঃ** আজিৰ তাৰিখত যিখিনি আছে সেইখিনি হৈ থাকিব। As authority on today যিখিনি আছে সেইখিনি আমি নাইকীয়া কৰি দিয়া নাই। গতিকে বাকী regulatory টো হোৱাৰ লগে-লগে আমি এইখিনি কৰি দিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, As on today এই নাওঁবোৰ বন্ধ হৈ আছে, এতিয়া কোনো নাওঁ চলা নাই। ------হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** As on today মই কোনো নাওঁ চলাবলৈ দিব ক'ব নোৱাৰো। মই কৈছো যে সোনকালে Regulatory authority খন কৰি গোটেই বস্তুটোৰ আমি এটা solution পাম। এতিয়া চৰকাৰে যিটো সিদ্ধান্ত লৈছে সেইটো মই গুচাই দিবলৈ কম নেকি? ----হুলস্থুল ------------নাওঁ বন্ধ হৈ আছে সেইটো মই জানো আৰু কেইদিনমান বন্ধ হৈ থাকিলে মহাভাৰতখন অশুদ্ধ হৈ নাযায়। Regulatory authority খন আহিবলৈ দিয়ক। We will place our grievences. ------হুলস্থুল-------I have tried my level best. ------হুলস্থুল-------

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, Till the alternative arrangement is made, what will happen to these 30-40 lac people?------হুলস্থুল---

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক কথা ক'বলৈ দিয়া নাই। আপুনি বহি থাকক। একেখিনি কথাকে আপুনি কৈ আছে। এতিয়া House ৰ last ত মই এটা কথা শুধিছো যদি Treasury পক্ষই বিচাৰে যে বিল খন ভোটত যাব লাগে, তেতিয়া মই যাবলৈ ready আছো। কিন্তু মই ভাবিছিলো যে এটা concensus হৈ গলে আপোনালোকৰ কথাখিনিও আহিব পাৰে। গতিকে আজি House ত পাতি থকা কথামতে কাইলৈ মই খুলি দিব পাৰিম নেকি? দেৱব্ৰত শইকীয়া ডাঙৰীয়া আপুনি কওক।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা খুব গুৰুত্বপূৰ্ণ কথা। যিবিলাক অঞ্চলত ৰাস্তা নাই, দলং নাই সেই অঞ্চল বিলাকত নাওঁ ব্যৱহাৰ কৰি থকা হৈছে আৰু চৰকাৰী তথ্য অনুসৰি নামনি অসমৰ মাটি দ' আৰু ইয়াত নাওঁৰ প্ৰয়োজন আছে বুলি বহুবছৰ আগৰ পৰাই উল্লেখ আছে। গতিকে আপুনি কোৱাৰ দৰে মই আশা কৰো অতি সোনকালে এখন কমিটি বহাৰ ব্যৱস্থা কৰে আৰু পৰামৰ্শ দিয়ে মই এইটো অনুৰোধ কৰিছো। ইয়াৰ লগতে আপুনি যিটো কৈছে যে অতি সোনকালে সকলো পক্ষৰ বিধায়ক সকলক লৈ এখন বৈঠক কৰিব, সেই স্থিতিটো যাতে বাহাল ৰাখে।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীয়ে কৈছে যে ৰাস্তা নাই, দলং নাই, সেইটোৰ কাৰণেইতো জলপৰিবহনৰ ব্যৱস্থা আছে। **শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি ১৯৩০ চনৰ ৰিপোৰ্ট চাব। চৰকাৰী ৰিপোৰ্টতে আছে নামনি অসমৰ কেনেকুৱা অৱস্থা। সেইগতিকে জলপৰিবহন ব্যৱস্থাটো প্ৰয়োজনীয়। সেইটো মাটিৰ লেভেলৰ ওপৰত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাক জনাব বিচাৰিছো যে হয়তো বিৰোধীৰ পক্ষত থাকিলে মইও আপোনাক এনেধৰণৰ কথাই কলোহেঁতেন। কিন্তু আজি চৰকাৰৰ------ ----হুলস্থুল --------অধ্যক্ষ মহোদয়, মানুহ যেতিয়া নাওঁ দুৰ্ঘটনাত মৰে, - ----হুলস্থুল --------তেতিয়া সেই যিটো accountability সেইটো চৰকাৰৰ ওপৰত আহে। চৰকাৰৰ ভুল নীতিৰ বাবেহে এইটো হ'ল, তেনেকুৱা ধৰণে কয়। উত্তৰ গুৱাহাটীত যিদিনা নাওঁ দুৰ্ঘটনা হ'ল, সেই দিনাৰ পৰা প্ৰায় ৭ দিনলৈ সংবাদ মাধ্যম সমূহত series হিচাপে চৰকাৰকে জগৰীয়া কৰি থাকিলে। কিন্তু মেদাৰটাৰী নাওঁ দুৰ্ঘটনাৰ পিছত, ২০১২ চনত Khosla Committe য়ে যিটো ৰিপোৰ্ট দিছিল তাৰ পিছতো কোনো reform নহ'ল। ২০১২ চনৰ এই Khosla Committe ৰ আধাৰতহে আমি এই আইনখন আনিছো ৰাইজৰ safety আৰু security ৰ কাৰণে। অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ ওপৰত ভিত্তি কৰি যিটো Regulatory Authority হ'ব, সেই Regulatory Authority এ কিছুমান rule বনাব আৰু মাননীয় অধ্যক্ষ ডাঙৰীয়াই যদি সন্মানীয় সদস্য সকলৰ পৰা কিছুমান suggestion লয়, সেইখিনি আমাক দিব। বিধানসভাই Regulatory Authority আইনখন গঠন নকৰালৈকে আমাৰ যিটো নিষেধাজ্ঞা বৰ্তমান চলি আছে, সেইটো চলি থাকিব। তাত কোনো compromise নাই। -----হুলস্থুল --------

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। আমি ইমান আলোচনা কৰি থাকিব নোৱাৰো। এইখন এখন বিল হয়। আপোনালোকে যিবোৰ কথা কৈ আছে, আজি যদি এই বিলখন নাহিলেহয় ইমানবোৰ

কথা ওলালেহেঁতেন জানো? আপোনালোকে এই আইনখনৰ জৰিয়তে এইটো কথা কব বিচাৰিছে যে যিবোৰ নিষেধাজ্ঞা আছিল সেইবোৰ আজিৰে পৰাই উঠাই ল'ব লাগে। সেইটো সম্ভৱ নহয়। মই বিচাৰিছিলো কিছুমান grievances হৈ আছে। Regulatory Authority ক যদি এই grievances সমূহ ভালদৰে বুজাই দিব পাৰো কমিটিখনৰ জৰিয়তে, মন্ত্ৰীয়ে নিজে দায়িত্ব লৈছে যে তেওঁ এই কথাখিনি place কৰিব। বুজাব পাৰিলে ভাল হ'ব। নুবুজিলে তো উপায় নাই। যদি আপোনালোকে এনেকুৱা ধৰণে নিবিচাৰে তেতিয়া মই বিলখন clause by clause পঢ়ি যাম। house য়ে যিটো decide কৰে সেইমতে decision হ'ব। মই সেইটো কৰিব খোজা নাছিলো। আপোনালোকৰ কিবা বিপদ হৈছে সেইটো emotion মই বুজিছো কিন্তু আৰু কেইদিনমান ধৈৰ্য্য ধৰিলে মহাভাৰতখন অশুদ্ধ হৈ নাযায়।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়া বৰ্তমান ইয়াত উপস্থিত আছে, পাটোৱাৰী ডাঙৰীয়া জলপৰিবহন মন্ত্ৰী আৰু পৰিবহনৰো মন্ত্ৰী আমি এটা নাওঁ দুৰ্ঘটনাক লৈ পদক্ষেপ ল'ব খুজিছো। কিন্তু বছৰটোত কিমান পথ দুৰ্ঘটনা হয়।

**মাননীয় অধ্যক্ষ ঃ** These are not relevant. we are talking about the Bill. - ---হুলস্থুল ----------

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে safety measure লোৱাটো আমি বিচাৰিছো। কিন্তু পাটোৱাৰী ডাঙৰীয়াই যিটো কৈছে আমাক সমালোচনা কৰিবৰ কাৰণেহে বিলখন আনিছে বুলি ----হুলস্থুল ----------

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা দুৰ্ঘটনাৰ কাৰণে এই আইনখন হোৱা নাই। ৭ দিনত চৰকাৰে এখন আইন আনিব নোৱাৰো। দীৰ্ঘদিন ধৰি আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছিল যে IWT ত এটা reform হ'ব লাগে আৰু সেই ভিত্তিতে এই আইনখন হৈছিল। **২০১৩** চনৰ পৰা **২০১৬** চনৰ ভিতৰত এখন আইন আচলতে আহিব লাগিছিল। এই আইনখন নাহিল যি কি কাৰণতে। এতিয়া এই আইনখন আনিব বিচাৰিছো for the safety of the passenger গতিকে মই সকলো মাননীয় সদস্যক অনুৰোধ কৰিছো যে passenger ৰ safety টো বেছি গুৰুত্ব দিয়ক আৰু কোন ব্যক্তিগত মানুহে নাওঁত দুটা engine, তিনিটা engine লগাই সেই কথাটো বাদ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** No more discussion. মই তেতিয়া হ'লে কৈ গৈছো যে আপোনালোকে ইয়াৰ পিছত যিখন Regulatory Authority গঠন কৰিব, আমি খুব সোনকালে আমাৰ পৰামৰ্শখিনি সকলোৰে মিলি আপোনালোকৰ তাত place কৰিম। আৰু আপুনি Regulatory Authority গঠন হোৱাৰ লগে লগে তেওঁলোকক পৰামৰ্শখিনি দি বৰ্তমান যিখিনি অসুবিধা হৈ, ইয়াক কিমান লাঘৱ কৰিব পৰা যায়, সেই কথাটোৰ ওপৰত লক্ষ্য ৰাখি আপুনি কাম কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈ থওঁ যে মাননীয় সদস্যসকললৈ আপুনি আলোচনা কৰিব। আলোচনা কৰোতে এইটো কথাৰ কাৰণে অনুৰোধ কৰিম যে যিখিনি পৰামৰ্শ দিয়া হয় সেইখিনি যাতে passenger আৰু ৰাইজৰ কথা safety ৰ কথা হয়। গতিকে সেই ভিত্তিতহে এই পৰামৰ্শখিনি দিলে ভাল হয় নহলে Regulatory Authority য়েও বিপদত পৰিব পিছত।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া মই সদনৰ সন্মতি সপক্ষে বিধেয়কখনৰ দফা **২** নং ৰ পৰা দফা **৬১** নং লৈ আছে। তাত **১৫** টা সংশোধনী আছিল। তাৰে **১২** টা সংশোধনী দিছিলে

কংগ্ৰেছ বিধায়নি দলে আৰু **৩** টা সংশোধনী দিছিলে এ ইউ ডি এফৰ দলে। আৰু তাৰে **১৫** টাৰ এটা common কাৰণে মুঠ সংশোধনী **১৪** টা । এতিয়া এই সংশোধনী কেইটা আমি বহু সময় ধৰি আলোচনা কৰিলো। আলোচনা কৰি মাননীয় মন্ত্ৰী আৰু Leader of the House আৰু মাননীয় সদস্য শ্ৰী হাফিছ বছিৰ আহমেদ, মই সকলোৰে concensus টো লৈ যিকেইটা amendment আছে আমি withdraw কৰা বুলি মই কব বিচাৰিছো। আৰু amendment বিলাকৰ যিখিনি কাৰণ আনিছে, সেইখিনি আমি আলোচনা কৰি লৈ লম। আৰু amendment ৰ যিখিনি আলোচনা হ'ব তাক লৈ চৰকাৰৰ হাতত অৰ্পণ কৰিম।

এতিয়া মই বিধেয়কখনৰ দফা **২** নং ৰ পৰা দফা **৬১** নং লৈ যিকেইটা দফা আছে। সেই দফাখিনি বিধেয়কখনৰ অংশ হব বুলি মই কব বিচাৰিছো।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

মই ভাৱো যে বিধেয়কখনৰ দফা **২** নং ৰ পৰা দফা **৬১** নং আছে সেই বিধেয়কখনৰ অংশ হৈছে।

বিধেয়কখনৰ **১** নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই,

সেয়ে মই প্ৰশ্নটো উত্থাপন কৰিছো - বিধেয়কখনৰ **১** নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

বিধেয়কখনৰ **১** নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া কাৰ্য্যসূচী নং **১০** (গ) ।

মই মাননীয় পৰিবহণ মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰিবহণ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Inland Water Transport Regulatory Authority Bill, 2018" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰস্তাৱটো কৈছো - "The Assam Inland Water Transport Regulatory Authority Bill, 2018" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'

মই ভাৱো যে 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হৈছে।

বিধেয়কখনো পাৰিত কৰা হৈছে।

মই সদনত এটা কথা কব বিচাৰিছো যে কিছুমান বিল আহে খুব sensitive । সেই sensitive বিল বিলাকত জনসাধাৰণক যাতে সকলোকে সুৰক্ষা দিব পাৰে, সামৰি লব পাৰে তেনেকুৱা ধৰণৰ কথাবিলাক থাকিলে। এনেকুৱা বিলবিলাক অহাৰ লগে লগে অলপমান অধ্যায়ন

কৰি, আমি কেতিয়াবা এনেকুৱা ধৰণৰ কথাত আমি select committee পাতিও গোটেই বিলখন অধ্যায়ন কৰি পঠিয়াব পাৰো। এই ব্যৱস্থা বিলাকে আপোনালোকে লব নহলে আমাৰ এনেকুৱা এখন বিলত ইমান সময় আলোচনা কৰি (আজি চাৰিখন বিল আছিল) সময়তো আজি দিয়া হ'ল, কিন্তু সদায়তো এই সম্ভৱ নহয়। গতিকে আপোনালোকক এইখিনি কথা কৈছে যাতে এনেকুৱা ধৰণৰ নহয়। মই যিটো আপোনালোকক কৈছো যাতে সোনকালে দুই তিনিদিনৰ ভিতৰত মাতি আলোচনা কৰি সকলোৱে সমিল মিলে বস্তুখিনি দিয়াৰ পিছত চৰকাৰৰ হাতত এইটো অৰ্পণ কৰিম যাতে নতুন যিটো Regulatory আছে, তেওঁলোকৰ তাতে লব পাৰে।

**এতিয়া মই সদন অহা কালিলৈ পুৱা ৯.৩০ বজালৈ স্থগিত ৰাখিছো।**